● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

দেওবৰীয়া দৈনিক

# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

**দিগ্‌দৰ্শন**



আপুনি নিজৰ জীৱনটো বাছি লৈছে। যদি ভাল লগা নাই তেন্তে নিজে তাক সলনি কৰি ল'ব লাগিব, কিয়নো আনে সেয়া কৰি নিদিয়ে।

কিম কিয়ছাকি
*আমেৰিকাৰ উদ্যোগী-লেখিকা*

www.dainikagradoot.in
৫ যাদু বিদ্যা ক'ত নাই
১৫ ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি শিৱাংগীৰ সোণ
৪ গণতন্ত্ৰ আৰু সাম্প্ৰদায়িকতা পৰস্পৰ বৈৰী মতবাদ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩৩২ তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ২৫ ভাদ ১৪২৯ ভাস্কৰাব্দ ১১ ছেপ্টেম্বৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 11 September 2022 মূল্য ঃ ৯.০০ টকা

■ চৰকাৰী পদৰ বাবে ১০ লাখ পৰ্যন্ত দালাল চক্ৰৰ দাবীৰ অভিযোগ দি নিজে বিপদত পৰিবলগীয়া হোৱাত তীব্ৰ প্ৰতিক্ৰিয়া ■ চৰকাৰৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিব নোৱৰা পৰিৱেশ সৃষ্টি ঃ গগৈ

# অভিযোগকাৰী ভিক্টৰক গ্ৰেপ্তাৰত প্ৰতিক্ৰিয়া

■ সাতদিনৰ আৰক্ষী জিম্মালৈ ■ মই ভাগৰা নাই ঃ গ্ৰেপ্তাৰৰ পাছতো নিজৰ স্থিতিত অটল

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰৰ চলিত প্ৰায় ২৬ হেজাৰ পদত নিযুক্তি প্ৰক্ৰিয়াক লৈ দালাল তথা মধ্যভোগীৰ দৌৰাত্ম্যৰ বিষয়টোৱে সম্প্ৰতি ব্যাপক চৰ্চা লাভ কৰিছে। তাৰ মাজতে এই সম্পৰ্কত আনুষ্ঠানিক অভিযোগ উত্থাপন কৰি ভিক্টৰ দাস নামৰ এজন প্ৰশিক্ষক গ্ৰেপ্তাৰ হোৱা ঘটনাটোৱে সেই চৰ্চাক নতুন মাত্ৰা দিছে। বিশেষকৈ ভিক্টৰ দাসক আৰক্ষীয়ে যি প্ৰক্ৰিয়াৰ মাজেৰে যোৱা নিশা গ্ৰেপ্তাৰ



কৰিলে তাকে লৈ সমগ্ৰ বিষয়টোৰে ৰহস্যৰ সৃষ্টি কৰা বুলি সৰ্বত্ৰ আলোচিত হৈছে। আৰক্ষীয়ে দাবী কৰিছে যে ভিক্টৰ দাসে নিযুক্তিৰ নামত একাংশ দালালে ধন দাবী কৰাৰ অভিযোগ ভিত্তিহীন। অৱশ্যে আৰক্ষীৰ এনে দাবী 'গোঁসাই ঘৰত কোন? মই কল খোৱা নাই' সদৃশহে হোৱা বুলি মন্তব্য কৰে ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে। গগৈয়ে কয়, 'পৃথিৱীত এনে শক্তি কাৰো নাই যিয়ে এটা কোঠাত এদিন বহিয়েই এটা গুৰুতৰ *১০ পৃষ্ঠাত চাওক*

## হায়দৰাবাদত মাইক কাঢ়ি নিয়া ঘটনাৰ প্ৰতিক্ৰিয়া মুখ্যমন্ত্ৰীৰ

## মোক অনায়াসে চোকা অস্ত্ৰৰে আক্ৰমণ কৰিব পাৰিলেহেঁতেন

তেলেংগানা চৰকাৰৰ পৰা প্ৰতিবেদন বিচাৰিলে গৃহ মন্ত্ৰণালয়ে

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ১০ ছেপ্টেম্বৰ ঃ** 'আমি শূন্য দূৰত্বত আছিলো। তেওঁ অনায়াসে মোক চোকা অস্ত্ৰৰে আক্ৰমণ কৰিব পাৰিলেহেঁতেন।' হায়দৰাবাদত কালি টিআৰএছৰ এজন নেতাই মঞ্চলৈ উঠি গৈ অপদস্থ কৰা ঘটনাৰ সন্দৰ্ভত আজি নতুন দিল্লীত এনেদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই। *১০ পৃষ্ঠাত চাওক*



*বাৰ কাউন্সিলৰ হীৰক জয়ন্তী অনুষ্ঠানত কেন্দ্ৰীয় আইন মন্ত্ৰী, মুখ্যমন্ত্ৰী তথা ন্যায়াধীশ প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল।*

## এহেজাৰ বস্তা চোৰাং চাউলসহ দুখন ট্ৰাক জব্দ, দুজনক গ্ৰেপ্তাৰ

ৰাজহুৱা বিতৰণৰ চাউল ভূটানলৈ অবৈধ চালান

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ১০ ছেপ্টেম্বৰ ঃ** চিৰাঙৰ গৰুভাষাত আৰক্ষীয়ে যোৱা নিশা চোৰাং চাউলভৰ্তি দুখনকৈ ট্ৰাক জব্দ কৰে। চিৰাং জিলাৰ চিদলী থানাৰ অন্তৰ্গত গৰুভাষাত আৰক্ষীয়ে অবৈধভাৱে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনৰ চাউল চোৰাং ব্যৱসায়ৰ বাবে কঢ়িয়াই নিয়া দুখনকৈ ১২ চকীয়া ট্ৰাক জব্দ কৰে। এ এছ-১৯ চি-৭৭৩৭ আৰু *১০ পৃষ্ঠাত চাওক*

■ বাৰ কাউন্সিলৰ হীৰক জয়ন্তী তথা উচ্চ ন্যায়ালয়ৰ সংগ্ৰহালয়ৰ উদ্বোধনী অনুষ্ঠান

## নিম্ন আদালতৰ কাম-কাজ গতিশীল কৰাৰ বাবে এশ নতুন পদ সৃষ্টি কৰা হ'ব

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ ছেপ্টেম্বৰ ঃ** 'বেদ উপনিষদ আৰু অন্যান্য ধৰ্মীয় গ্ৰন্থৰ পৰা উদ্ভৱ হোৱা আইন আমাৰ দেশৰ ন্যায় ব্যৱস্থাৰ এখন উৰ্বৰ ক্ষেত্ৰ আছিল। আমাৰ দেশৰ ন্যায়পালিকাই আমাৰ গণতন্ত্ৰক এক সুদৃঢ় ভেটি দিছে। আমাৰ দেশৰ নাগৰিকৰ মৌলিক অধিকাৰ আৰু স্বাধীনতাৰ ৰক্ষক হিচাপে ন্যায়পালিকাই সদায়ে আইনৰ শাসন ৰক্ষা কৰাত আৰু আমাৰ গণতন্ত্ৰৰ চাৰিটা স্তম্ভৰ মাজত ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰাত মূল ভূমিকা পালন কৰি আহিছে।' আজি মহানগৰীৰ প্ৰাগজ্যোতি প্ৰেক্ষাগৃহত আয়োজিত অসম, নগালেণ্ড, মিজোৰাম, অৰুণাচল প্ৰদেশ আৰু ছিকিমৰ *১০ পৃষ্ঠাত চাওক*

## সভাপতি পদৰ নিৰ্বাচন নিকা কৰক ঃ পাঁচ কংগ্ৰেছ সাংসদৰ পত্ৰ

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ১০ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি পদৰ নিৰ্বাচন স্বচ্ছ আৰু নিকা হোৱাৰ ক্ষেত্ৰত আশংকা প্ৰকাশ কৰিলে দলৰে পাঁচজনকৈ সাংসদে। সভাপতি পদৰ নিৰ্বাচন নিকা হোৱাৰ স্বাৰ্থত শীঘ্ৰে দলৰ ভোটাৰ তালিকা প্ৰকাশ কৰিবলৈ দাবী জনাই দলৰ *১০ পৃষ্ঠাত চাওক*

## উৎকোচৰ ধন লৈ হাতে-লোটে গ্ৰেপ্তাৰ আৰু এজন ভাৰপ্ৰাপ্ত বিষয়া

চৰকাৰী আবাসত উদ্ধাৰ বিপুল পৰিমাণৰ ধন

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১০ আগষ্ট ঃ** অসম আৰক্ষীৰ পোছাকত পুনৰ দাগ লগালে এজন ঘোচখোৰ আৰক্ষী বিষয়াই। দাবী কৰা উৎকোচৰ ধন লোৱা অৱস্থাত আজি দুৰ্নীতি নিবাৰক শাখাই হাতে-লোটে ধৰা পেলাই গ্ৰেপ্তাৰ কৰিলে তামুলপুৰ জিলাৰ ভূটান *১০ পৃষ্ঠাত চাওক*

■ বাকিংহামৰ মৌ বাঁহবোৰক জনাই দিয়া হ'ল ঃ ৰাণী আৰু নাই!

## আজীৱন দেশবাসীক সেৱাৰ প্ৰতিশ্ৰুতিৰে অভিষেক ৰজা চাৰ্লছৰ

■ নিউজ ব্যুৰ'

**লণ্ডন, ১০ ছেপ্টেম্বৰ ঃ** পূৰ্ব নিৰ্ধাৰিত অনুসৰি আজি ব্ৰিটেইনৰ নতুন ৰজাৰূপে অভিষেক ঘটিল প্ৰয়াত ৰাণী দ্বিতীয় এলিজাবেথৰ পুত্ৰ তৃতীয় চাৰ্লছৰ। প্ৰথমবাৰৰ বাবে এচেছ'ন কাউন্সিলৰ এই অনুষ্ঠান টেলিভিছনৰ জৰিয়তে প্ৰচাৰ কৰা হয়। ৰাণীৰ মৃত্যুৰ লগে লগে স্বাভাৱিকতে চাৰ্লছ ৰজা হয় যদিও নতুন ৰজাৰ সাৰ্বভৌম ক্ষমতাক স্বীকৃতি প্ৰদানৰ বাবে বহু *১০ পৃষ্ঠাত চাওক*



## ব্যৱসায়ীৰ গৃহত নগদ ১৮ কোটি জব্দ



ম'বাইল গেমিং এপৰ নামত প্ৰৱঞ্চনাৰ গোচৰ

■ নিউজ ব্যুৰ'

**কলকাতা, ১০ ছেপ্টেম্বৰ ঃ** ম'বাইল গেমিং এপৰ জৰিয়তে সাধাৰণ জনতাক প্ৰতাৰণা কৰি ক'লা ধনৰ পাহাৰ গঢ়া কলকাতাৰ এজন ব্যৱসায়ীৰ ঘৰত আজি অভিযান চলাই কেন্দ্ৰীয় চৰকাৰৰ অৰ্থনৈতিক তদন্তকাৰী সংস্থা ই ডিয়ে জব্দ কৰে ১৮ কোটিৰো অধিক নগদ ধন। কলকাতাৰ গাৰ্ডেন ৰিচ অঞ্চলত থকা আমিৰ খান নামৰ ব্যৱসায়ীজনৰ বাসগৃহকে ধৰি মুঠতে ছটাকৈ স্থানত আজি পুৱাৰে পৰা আৰম্ভ কৰা তালাচী অভিযানত উদ্ধাৰ হয় এই বৃহৎ পৰিমাণৰ *১০ পৃষ্ঠাত চাওক*

■ অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰি সুতৰ ব্যৱসায়ৰ নামত অব্যাহত ৰাখিছে দৌৰাত্ম্য

■ শৰণাৰ্থীৰূপে আহি অসমত নিৰ্মাণ কৰিছে বৃহৎ দালান ■ আঁৰত কাৰ পৃষ্ঠপোষকতা?

## জালিয়াতিৰেই সংগ্ৰহ ভাৰতীয় পাছপ'ৰ্ট



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ ছেপ্টেম্বৰ ঃ** অবৈধভাৱে ভাৰতত থাকি সুতৰ ৰমৰমীয়া ব্যৱসায় অব্যাহত ৰখা বহু কাবুলিৱালাই ভুৱা নথিপত্ৰৰে ভাৰতীয় পাছপ'ৰ্ট প্ৰস্তুত কৰাৰো গুৰুতৰ অভিযোগ আছে। এনে বহুসংখ্যক কাবুলিৱালাই শৰণাৰ্থীৰূপে ভাৰতত প্ৰৱেশ কৰি সুতৰ ব্যৱসায় চলাই থকাৰ কথা ইতিমধ্যে প্ৰকাশ পাইছে। তদুপৰি পৰ্যটকৰূপে বা চিকিৎসাজনিত কাৰণত ভিছা সংগ্ৰহ কৰি ভাৰতত প্ৰৱেশ কৰিও একাংশ কাবুলিৱালাই সুতৰ ব্যৱসায় চলাই আছে। আনকি ভিছাৰ ম্যাদ উকলি যোৱাৰ পাছতো নানা জালিয়াতিৰে ভুৱা নথি সংগ্ৰহ কৰি ব্যৱসায় অব্যাহত ৰাখিছে। ইয়াৰে একাংশই নিজকে ভাৰতীয় নাগৰিক বুলি প্ৰমাণ কৰিবলৈ ভাৰতীয় পাছপ'ৰ্টো *১০ পৃষ্ঠাত চাওক*



## পূৰ্বে গুলিবিদ্ধ ব্যৱসায়ীক পুনৰ ধনদাবী কেএলঅ'ৰ

হোৱাটছএপতে দুই লাখ টকা দাবী, ধৃত দুই

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ১০ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ ছেৰফাংগুৰিস্থিত নাৱাবাৰীত পুনৰ কেএলঅ'ৰ ভাবুকিৰ সন্মুখীন হ'ল এজন ক্ষুদ্ৰ ব্যৱসায়ী। যোৱা চাৰি জুনত সুনীল মণ্ডল নামৰ ক্ষুদ্ৰ ব্যৱসায়ীজনক দাবীকৃত ধন নোপোৱাৰ বাবে *১০ পৃষ্ঠাত চাওক*

■ জনজাতিকৰণৰ প্ৰসংগত ক্ষুব্ধ সন্মিলনী

## ভুৱা প্ৰতিশ্ৰুতিৰে কোচ ৰাজবংশীৰ মৰ্যাদাত আঘাত হানিছে চৰকাৰে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ ছেপ্টেম্বৰ ঃ** 'বিজেপিয়ে ছয় জনগোষ্ঠীক জনজাতিকৰণৰ প্ৰতিশ্ৰুতিৰে ২০১৪ৰ লোকসভা নিৰ্বাচন, ২০১৬ আৰু ২০২১ৰ বিধানসভা নিৰ্বাচনত শাসনলৈ আহিছিল যদিও এতিয়া এই জনগোষ্ঠীকেইটাক জনজাতিকৰণৰ পৰিৱৰ্তে অন্যান্য পিছপৰা শ্ৰেণীৰ ভিতৰতে বিশেষ সুবিধা প্ৰদানৰহে প্ৰস্তাৱ চৰকাৰে দিছে। আশ্বাস প্ৰদানৰ *১০ পৃষ্ঠাত চাওক*









দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ২৫ ভাদ ১৪২৯ ভাস্কৰাব্দ ১১ছেপ্টেম্বৰ ২০২২



# গ্ৰন্থপ্ৰেম



প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ শেহতীয়া এক ভাষণত গ্ৰন্থ অধ্যয়নৰ বাবে আহ্বান জনাইছে। ছপা গ্ৰন্থই হওক নাইবা ই-বুক— যি ৰূপতেই নহওক কিয়, গ্ৰন্থ অধ্যয়নৰ গুৰুত্ব দাঙি ধৰিছে প্ৰধানমন্ত্ৰীয়ে। শেহতীয়াকৈ গ্ৰন্থ অধ্যয়নৰ ক্ষেত্ৰত পূৰ্বৰ আগ্ৰহ তথা উৎসাহ হ্ৰাস পোৱাৰ কথা মনত ৰাখিয়েই প্ৰধানমন্ত্ৰীয়ে এইদৰে গ্ৰন্থ অধ্যয়নৰ অভ্যাস পুনৰ গঢ়ি তোলাত বিশেষ গুৰুত্ব দিছে। শিক্ষিত সমাজত গ্ৰন্থ অধ্যয়নৰ অভ্যাস সদায় প্ৰশংসিত হৈ আহিছে। বিশেষকৈ গ্ৰন্থ অধ্যয়নে যিকোনো এগৰাকী ব্যক্তিক সম্পূৰ্ণ মানৱ হিচাপে গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। গ্ৰন্থ নথকা ঘৰ এখন খিৰিকী নথকা কোঠাৰ স'তে তুলনা কৰা হয়; কিন্তু তথ্য বিপ্লৱৰ যুগত অথবা ডিজিটেল বিশ্বত ছপা গ্ৰন্থৰ মূল্য যথেষ্ট হ্ৰাস পাইছে। বহু লোকেই বৰ্তমান এখন ভাৰ্চুৱেল পৃথিৱী অথবা প্ৰাতিভাসিক জগতত অধিক সময় ব্যস্ত হৈ থাকে। বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত এনে ভাৰ্চুৱেল জগতৰ প্ৰভাৱ বেছি। ফেচবুক আদি সামাজিক মাধ্যমত দিনটোৰ বেছিভাগ সময় পাৰ কৰে আজিৰ যুৱক-যুৱতীয়ে। গ্ৰন্থ অধ্যয়নৰ বাবে তেওঁলোকৰ সময় নাই। অৱশ্যে শেহতীয়াকৈ প্ৰকাশ পোৱা পিউ ৰিছাৰ্চ চেন্টাৰৰ সমীক্ষা অনুসৰি আমেৰিকা যুক্তৰাষ্ট্ৰ প্ৰমুখ্যে পশ্চিমীয়া দেশবোৰত নতুন প্ৰজন্মৰ (১৯৯০ৰ দশকৰ পৰৱৰ্তী প্ৰজন্ম) যুৱক-যুৱতীসকলৰ মাজত শেহতীয়াকৈ ফেচবুক প্ৰমুখ্যে সামাজিক মাধ্যমৰ জনপ্ৰিয়তা হ্ৰাস পাইছে। প্ৰকাশিত তথ্য অনুসৰি যোৱা সাত বছৰ পূৰ্বে আমেৰিকাৰ নৱ প্ৰজন্মৰ যুৱক-যুৱতীসকলৰ ৭১ শতাংশই ফেচবুক ব্যৱহাৰ কৰিছিল; কিন্তু এতিয়া এই প্ৰজন্মৰ যুৱক-যুৱতীসকলৰ ৩২ শতাংশইহে ফেচবুক ব্যৱহাৰ কৰে। 'জেনেৰেছন জেড' হিচাপে পৰিচিত শেহতীয়া নৱ প্ৰজন্মৰ এই যুৱক-যুৱতীসকলৰ সামাজিক মাধ্যম প্ৰেম হ্ৰাস পোৱাটো নিশ্চয় তাৎপৰ্যপূৰ্ণ। অৱশ্যে ইয়াৰ বিপৰীতে গ্ৰন্থ অধ্যয়নৰ অভ্যাস কিমান বাঢ়িছে, সেইটো স্পষ্ট নহয়; কিন্তু যোৱা ২০২০ত প্ৰাক্তন ৰাষ্ট্ৰপতি বাৰাক অ'বামাৰ আত্মজীৱনীমূলক গ্ৰন্থ 'এ প্ৰমিজড লেণ্ড' প্ৰকাশ পোৱাৰ প্ৰথম দিনাই আঠ লাখ ৯০ হেজাৰ কপি বিক্ৰী হৈছিল। দেশখনত গ্ৰন্থ অধ্যয়ন অথবা গ্ৰন্থপ্ৰেমীৰ প্ৰমাণ ই দাঙি ধৰে; কিন্তু তৎসত্ত্বেও আমেৰিকাৰ প্ৰতিগৰাকী নাগৰিকে এসপ্তাহত গড়ে ভাৰতীয় লোকতকৈ কম পঢ়ে। আমেৰিকাৰ প্ৰতিগৰাকী লোকে এসপ্তাহত মাত্ৰ পাঁচ ঘন্টা ৪২ মিনিট সময় পঢ়ে। আনহাতে, ভাৰতৰ সাক্ষৰতাৰ হাৰ আমেৰিকাৰ সাক্ষৰতাৰ হাৰতকৈ বহু কম যদিও প্ৰতিগৰাকী ভাৰতীয়ই সপ্তাহত গড়ে ১০ ঘন্টা ৪২ মিনিট সময় পঢ়াত ব্যয় কৰে বুলি ২০২১ৰ সমীক্ষাত প্ৰকাশ পাইছে। সেই অনুসৰি প্ৰতিগৰাকী লোকে এটা সপ্তাহত পঢ়া বা অধ্যয়নত গড়ে অতিবাহিত কৰা সময়ৰ তালিকাত পোৱা যায় ঃ ভাৰত ১০ ঘন্টা ৪২ মিনিট, থাইলেণ্ড ন ঘন্টা ২৪ মিনিট, চীন আঠ ঘন্টা, ৰাছিয়া সাত ঘন্টা ছয় মিনিট, ফ্ৰান্স ছঘন্টা ৫৪ মিনিট, জাৰ্মানী পাঁচ ঘন্টা ৪২ মিনিট, আমেৰিকা যুক্তৰাষ্ট্ৰ পাঁচ ঘন্টা ৪২ মিনিট, ব্ৰিটেইন পাঁচ ঘন্টা ১৮ মিনিট, অষ্ট্ৰেলিয়া ছঘন্টা ১৮ মিনিট, জাপান চাৰি ঘন্টা ছয় মিনিট, স্পেইন পাঁচ ঘন্টা ৪৮ মিনিট ইত্যাদি। এই আন্তঃৰাষ্ট্ৰীয় সমীক্ষাৰ তালিকাত প্ৰকাশ পোৱা অনুসৰি ভাৰতীয় লোকে আমেৰিকা আৰু ব্ৰিটেইনতকৈ সপ্তাহত গড়ে দুগুণ বেছি সময় পঢ়ে। ছপা গ্ৰন্থ, সংবাদপত্ৰ, আলোচনী আদি পঢ়াৰ অভ্যাস ভাৰতত আজিও যথেষ্ট বেছি, যাৰ ফলত বিশ্বৰ ভিতৰত ভাৰতীয়সকলে সৰ্বাধিক সময় পঢ়াত অতিবাহিত কৰে। ভাৰতৰ পাছতে থাইলেণ্ড আৰু চীনাসকলে স্থান লাভ কৰিছে। ইয়াৰ পৰা বুজিব পাৰি যে এছিয়াৰ দেশবোৰত এতিয়াও ছপা মাধ্যমৰ ওপৰত আস্থা ৰখা বা নিৰ্ভৰ কৰা লোকৰ সংখ্যা বেছি। ইয়াৰ বিপৰীতে ইউৰোপ, আমেৰিকা আদি পশ্চিমীয়া দেশত ছপা মাধ্যমৰ জনপ্ৰিয়তা হ্ৰাস পাইছে। উন্নত প্ৰযুক্তি নিৰ্ভৰ আমেৰিকা, জাপান, জাৰ্মানী, ব্ৰিটেইন আদি দেশত ছপা মাধ্যমৰ জনপ্ৰিয়তা হ্ৰাস পোৱা বুলি সেয়ে কোৱা হৈছে। ভাৰতৰ একাংশ লোকে ডিজিটেল মাধ্যমৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে যদিও বেছিভাগ লোকে এতিয়াও ডিজিটেল জীৱনশৈলীক সম্পূৰ্ণ আঁকোৱালি লোৱা নাই। উচ্চ শিক্ষিতৰ হাৰ আৰু উপাৰ্জন কম হোৱাৰ কাৰণেই নিশ্চয় তথ্য প্ৰযুক্তিৰ ব্যৱহাৰ ভাৰতত উন্নত দেশৰ তুলনাত যথেষ্ট কম। ছপা মাধ্যমৰ জনপ্ৰিয়তা আজি কমা নাই। বিশেষকৈ ছমা মাধ্যমৰ ওপৰত আস্থা আৰু বিশ্বাস আজিও অটুট আছে। উল্লেখ্য যে ক'ভিড মহামাৰীৰ সময়ত ভুল প্ৰচাৰ তথা অপ-প্ৰচাৰৰ বাবে ছপা মাধ্যমৰ কিছু ক্ষতি হৈছিল যদিও পঢ়ুৱৈসকলে সোনকালেই অপ-প্ৰচাৰৰ বিষয়ে বুজিবলৈ সক্ষম হ'ল। এয়া নিশ্চয় ছপা মাধ্যমৰ বাবে আশাৰ কথা। আনহাতে, ভাৰতত নাইবা অসমৰ দৰে ৰাজ্যতো ইন্টাৰনেটৰ ব্যৱহাৰ বিভিন্ন কাৰণত সীমিত হৈ আছে। ক'ভিড মহামাৰীৰ সময়ত অসমৰ বহু ছাত্ৰ-ছাত্ৰী অনলাইন পাঠ গ্ৰহণৰ পৰা বঞ্চিত হৈ আছিল। আনকি অসমত বিদ্যালয়ৰ শিক্ষকে ইন্টাৰনেট ব্যৱহাৰ কৰিব নজনাৰ বাবেই আত্মহত্যা কৰাৰ দৰে ঘটনাও সংঘটিত হৈছে।

বৰ্তমান ভাৰতত ডিজিটেল অথবা তথ্য প্ৰযুক্তিৰ জনপ্ৰিয়তাৰ সমান্তৰালভাৱে ছপা মাধ্যমৰ জনপ্ৰিয়তাও সমানেই আছে বুলি ক'ব পাৰি। আনহাতে, পশ্চিমীয়া দেশৰ অভিজ্ঞতাৰ শিক্ষা ভাৰতৰ দৰে উন্নয়নশীল দেশবোৰে গ্ৰহণ কৰিব বুলি আশা কৰিব পাৰি। প্ৰধানমন্ত্ৰী মোদীয়ে ডিজিটেল মাধ্যমৰ প্ৰসাৰত যিদৰে গুৰুত্ব দিছে, সেইদৰে ছপা মাধ্যম আৰু অধ্যয়নৰ ওপৰতো গুৰুত্ব প্ৰদান কৰিছে। ছপা গ্ৰন্থ বা ই-বুক— যিকোনো ৰূপৰ গ্ৰন্থ অধ্যয়নৰ বাবে প্ৰধানমন্ত্ৰীয়ে আহ্বান জনাইছে। অধ্যয়নৰ যোগেদি যে স্বতন্ত্ৰ চিন্তা, ভুল ব্যাখ্যা, ভুল পৰম্পৰা আদিৰ বিষয়ত সজাগতা সম্ভৱ হ'ব— সেই বিষয়ত কোনো সন্দেহ নাই। মনৰ অন্ধকাৰ আঁতৰাই পোহৰাই তোলাৰ বাবে, মানুহে নিজৰ ভুল শুধৰাই নিজকে অধিক মানৱীয় গুণৰ অধিকাৰী কৰাৰ বাবে গ্ৰন্থ অধ্যয়নৰ কোনো বিকল্প নাই। সঠিক পথেৰে আগুৱাই যোৱাৰ বাবে মানুহে গ্ৰন্থ অধ্যয়ন কৰিবই লাগিব। গ্ৰন্থৰ পূৰ্বে অথবা কোনো ধৰণৰ লিখিত গ্ৰন্থ নথকাৰ সময়ত গুৰুসকলৰ শিক্ষাৰ ওপৰত মানুহে নিৰ্ভৰ কৰিবলগীয়া হৈছিল। আজি গুৰুসকলৰ স্থান দখল কৰিছে গ্ৰন্থই। ভাষা-সংস্কৃতি-পৰম্পৰাসমূহ জীয়াই ৰখাৰ ক্ষেত্ৰতো গ্ৰন্থই গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। গ্ৰন্থত আমাৰ অতীত আৰু ইতিহাস জীয়াই থাকে। যিকোনো ৰূপত গ্ৰন্থ শেষ হৈ গ'লে একোটা জাতিৰ অস্তিত্বও নাথাকিব। গ্ৰন্থসমূহে যেন একোটা জাতিৰ বিকাশত প্ৰধান ভূমিকা লৈ আহিছে। গ্ৰন্থহীন এটা জাতি আদি মানৱৰ ৰূপত জীয়াই থাকিব লাগিব। প্ৰধানমন্ত্ৰী মোদীয়ে বিভিন্ন সময়ত একাধিকবাৰ দেশৰ নৱ প্ৰজন্মক গ্ৰন্থ অধ্যয়নৰ বাবে আহ্বান জনাই আহিছে। প্ৰধানমন্ত্ৰী মোদীয়ে এই বুলি আহ্বান জনাই আহিছে যে ফুলৰ থোপা আদি উপহাৰ দিয়াৰ পৰিৱৰ্তে একোখন গ্ৰন্থ উপহাৰ দিয়ক। প্ৰধানমন্ত্ৰীয়ে নিজেও পঢ়াৰ বাবে এটা সময় নিৰ্দিষ্ট কৰি ৰাখিছিল বুলি উল্লেখ কৰি কৈছে যে অধ্যয়নে আচৰণৰ পৰিৱৰ্তন ঘটাব পাৰে। প্ৰধানমন্ত্ৰীৰ মন্তব্য অত্যন্ত গুৰুত্বপূৰ্ণ। গ্ৰন্থ অধ্যয়নৰ যোগেদি এজন লোকে তেওঁৰ আচৰণ শুধৰাব পাৰে। সেয়ে এজন অধ্যয়ন কৰা লোক আৰু এজন অধ্যয়ন নকৰা লোকৰ আচৰণৰ মাজত পাৰ্থক্য লক্ষ্য কৰিব পাৰি। অধ্যয়নে মানুহক মানৱীয় চিন্তা-অনুভূতি আৰু মানৱীয় আচৰণৰ গৰাকী কৰিব পাৰে।

# গণতন্ত্ৰ আৰু সাম্প্ৰদায়িকতা পৰস্পৰ বৈৰী মতবাদ

## পুঁজিবাদীয়ে ইতিহাস-ঐতিহ্যক মূল্য নিদিয়ে



### আত্মজিজ্ঞাসা

কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**

সাম্প্ৰদায়িকতা আৰু গণতন্ত্ৰহীনতাৰ সম্পৰ্ক হ'ল মুদ্ৰাৰ ইপিঠি-সিপিঠিৰ দৰে। সাম্প্ৰদায়িকতা বাহাল ৰাখি কেতিয়াও গণতন্ত্ৰ প্ৰতিষ্ঠা কৰা নাযায়। একেইভাৱে এই কথাও সত্য যে গণতন্ত্ৰক বৃদ্ধাংগুলি দেখুৱাই সাম্প্ৰদায়িকতা নিৰ্মূল কৰা নাযায়। 'সাম্প্ৰদায়িক গণতন্ত্ৰ' কিম্বা 'অগণতান্ত্ৰিক অসাম্প্ৰদায়িকতা' অলীক কল্পনাৰ বিষয় মাত্ৰ। অথচ এই ভ্ৰান্তি আৰু অপৰাধমূলক ৰাজনৈতিক কৌশলৰ (অপকৌশলৰ) হেঁচাত দেশ আক্ৰান্ত। গণতান্ত্ৰিক ৰাষ্ট্ৰ ব্যৱস্থাত ৰাষ্ট্ৰৰ বাবে ধৰ্ম, বৰ্ণ, জাতি ইত্যাদি পৰিচয় নিৰ্বিশেষে সকলোৱে একেই 'নাগৰিক' পৰিচয়েৰে মূৰ্তমান। হিন্দু অথবা মুছলমান, পুৰুষ অথবা নাৰী, ধনী কিম্বা দুখীয়া ৰাষ্ট্ৰৰ বাবে সকলোৱে প্ৰাথমিক পৰিচয় হ'ল সকলোৱে 'ৰাষ্ট্ৰৰ নাগৰিক।' এয়াই যদি হয় গণতান্ত্ৰিক ৰাষ্ট্ৰ ব্যৱস্থাৰ দাৰ্শনিক আৰু নীতিগত ভিত্তি, তেতিয়াহ'লে তাত সাম্প্ৰদায়িক বিবেচনা কেতিয়াও প্ৰধান হ'ব নোৱাৰে; কিন্তু সাম্প্ৰদায়িক পৰিচয়ক প্ৰধানৰূপে গণ্য কৰিয়েই পৰিচালিত হয় সাম্প্ৰদায়িকতাৰ ধাৰা। সেয়ে গণতন্ত্ৰ আৰু সাম্প্ৰদায়িকতা হ'ল পৰস্পৰ বৈৰী মতবাদ আৰু ব্যৱস্থা। সাম্প্ৰদায়িকতা নিৰ্মূলৰ পথ গ্ৰহণ অবিহনে গণতন্ত্ৰ প্ৰতিষ্ঠা সম্ভৱ নহয়।

২৪০০ বছৰ আগতে ২১ শতাব্দীৰ জটিল প্ৰশ্নবোৰৰ উত্তৰ দিছিল ছক্ৰেটিছে। হেমলক বিহ পান কৰি মৃত্যুদণ্ডক আঁকোৱালি লোৱাৰ আগতে আদালতত কৈছিল ঃ 'হয়, ময়েই সবাতোকৈ জ্ঞানী, কাৰণ একমাত্ৰ ময়েই জানো যে আচলতে মই একোৱেই নাজানো।'

ছক্ৰেটিছৰ ছাত্ৰ প্লেটোৱে 'ৰিপাব্লিক' গ্ৰন্থত ছক্ৰেটিছে গণতন্ত্ৰক ঘৃণা কৰাৰ কাৰণ ব্যাখ্যা কৰি লিখিছিল যে ছক্ৰেটিছে সমাজক এখন জাহাজৰ স'তে তুলনা কৰি কৈছিল— ধুমুহাৰ মাজত যাত্ৰা কালত আমি কাক নাবিক হিচাপে বিচাৰিম? অৱশ্যেই বিচাৰিম এজন বিজ্ঞ নাবিকক। আমি কেনেকৈ নিৰ্ধাৰণ কৰিম দেশ শাসনৰ বাবে উপযুক্ত কোন? নিৰ্বাচনত ভোট দিয়াটো এটা ক্ষমতা। বিলাসিতা নহয়। অন্যান্য শিক্ষাৰ দৰে ভোট দিবলৈ শিকিবলৈ হ'লে সমাজ অৱশ্যেই শিক্ষিত হ'ব লাগিব। বুদ্ধি-বৃত্তিক গণতন্ত্ৰৰ পৰা হুজুগৰ গণতন্ত্ৰৰ বিৰুদ্ধে সকলোকে সতৰ্ক কৰি দিছিল ছক্ৰেটিছে। পুৰণি গ্ৰীচৰ উদাহৰণ দি কৈছিল ঃ দেৱতাৰ দৰে আচৰণ কৰি গণতন্ত্ৰৰ বাৰটা বজাই মিলিটাৰী শাসন প্ৰচলন কৰিছিল আলচিবায়ডেচে। পাছত ভয়ানক অন্ধকাৰত নিমজ্জিত হৈছিল এথেন্স।

**দুই**

সংবিধানৰ আত্মা আৰু প্ৰাণ কাগজে-কলমে কিমানখিনি আৰু দৈনন্দিন কৰ্মজীৱনত কিমান জাগ্ৰত, সেয়া জাতীয় জীৱনৰ সৰ্বস্তৰৰ মানুহৰ মাজত প্ৰাণৱন্ত আত্মজিজ্ঞাসাৰ বিষয় হোৱা উচিত। পাৰস্পৰিক সহানুভূতি আৰু মৈত্ৰীৰ অভাৱত সমাজত নানাবিধ মানসিক বৈকল্য দেখা দিছে। লোক বিপন্ন হৈছে। বৃদ্ধি পাইছে হিংস্ৰতা আৰু বিচ্ছিন্নতা। বাঢ়িছে মাদকাসক্তি। যুৱ সমাজৰ অৱস্থা পালহীন নাওৰ দৰে। দেশৰ শাসন ব্যৱস্থাই যুৱ সমাজৰ মাজত জন্ম দিছে হতাশাৰ। নিজৰ স্বাৰ্থত এক শ্ৰেণীৰ ৰাজনৈতিক নেতাই যুৱক-যুৱতীক ব্যৱহাৰ কৰিছে। দেশৰ ৰাজনীতিত অসহিষ্ণুবোৰেই স্থান বেছি। ৰাজনীতিকৰ বাবেই সহিষ্ণুতা নামৰ বিষয়টো আজি লুপ্ত।

কৃষকৰ দুখ-দুৰ্দশা, কৃষকৰ আত্মহত্যা— দেশৰ এই যে বাস্তৱতা এই বাস্তৱতাই কি সূচায়? পুঁজিবাদী ব্যৱস্থাৰ যি চৰম ৰূপ, আমি সেই ঠাইত আহি উপনীত হৈছো। পুঁজিবাদীয়ে ইতিহাস ঐতিহ্যক মূল্য নিদিয়ে। মনুষ্যত্বই সভ্যতা, প্ৰকৃতিক নিৰ্মমভাৱে গ্ৰাস কৰে।

**তিনি**

ক্ষমতা উপভোগৰ বিষয় নহয়। পৰিশ্ৰম, দেশ আৰু দহক প্ৰাধান্য দিয়াৰ বিষয়। তাত জ্ঞান-গৰিমাৰ প্ৰয়োজন। দূৰদৃষ্টি, কৌশল, মানুহৰ দুখ-বেদনা উপলব্ধি থকাৰ প্ৰয়োজন।

জেহাদী ধৰা পৰিল। লগে লগে ভাঙি দিয়া হ'ল মাদ্ৰাছা। এয়া অন্যায়। ঘোৰ অন্যায়। আৰু এছ এছক সন্তুষ্ট কৰিবৰ বাবেই হিমন্ত বিশ্বই ভাঙি দিছে এখনৰ পাছত আন এখন মাদ্ৰাছা। আইনৰ শাসন নথকা বাবে, দেশত বিচাৰহীনতাৰ বাবে এক নৈৰাজ্যৰ পৰিস্থিতিৰ সৃষ্টি হৈছে।

দেশত দেশপ্ৰেমৰ স্থান দখল কৰিছে উগ্ৰ হিন্দুত্ববাদে। দীনদয়াল উপাধ্যায় এগৰাকী সাম্প্ৰদায়িক ব্যক্তি। উগ্ৰ হিন্দুত্ববাদী। তেওঁ কোনো উচ্চ স্তৰৰ দাৰ্শনিক নহয়। তেওঁৰ দৰ্শন মতে মুছলমানক শুদ্ধিকৰণ কৰাৰ পাছতহে ভাৰতত স্থান দিব লাগে। উত্তৰ প্ৰদেশৰ ব্ৰাহ্মণ দীনদয়ালৰ দৃষ্টিত— 'বৰ্ণ বিভেদ অকল গ্ৰহণীয়েই নহয়, ই ভাৰতীয় সংস্কৃতিৰ ব্যক্তিৰ স'তে ব্যক্তিৰ আৰু ব্যক্তিৰ স'তে সমাজৰ সংঘাত নিৰাময়ক সমন্বয়কাৰী মহান তত্ত্ব।' সেইগৰাকী দীনদয়ালৰ নামত মহাবিদ্যালয় উদ্বোধন কৰি হিমন্ত বিশ্বই কৈছিল ঃ আজি মোৰ বাবে অতি গৌৰৱৰ দিন। কাৰণ ঘোষণা কৰা মতেই আজি ৰাজ্যৰ পাঁচোখন পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ উদ্বোধন সম্পূৰ্ণ হ'ল।

আমাৰেই দুৰ্ভাগ্য দেশত এতিয়া নেতা নাই, আছে ক্ষমতাধৰ আৰু ক্ষমতালোভী ৰাজনীতিবিদ। সিহঁতৰ খপ্পৰত পৰি আমি ক্ৰমান্বয়ে এটা অসুস্থ জাতিত পৰিণত হৈছো। অচিৰেই যাৰ স্বাভাৱিক মৃত্যুৰ নাথাকিব কোনো নিৰাপত্তা।

**চাৰি**

জয়মালা নামৰ হাতী এটাৰ কষ্ট সহ্য কৰিব নোৱাৰি চৰকাৰে চাৰিজনীয়া উচ্চপদস্থ বিষয়াৰ দল এটা তামিলনাডুলৈ পঠিয়াই দিলে।



ৰুবী বাইদেউৰ স'তে লেখক

জয়মালাক অসমলৈ ওভতাই আনিবৰ বাবে। জুবিন গাৰ্গে বাথৰূমত পিছল খাই পৰিল। ভয়ৰ একো কাৰণ নাই বুলি চিকিৎসকে ক'লে। তথাপি ডিব্ৰুগড়ৰ পৰা গ্ৰীণ কৰিড'ৰ সাজি এয়াৰ এম্বুলেন্সেৰে গুৱাহাটীলৈ আনিলে মুখ্যমন্ত্ৰীৰ নিৰ্দেশত। সেই একেই চৰকাৰে তিল তিললৈ মৃত্যুৰ মুখলৈ ঠেলি দিলে বিশিষ্ট চিন্তাবিদ, সমাজ সচেতন লেখক ড° প্ৰফুল্ল মহন্তক। অৱসৰ লোৱাৰ ১৮ বছৰ পাছতো চৰকাৰৰ পৰা প্ৰাপ্য ধনখিনি নাপালে। কষ্টৰ মাজেৰেই চিৰকালৰ বাবে গুচি গ'ল অসমৰ সুযোগ্য সন্তান ড° প্ৰফুল্ল মহন্ত।

**পাঁচ**

ৰুবী বাইদেউ আহিছিল আমাৰ ঘৰলৈ। কিমান যে ভাল লাগিল!। মমতাময়ী দয়াৰ সাগৰ ৰুবী বাইদেউ (স্তুতি পেটেল) ১৯৭৫ত প্ৰথমে লগ পাইছিলো ৰুবী বাইদেউ আৰু কৈলাস পেটেলক। কৈলাসদা আজি জীয়াই থকা নাই। বহুতো কথা পাতিলো ৰুবী বাইদেউৰ স'তে। মনৰ কথা। দেশৰ কথা। স্বদেশৰ পৰা বিচ্ছেদ যিমানেই দীৰ্ঘতৰ হয়, যিমান প্ৰলম্বিত হয়, প্ৰৱাস নিৰ্বাসন গভীৰতৰ হয় স্মৃতিত তাৰ অৱস্থান। ইয়াৰ দৈনন্দিন প্ৰকাশ যিমানখিনি সচেতন, তাতকৈ বহুত বেছিখিনি অৱচেতন। দেশ ভূগোলৰ এখন শুকান পাত নহয়। নহয় দেৱালৰ ফ্ৰেমত ওলোমাই থোৱা এখন মূল্যৱান ছবি। দেশ সজীৱ এটা বস্তু, যাৰ প্ৰতিটো কোষ প্ৰাণৰ পেশীৰে গঢ়া। নিজৰ অজান্তে যাক আমি চিৰকাল কঢ়িয়াই ফুৰো হৃদয়ৰ সবাতোকৈ নিভৃত কোণত। মোৰ দৰে বাইদেউৰো মন কান্দে দেশৰ বাবে। বাইদেউৰ দৰে মোৰো জীৱনত এতিয়া পৰিছে আবেলিৰ ছাঁ। উপনীত হৈছো জীৱনৰ দিনান্তত। জীৱনৰ দিনান্ত। এয়া কি সায়াহ্নৰ সূৰ্য কিৰণ? নে চেতনাৰ শেষ স্ফুলিংগ? মোৰ ধাৰণা হয় জীৱনৰ চূড়ান্ত হিচাপ-নিকাচৰ সময় আহিছে কাষ চাপি। বহু কাল, বহু পথ পাৰ হৈ আহি সমাগত হৈছো আদিম প্ৰশ্নৰ শিবিৰত। এতিয়া আৰম্ভণি উৎসৰ সন্ধানত নতুন যাত্ৰাৰ।

দেশ ভূগোলৰ এখন শুকান পাত নহয়। নহয় দেৱালৰ ফ্ৰেমত ওলোমাই থোৱা এখন মূল্যৱান ছবি। দেশ সজীৱ এটা বস্তু, যাৰ প্ৰতিটো কোষ প্ৰাণৰ পেশীৰে গঢ়া। নিজৰ অজান্তে যাক আমি চিৰকাল কঢ়িয়াই ফুৰো হৃদয়ৰ সবাতোকৈ নিভৃত কোণত। মোৰ দৰে বাইদেউৰো মন কান্দে দেশৰ বাবে

বাইদেউৱে ভূপেনদাৰ স্মৃতি ৰোমন্থন কৰিলে। মানুহ নশ্বৰ; কিন্তু স্মৃতি অবিনশ্বৰ। স্মৃতিৰ ওপৰত ভৰ কৰিয়েইতো সকলোৱে জীয়াই থাকে।

ভূপেনদা আচলতে অমৰ কবিতা। অবিনাশী এটা গান। আজীৱন সুন্দৰৰ স'তে সম্বন্ধ প্ৰতিষ্ঠাৰ দুৰ্মৰ প্ৰচেষ্টাৰেই নাম ভূপেন হাজৰিকা। ৰুবী বাইদেউ আমাৰ প্ৰাণৰ আপোন। ৰুবী বাইদেউ আমাৰ মাদাৰ টেৰেছা।

**ছয়**

ধৰ্মানুভূতিত আঘাত কাৰ যে কেতিয়া লাগে তাৰ কোনো গেৰান্টি নাই। ধৰ্ম আচলতে স্পৰ্শকাতৰ বিষয়।

১৯৩৫ চন। কলকাতাৰ দীনেশ ভট্ট নামৰ লেখক এজনে কিতাপ এখন লিখিছিল। কিতাপখনৰ নাম ৰংগিলা ৰছুল। কিতাপখন প্ৰকাশ হৈ ওলোৱাৰ লগে লগে মুছলিম সম্প্ৰদায়ৰ মাজত দেখা দিছিল ব্যাপক অসন্তোষ। হৈ-চৈ আৰম্ভ হৈছিল চৌদিশে। আন্দোলন মিছিল নিত্য দিনৰ ঘটনা। এদিন মিছিল পাৰ হৈ গৈছিল সোণাগাছিৰ পতিতালয়ৰ কাষেৰে। পতিতালয়ৰ এজন পাঠান দাৰোৱানে মিছিলৰ কাৰণ কি জানিব বিচৰাত এগৰাকী প্ৰতিবাদকাৰীয়ে পাঠানজনক কৈছিল ঃ মহানবীক কটাক্ষ কৰি এজন হিন্দুৱে কিতাপ এখন লিখিছে। তাৰেই প্ৰতিবাদত এই মিছিল। তাৰ কিছুদিনৰ পাছত উপৰ্যুপৰি ছুৰীৰ আঘাতত খুন হৈছিল দীনেশ ভট্টৰ। হত্যাকাৰী আন কোনো নাছিল। হত্যাকাৰী আছিল সোণাগাছিৰ পতিতালয়ৰ সেই পাঠান দাৰোৱানজন। সমগ্ৰ দিন যিজন মানুহে পতিতালয়ৰ পতিতাবোৰক পহৰা দিছিল, তাৰো ধৰ্মানুভূতি ইমানেই প্ৰখৰ আছিল যে ধৰ্মৰ কাৰণে সি মানুহ হত্যা কৰিবলৈ দ্বিধাবোধ কৰা নাছিল।

ইছলাম ধৰ্মৰ মূল বাণী শান্তি। হিংসাহীন জীৱন। হিংসাক হিংসা কৰাইতো সকলো ধৰ্মৰ মূলমন্ত্ৰ। ইছলাম বিৰোধী, মানৱতা বিৰোধী নানা ইছলামী সন্ত্ৰাসী সংগঠনে বেহেস্তৰ লোভ দেখুৱাই যোগাৰ কৰিছে আত্মঘাতী বোমাৰু। সিহঁতে বুকুত বোমা বান্ধি প্ৰাণ লৈছে শ শ নিৰীহ লোকৰ। সিহঁতৰ বিশ্বাস সিহঁত বেহেস্তলৈ যাব। মছজিদৰ ইমাম এজনক প্ৰশ্ন কৰিছিলো ঃ সঁচাকৈয়ে জানো এই আত্মঘাতী বোমাৰুবোৰ বেহেস্তলৈ যাব?

ঃ হানড্ৰেড পাৰ্চেন্ট।

ঃ মই যদি এতিয়া আপোনাক বোমাৰে উৰুৱাই দিওঁ তেনেহ'লে ময়ো কি বেহেস্তলৈ যাম?

ঃ তোমাৰতো দোজখতো স্থান নহ'ব। কাফেৰৰ দেশত থাকি কাফেৰ হৈ গৈছা।

**সাত**

বঞ্চিত মানুহ মাত্ৰেই যে বিপ্লৱী মানুহ নহয়, এই অত্যন্ত জৰুৰী সত্যটো লেনিনে তেওঁৰ ৰাজনৈতিক জীৱনৰ প্ৰথমতেই ভালকৈ বুজিছিল। বিশাল এক শ্ৰমিক শ্ৰেণী থাকিলেই যে বিপ্লৱ ঘটি যাব, এই কথা তেওঁ কেতিয়াও মনত ঠাই দিয়া নাছিল। স্বতঃস্ফূৰ্ততাক লেনিনে মূল্য দিছিল। কৰ্মক্ষেত্ৰত স্বতঃস্ফূৰ্ত প্ৰৱাহ প্ৰয়োজন নহ'লে বিপ্লৱ ঘটিব কেনেকৈ? প্ৰয়োজন শৃংখলাৰ; কিন্তু বিপ্লৱী বাহিনীৰ শৃংখলা আৰু সামৰিক বাহিনীৰ শৃংখলা একেই নহয়। দুটা সম্পূৰ্ণ ভিন্ন। বিপ্লৱীৰ ঐক্য প্ৰাণৰ। সামৰিক বাহিনীৰ ঐক্য যন্ত্ৰৰ। বিপ্লৱী বাহিনীৰ বাবে প্ৰয়োজন এক বিপ্লৱী তত্ত্ব আৰু এক বিপ্লৱী সংগঠন।

উৎপীড়িতৰ বন্ধু আছিল বাবেই লেনিন আছিল পীড়নকাৰীৰ শত্ৰু। উৎপীড়িত মানুহৰ বাবে লেনিন এতিয়াও জৰুৰী। কিয়নো বিপ্লৱ অবিহনে উৎপীড়নৰ মুক্তি নাই।

**আঠ**

গাঁতৰ পৰা ওলায়েই শিয়াল পৰিল ক্ষুধাৰ্ত বাঘৰ সন্মুখত। বাঘে শিয়ালক ধৰিব খোজোতেই শিয়ালে ক'লে ঃ আপুনিতো বনৰ ৰজা। অৱশ্যে আপোনাৰ যি ইচ্ছা, তাকেই কৰিব; কিন্তু মোৰ আৰু শিয়ালনীৰ মাজত তৰ্কাতৰ্কি হৈছে। আপুনি বিচাৰ কৰি দিয়ক কোন ঠিক কোন বেঠিক? তাৰ পাছত আপোনাৰ যি মন যায় কৰিব। বাঘ মান্তি হ'ল। শিয়ালে বাঘক তাৰ গাঁতৰ কাষলৈ নি ক'লে ঃ আপুনিতো আমাৰ গাঁতত সোমাব নোৱাৰিব। গতিকে আপুনি অপেক্ষা কৰক মই গৈ শিয়ালনীক মাতি আনো। শিয়াল গৈ গাঁতৰ ভিতৰত সোমাল। বহু সময় অপেক্ষা কৰি বাঘে হুংকাৰ দিলে— সোনকালে ওলাই আহা। ইমান পলম কৰিছা কিয়?

গাঁতৰ ভিতৰৰ পৰা শিয়ালে উত্তৰ দিলে ঃ আমাৰ মিলাপ্ৰীতি হৈ গৈছে। আপোনাৰ বিচাৰ কৰাৰ আৰু কোনো প্ৰয়োজন নাই। ইউ কেন গ'।

ফোন ঃ ০০১৪০৩২৭০১৮১৭

# আহিল বিশ্বকৰ্মা পূজা বাঢ়িল বিশ্ব শৰ্মাৰ বোজা

**মনোজ কুমাৰ ভট্টাচাৰ্য**



— আজি দেখোন বহু দেৰি কৰিলে, ক'ৰবালৈ গৈছিল নেকি?

— নাই যোৱা। অফিচতে দেৰি হ'লহে।

— মই যে ঘৰত অকলে আছো সেই কথাটোও এবাৰ ভাবি চাব।

— কি কৰিবা? উপায় নাই। চৰকাৰী চাকৰিৰ কথা বেলেগ। মন নগ'লে অফিচলৈ নোযোৱাকৈও থাকিব পাৰি আৰু মন গ'লে অফিচৰ পৰা সোনকালে গুচি আহিবও পাৰি। আমাৰ সেই সুবিধা নাই নহয়?

— হয় দিয়ক, আপুনিহে কেৱল চাকৰি কৰিছে, আনে যেন কৰাহে নাই।

— নিজে চাকৰি কৰিলেহে বুজিলাহেঁতেন কিমান দায়িত্ব পালন কৰিবলগীয়া হয়।

— নিজে চাকৰি নকৰিলো কি হ'ল? আনক দেখি থকা নাইনে? ১০ বজাত অফিচ পাব লাগে অথচ ১১ বজালৈ গা ধুবৰে নহয়। আনফালে বন্ধৰ উপৰি বন্ধ। কিমান কাম কৰে জানো দিয়ক।

— এইমাত্ৰ তোমাক ক'লোৱেই দেখোন, চৰকাৰী চাকৰি আৰু প্ৰাইভেট চাকৰি একে নহয় বুলি? চৰকাৰী চাকৰিত কাম এটা কিন্তু কৰ্মচাৰী ১০ জন, প্ৰাইভেট চাকৰিত কাম ১০টা আৰু কৰ্মচাৰী মাত্ৰ এজন। কথাটো বুজিলানে?

— হ'লেও অফিচৰ কথা দহবাৰ ভবা আৰু ঘৰৰ কথা এবাৰো নভবা লোক আপোনাকেই দেখিছো দিয়ক।

— হেৰা, যিটো চাকৰিৰ পৰা উপাৰ্জন কৰি পোহপাল গৈ আছো, সেই চাকৰিটোৰ কথা নাভাবিলে হ'বনে? চাকৰিটোক অৱজ্ঞা কৰা মানে যে নিজৰ পেটত নিজে গোৰ মৰা, সেইটো জানা নে নাই?

— তেনেহ'লে সংসাৰৰ চিন্তা এৰক, চাকৰিৰ চিন্তাই কৰক।

— ধেৎ আঁকৰি, চাকৰি কৰি আছো বাবেই সংসাৰখন চলাব পাৰিছো বুজিছা? বাৰু, বাদ দিয়া এইবোৰ। এইকেইদিন বতৰটোলৈ লক্ষ্য কৰিছানে তুমি?

— কি হ'ল?

— পুৱা শুই উঠিয়েই চাবাচোন, দুদিনমানৰ আগৰ গেলা গৰম এতিয়া নাই। ফৰকাল আকাশ, ৰিবৰিব বতাহ— একেবাৰে পূজাৰ বতৰ যেন লগা হৈছেহে?

— সদায় গৰম দিনেই চলি থাকিবনে? এতিয়া লাহে লাহে ঠাণ্ডা পৰিবৰ হ'বই। এইটো কিবা ক'বলগীয়া কথা নেকি?

— বিশ্বকৰ্মা পূজাও আহিল নহয়? আজি আমাৰ অফিচত পূজাৰ মিটিং এখন হৈছিল।

— তাকেই নকয় কিয়? সেইবাবে নিশ্চয় আপোনাৰ ইমান দেৰি হ'ল?

— এইবাৰ পূজাখন ভালদৰে চলোৱাৰ দায়িত্ব মোৰ ওপৰতে পৰিল। পূজাৰ সম্পাদক পাতিছে মোক। কিমান আপত্তি দৰ্শালো, নাই কোনেও নুশুনিলে।

— সম্পাদক হৈছে, ভালহে। আপত্তি কৰিবলগীয়া কি হ'ল?

— ৰাতি তোমাক অকলে এৰি থৈ যাম নেকি? অফিচৰ পৰা আহোতে অলপ দেৰি হ'লেই দেখোন তোমাৰ হাহাকাৰ লাগেহে?

— ক'তনো হাহাকাৰ কৰা দেখিলে আপুনি?

— তেনেহ'লে অকলে থাকিবলৈ ভয় কৰা কিয়?

— ভয় নকৰো, চিন্তাহে লাগে। আপুনি ঘৰ আহি নোপোৱালৈকে মনটো অস্থিৰ হৈ থাকে জানেনে?

— শুনা, বিশ্বকৰ্মা পূজা চাবলৈ তুমি কেতিয়া যাবা? দিনত নে ৰাতি?

— দিনত গ'লে কি দেখিম আৰু ৰাতি গ'লে কেনেকৈ আহিম? সেইটোৱেই মোৰ সমস্যা।

— আহিব নালাগে, বুজিছা। দুয়োৰ নাগাৰা পাৰ্টী আছে। নাম চাই বহি থাকিবা তুমি। পুৱা দুয়ো একেলগে ঘৰলৈ আহিম।

— আপুনি জাকি মাৰি ঘূৰি ফুৰিব আৰু মই নুমোৱা চাকিৰ দৰে গোটেই ৰাতি বহি থাকিম? নাচাও দিয়ক পূজা।

— কি কথা কোৱাহে তুমি? পূজাৰ সম্পাদকৰ পৰিবাৰে পূজালৈ নগ'লে সহকৰ্মীসকলে কি ভাবিব কোৱাচোন?

— হেৰি, এইবাৰ যি হ'ল হ'ল। অহাবাৰলৈ আপুনি নিজে পূজা কৰাৰ কথা নাভাবে কিয়?

— নভবা নহয় ৰ'বা। আজি-কালি শাস্ত্ৰ জনা পুৰোহিতৰ বৰ ডিমাণ্ড। ব্ৰাহ্মণ কুলত জন্মিছো যেতিয়া এই বিদ্যাটো ভালদৰে শিকি-বুজি লোৱাটো বেয়া নহয়।

— আপোনাক পুৰোহিত হ'বলৈ কোৱা নাই, আমাৰ চোতালত বিশ্বকৰ্মা পূজা পতাৰ কথাহে কৈছো।

— ইয়াত পূজা পাতিলে হ'ব কি? ঘৰখনত বিশ্বকৰ্মাৰ দেখোন একো বস্তুৱেই নাই।

— নানিলে থাকিব ক'ৰ পৰা? আনিব লাগিব। অফিচলৈ অহা-যোৱা কৰোতে আপোনাৰ কিমান কষ্ট হয় নাজানে নেকি?

— জানো ৰ'বা।

— তেনেহ'লে? যাতায়াতৰ অন্ততঃ সুবিধা হ'ব। চিন্তাটো এতিয়াৰ পৰা কৰিলেহে অহা বছৰ আমাৰ ঘৰৰ চোতালত বিশ্বকৰ্মা পূজা কৰিব পৰা যাব।

— তাৰমানে তুমি এখন বাহন কিনাৰ কথা ক'ব খুজিছা? চাওঁ দিয়া কি কৰিব পৰা যায়।

— চাবলৈ কিটো আছে? মন কৰিলেই হয়। ভাবি-চিন্তি বহি থাকিলে একো নহ'ব। জীৱনটো এনেদৰেই পাৰ কৰিব লাগিব।

— ঠিকেই কৈছা তুমি। বাহন এখন নলগা নহয়, লাগে। ল'ম দিয়া, কথা দিলো তোমাক।

— গেৰেজৰো ঠাই আছে যেতিয়া একো সমস্যা নাই। চোতালৰ আম গছজোপাৰ তলতেই বনাব পৰা যাব।

— তাৰ মানে তুমি চাৰিচকীয়া গাড়ীৰ কথা ভাবিছা?

— অ'। সম্পাদক এনেয়ে হৈছে নেকি? গাড়ীৰ বাবে কিছু টকা উলিয়াব আকৌ।

— ধেৎ, কি কথা কোৱাহে? নাপায়, তেনে কথা নক'বা। এইবোৰ কথা মনলৈ অনাটোও পাপ।

— তেনেহ'লে ক'ত কি ব্যৱস্থা কৰে কৰক। মুঠতে এইবাৰ গাড়ী এখন ল'বই লাগিব।

— চাৰিচকীয়া এখন লোৱাটো সহজ কথা নেকি? মোৰ সাধ্যৰ বাহিৰত। দুচকীয়া এখনেই সদ্যহতে ল'ম দিয়া।

— তেনেহ'লে মটৰ চাইকেল নল'ব, স্কুটী ল'ব। মাজে-সময়ে ময়ো চলাব পাৰিম। অ'লৈ-ত'লৈ যাব পাৰিম।

— চাওঁ দিয়া। ল'ম বুলিছো যেতিয়া কিবা এখন ল'মেই। তুমি নিশ্চিন্তমনে থাকা।

— আপুনি ইমান ভাল। মোৰ কথাত ইমান গুৰুত্ব দিয়ে। স্কুটী নে মটৰ চাইকেল ল'ব কওকচোন?

— পৰ্যায়ক্ৰমে ওপৰলৈ গৈ থাকিম দিয়া। চিন্তা নকৰিবা। সদ্যহতে স্কুটী-মটৰ চাইকেল একো নল'ও, কেৱল চাইকেল এখনহে ল'ম বুজিছা?

— হা?

ফোন ঃ ৯১০১৭৭৪৮৬৮

# চিৰ চেনেহী ভাষা জননী

**হৰেন্দ্ৰ কলিতা**

**মাতৃভূমি** আৰু মাতৃভাষাৰ এটা ওচৰ সম্পৰ্ক আছে। ইটো সিটোৰ পৰিপূৰক। শিশু এটি যি ঠাইত জন্মগ্ৰহণ কৰে সেয়ে মাতৃভূমি। উপজিয়েই মাকৰ কোলাত উমলি-জামলি মাকৰ মুখৰ মৌ-মিঠা মাত শুনি শুনি শিকি লোৱা ভাষাটোৱেই মাতৃভাষা। মাকৰ পাছত পিতৃ, আতা-আইতা, খুৰা-পেহী, মাহী, অঙহী-বঙহী, ইষ্ট-কুটুম্ব, ওচৰ-চুবুৰীয়াৰ কোলাই বোকোচাই উঠি আৰু বিভিন্ন পৰিৱেশৰ সংস্পৰ্শলৈ আহি শিশুটোৰ ভাষাৰ বিকাশ লাভ কৰে। এয়ে 'চিৰ চেনেহী ভাষা জননী'। ইয়াৰ পিচত কোনেও শিশুটোক মাতৃভূমি আৰু মাতৃভাষা সম্পৰ্কে পৰিচয় কৰাই দিব নালাগে। কেতিয়াবা কেতিয়াবা এই সৰু কথাটোকে আমি বুজি নাপাওঁ।

মানুহৰ প্ৰথম পৰিচয় হৈছে মাতৃভাষা। পৃথিৱীত বিভিন্ন দেশ আছে। প্ৰতিখন দেশৰে সুকীয়া ভাষা আছে আৰু সেই ভাষাৰ নামেৰেই তেওঁলোকৰ পৰিচয়। অসমীয়া সকলৰ মাতৃভাষা 'অসমীয়া'। গতিকে অসমীয়া লোকৰ অন্য পৰিচয় নাই।

'বৌদ্ধ গান' সমূহেই অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰাচীনতম নিদৰ্শন বুলি ধৰা হয়। ধাৰণা কৰা হয় — সিদ্ধসকলে পূৰ্বাঞ্চলত প্ৰচলিত সেই সময়ৰ কথিত ভাষাসমূহৰ ভিত্তিত এটা উমৈহতীয়া সাহিত্যিক ভাষা সৃষ্টি কৰি লৈছিল। এই চৰ্যাসমূহৰ ৰচনাকালত কামৰূপ ৰাজ্যৰ পালবংশৰ ৰজাসকলে ৰাজত্ব কৰিছিল। এই 'চৰ্যা গীত' সমূহৰ ৰচনা কাল খ্ৰীষ্টীয় দশম-একাদশ শতিকাৰ পৰা আৰম্ভ কৰি চতুৰ্দশ শতিকাৰ ভিতৰত ধৰা হয়। চৰ্যা গীতসমূহ সহজযান পন্থৰ ধৰ্ম সাধন গীত।

১৬০০ শতিকাত শংকৰদেৱৰ ভক্তি আন্দোলন অসমৰ জাতীয় জীৱনৰ কাৰণে এক সৰ্ববৃহৎ আন্দোলন হিচাবে চিহ্নিত হৈছে। অসমৰ বাসিন্দাসকলৰ নৃ-গোষ্ঠীয় ভিন্নতা আছে। সুকীয়া পৰিৱেশ আৰু সুকীয়া সাংস্কৃতিক বৈশিষ্ট্যৰ ভিন্নতা আছে। শংকৰদেৱে নৱ-বৈষ্ণৱ ধৰ্মৰ আঁত ধৰিয়েই অসমৰ জন জীৱনৰ ওচৰ চাপিছিল। নামঘৰৰ মজিয়াত সকলো জনগোষ্ঠীক একলগ কৰি প্ৰসঙ্গ কৰা, বৰগীত গোৱা, ভাওনা পতাৰ জৰিয়তে সকলোৰে মন একেটা সাংস্কৃতিক সূত্ৰত বান্ধ খুৱাইছিল।

১৮২৬ৰ ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসৰি ব্ৰিটিছ সাম্ৰাজ্যবাদৰ শাসনে বঙ্গদেশৰ স'তে একে প্ৰশাসনিক ক্ষমতাৰ আওতালৈ আনি অসমত চৰকাৰী ভাষা অসমীয়াৰ পৰিৱৰ্তে ১৮৩৬ খ্ৰীষ্টাব্দত বাংলা ভাষা প্ৰতিষ্ঠা কৰিলে। সৌভাগ্যৰ কথা যে সেই একে সময়তে ১৮৩৬ খ্ৰীষ্টাব্দত 'ঘনান্ধকাৰেষু ইব দীপদৰ্শনম'ৰ দৰে বেপ্টিষ্ট মিছনাৰীসকলে হাতত খ্ৰীষ্টধৰ্মৰ জোৰ লৈ অসমত প্ৰৱেশ কৰিলে। ধৰ্ম প্ৰচাৰ কৰিবলৈ খোজ পেলায়ে ভাষা সমস্যাত বাধাগ্ৰস্ত হৈ থলুৱা ভাষাত ধৰ্ম সম্পৰ্কীয় পুথি প্ৰণয়ন কৰি বঙলা ভাষা অসমীয়াৰ ওপৰত জাপি দি ইংৰাজ চৰকাৰে যি ভুল ভাষা নীতি লৈছিল, তাৰ বিৰুদ্ধে যুদ্ধ দিছিল। আনন্দৰাম ঢেকিয়াল ফুকনকে আদি কৰি কে'বাজনো শিক্ষিত যুৱকে এওঁলোকক সহযোগ কৰিছিল। অৱশেষত ইংৰাজ চৰকাৰে তেওঁলোকৰ ভুল বুজি পাই ১৮৭৩ত অসমীয়া ভাষাক পুনৰ প্ৰতিষ্ঠা কৰে।

১৮৬৭ত ড° মাইলছ ব্ৰনছনে ১২ বছৰ অক্লান্ত শ্ৰম কৰি 'অসমীয়া ভাষাৰ অভিধান' প্ৰণয়ন কৰি 'অসমীয়া ভাষা এটি মাথোন দোৱান আৰু বাংলা ভাষাৰ উপভাষা বুলি কোৱাৰ ভ্ৰম ভাঙি অসমীয়া ভাষা যে এটি স্বকীয় ভাষা তাক প্ৰতিপন্ন কৰিলে। ব্ৰনছনৰ অভিধানখনেই আছিল অসমীয়া অভিধানৰ বাটকটীয়া।

১৮৩৬ৰ পৰা ১৮৭৩লৈ বঙলা ভাষাৰ প্ৰচলনে অসমৰ শিক্ষা, ভাষা-সাহিত্যৰ ককাল ভাঙি পেলাই অপূৰণীয় ক্ষতি কৰি অসমীয়াক আন প্ৰদেশৰ বাসিন্দাৰ তুলনাত ৫০ বছৰ পিছুৱাই থৈ গ'ল। মিছনাৰীসকলে 'অৰুণোদয়' কাকত প্ৰকাশৰ জৰিয়তে অসমীয়া ভাষা-সাহিত্যৰ ভেটি পুনৰ নিৰ্মাণত আগভাগ ল'লে। হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱাকে প্ৰমুখ্য কৰি অসমীয়া সাহিত্যিক কে'বাজনো আগবাঢ়ি আহি অসমীয়া ভাষা-সাহিত্যৰ ভেটি স্থাপন কৰাত উঠি পৰি লাগিল। কলিকতাত পঢ়িবলৈ যোৱা অসমীয়া ছাত্ৰই ১৮৮৮ত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' প্ৰতিষ্ঠা কৰি সভাৰ মুখপত্ৰ 'জোনাকী'ৰ পাতত সাহিত্য চৰ্চাত মনোনিৱেশ কৰিলে। অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা পুনৰ শক্তিশালী ৰূপত গঢ় লৈ উঠিল। দেশ গ'ল গ'ল বুলি 'চেতনা' প্ৰকাশ কৰি অসম কেশৰী অম্বিকাগিৰী ৰায় চৌধুৰীয়ে অসমীয়া জাতিটোৰ দেহলৈ, মনলৈ, স্বভাৱ-চৰিত্ৰলৈ চেতনা ঘূৰাই আনিবলৈ অহোপুৰুষাৰ্থ চেষ্টা কৰিছিল।

ইমানৰ পিছতো অসমীয়া ভাষাটো সংকটৰ পৰা হাত সাৰিব পৰা নাছিল। ১৯৬০ত স্বাধীন দেশৰ স্বাধীন অসমে ৰাজ্যখনত মাতৃভাষাক চৰকাৰী ভাষা হিচাবে স্বীকৃতি দিবলৈ আকৌ আন্দোলন কৰিব লগা হয়। কেৱল সেয়ে নহয়, ১৯৭২ত মাতৃভাষাক উচ্চ শিক্ষাৰ মাধ্যম কৰিবলৈও অসমৰ ৰাইজে আন্দোলনৰ পথ বাচি ল'বলগীয়া হৈছিল। ১৯৬০ৰ ভাষা আন্দোলন আৰু ১৯৭২ৰ মাধ্যম আন্দোলনত কেইবাজনো ছাত্ৰই আত্মাহুতি দিবলগীয়া হৈছিল। এতিয়াও অসমীয়া ভাষাৰ দুৰ্যোগ, বিপদ-বিঘিনি আঁতৰা নাই। অসমীয়া মানুহৰ অদূৰদৰ্শিতা, দুৰ্বল চৰিত্ৰ আৰু অৱহেলাৰ কাৰণে আজি ভাষাটোৱে মুহূৰ্তে মুহূৰ্তে লাঞ্ছিত আৰু অপমানিত হৈ আছে। আন এটা কাৰণ হ'ল — চৰকাৰৰ মাতৃভাষাৰ প্ৰতি অমনোযোগিতা, অৱহেলা আৰু অশ্ৰদ্ধা।

ভাষা নাথাকিলে জাতি নেথাকে। এই সৰল সত্য সাধাৰণ কথাটো আমাৰ অসমীয়া মানুহে বুজি নোপোৱা হৈছে। ভাষা হেৰুওৱাটো এটা জাতিৰ কাৰণে চৰম দুৰ্ভাগ্য। এতিয়া অসমীয়া জাতিৰ কাৰণে আটাইতকৈ অপমানজনক কথাটো হ'ল যে, অসমত অসমীয়া ভাষা থাকিবনে নাথাকে এই কথাৰ সিদ্ধান্ত দিবৰ কাৰণে আজি আমি ন্যায়ালয়ৰ ওচৰ চাপিছো।

আমি ভাল ভাৰতীয় অসমীয়া জাতি, আমাৰ মাতৃভাষা অসমীয়া। 'চিৰ চেনেহী ভাষা জননী'ৰ সেৱাত আমি চিৰদিন চিৰকাল ব্ৰতী। আইৰ মুখৰ মাতষাৰ বাৰে বাৰে লাঞ্ছিত, অপমানিত আৰু নিৰ্যাতিত হোৱাটো অসমীয়া জাতিয়ে কোনোকালে নিবিচাৰে।

ফোন ঃ ৯৪৩৫৮১৯০৫৩

প্ৰকৃততে, এজন লোকে জন্মলাভ কৰা দেশ বা ৰাজ্য, তাৰ ভৌগোলিক অৱস্থান, আৰ্থ-সামাজিক পৰিৱেশ, কলা-সংস্কৃতি, ৰীতি-নীতি, ধৰ্ম-পৰম্পৰা আদিয়ে সেই লোকজনৰ জীৱনৰ সংজ্ঞা নিৰূপণ কৰে। এই সমস্ত কথাই তেওঁৰ জীৱনৰ গতিপথ নিৰ্ধাৰিত কৰে। জীৱন কৰি তোলে গতিশীল

# ‘দৈনিক অগ্ৰদূত’ৰ প্ৰশ্ন ঃ মোৰ উত্তৰ

**আপোনাৰ মতে জীৱনৰ সংজ্ঞা কি?**

**উত্তৰ ঃ** জীৱন হ’ল এক যাত্ৰা। এক কঠিন যাত্ৰা। জীৱনটোক কঠোৰ আৰু নেৰানেপেৰা সংগ্ৰাম বুলিও ক’ব পাৰি। মানুহৰ জীৱনটো কাৰো মতে যদি জুৱা খেল আন কাৰো মতে দবা খেল। হাতী-ঘোঁৰা, নাও-সৈন্য আৰু ৰজা-মন্ত্ৰী হোৱাৰ খেল। বহুতৰ মতে জীৱন সুখ-দুখ, হাঁহি-কান্দোনৰ মধুৰ মেলা।

জগত বা সংসাৰখন যদি এখন ৰংগমঞ্চ, মানুহৰ জীৱনটো যদি এখন নাটক বুলি ধৰা হয় তেন্তে আমি মানুহবোৰ একো একোজন অভিনেতা।সুদক্ষ অভিনেতা। প্ৰতিজন মানুহে নিজ নিজ ভূমিকাত সুন্দৰ অভিনয় কৰি যৱনিকাৰ পৰত মঞ্চ ত্যাগ কৰা একোজন নিপুণ অভিনেতা। জীৱন নাটৰ অভিনেতা, ভাওনাৰ ভাৱৰীয়া আমি।

জন্মৰ পৰা মৃত্যু পৰ্যন্ত সুখ-দুখ,হাঁহি-কান্দোন, আৱেগ-অনুভূতি ভৰা নিৰৱচ্ছিন্ন কৰ্মময় আৰু সংগ্ৰামশীল কঠিন যাত্ৰাটোৱেই হ’ল জীৱন।

অৱশ্যে ব্যক্তি আৰু পৰিৱেশ বিশেষে জীৱনৰ সংজ্ঞা হ’ব পাৰে কিছু বেলেগ বেলেগ। জীৱনৰ অৰ্থ হ’ব ভিন্ন প্ৰকাৰৰ। জীৱনৰ লক্ষ্য-উদ্দেশ্যও নানা ৰকমৰ আৰু বিবিধ বিচিত্ৰ হ’ব পাৰে। আচলতে কোনজন মানুহ কেনেকুৱা পৰিৱেশত জন্মলাভ কৰিছে, কেনেকুৱা পৰিৱেশত ডাঙৰ-দীঘল হৈছে, শিক্ষা-জ্ঞান কিমান, জীৱনত কি কি ধৰণৰ মনুহৰ দ্বাৰা প্ৰভাৱিত নতুবা প্ৰৰোচিত হৈছে তাৰ ওপৰতে নিৰ্ভৰ কৰে সেই মানুহজনৰ জীৱন-জীৱিকা, জীৱনৰ লক্ষ্য-উদ্দেশ্য আৰু কৰ্ম। জীৱন যাপন প্ৰণালীও গঢ় লয় তাৰ ওপৰতে।

প্ৰকৃততে, এজন লোকে জন্মলাভ কৰা দেশ বা ৰাজ্য, তাৰ ভৌগোলিক অৱস্থান, আৰ্থ-সামাজিক পৰিৱেশ, কলা-সংস্কৃতি, ৰীতি-নীতি, ধৰ্ম-পৰম্পৰা আদিয়ে সেই লোকজনৰ জীৱনৰ সংজ্ঞা নিৰূপণ কৰে। এই সমস্ত কথাই তেওঁৰ জীৱনৰ গতিপথ নিৰ্ধাৰিত কৰে। জীৱন কৰি তোলে গতিশীল। সৰ্বোপৰি এজন মানুহৰ জীৱন-দৰ্শন, দৃষ্টিভংগী আৰু কৰ্ম দক্ষতৰ ওপৰত জীৱনৰ সংজ্ঞা ভালেখিনি নিৰ্ভৰ কৰে। অজ্ঞান-অশিক্ষা, সোৰোপা, এলেহুৱা স্বভাৱ আৰু কৰ্মহীনতাই যিকোনো এজন মানুহক কপৰ্দক শূন্য কৰি তুলিব পাৰে। আনহাতে, তাৰ বিপৰীতে শিক্ষা-জ্ঞান, কৰ্মদক্ষতা আৰু উচ্চ আকাংক্ষাই তেওঁক বিশ্বৰ ভিতৰতে ধনী বা জ্ঞানী ব্যক্তিৰূপে পৰিচয় কৰাব পাৰে।

**আপুনি প্ৰভাৱান্বিত হোৱা ব্যক্তি, গ্ৰন্থ আৰু তত্ত্ব কোনটো?**

**উত্তৰ ঃ** মই প্ৰভাৱান্বিত হোৱা ব্যক্তি বহুকেইজন। তাৰ ভিতৰত গৌতম বুদ্ধ, আব্ৰাহাম লিংকন, এপিজে



আব্দুল কালাম আৰু মহামানৱ মহাত্মা গান্ধী।

ভাৰতৰ স্বাধীনতা আন্দোলনত সত্যাগ্ৰহ, অসহযোগ আন্দোলন, বিদেশী বস্তু বৰ্জন, স্বদেশী গ্ৰহণ, স্বচ্ছতাৰ অভ্যাসন, অস্পৃশ্যতা দূৰীকৰণ, স্বাৱলম্বী জীৱন আদি কৰ্ম পন্থাৰ দ্বাৰা ভাৰতীয় সমাজ জীৱন সংস্কাৰ, সংশোধন আৰু শৃংখলিত কৰাই নহয় অকল ভাৰতবাসীক স্বাধীনতা প্ৰদানকাৰী চিৰ নমস্য ব্যক্তিজন নিঃসন্দেহে আছিল মহাত্মা গান্ধী।

ত্যাগ, ধৈৰ্য আৰু সহনশীলতাৰ মূৰ্ত প্ৰতীক মহামানৱ মহাত্মা গান্ধীৰ জীৱনৰ সংজ্ঞা নিৰূপণ কৰা আমাৰ পক্ষে সম্ভৱ নহয়। তেওঁৰ জীৱনটো নিজে এটা ব্যতিক্ৰমী সংজ্ঞা। সততা, নিষ্ঠা, কৰ্ম, ত্যাগ, দয়া-মমতা আৰু ধৰ্মনিৰপেক্ষতাৰ জ্বলন্ত উদাহৰণ গান্ধী আজি বিশ্ব বন্দিত। বিশ্ব মহাসভাত গান্ধীৰ প্ৰতিমূৰ্তি স্থাপন কৰি তাত সমগ্ৰ বিশ্বৰ বৰেণ্য নেতা, দেশৰ প্ৰতিনিধিবোৰে সেৱা জনাই কৰ্মত প্ৰবৃত্ত হোৱা কথাটো কম ডাঙৰ কথা নহয়। আমি ভাৰতীয়ৰ বাবে গৌৰৱ বোধ কৰাৰে কথা।

‘মোৰ জীৱনেই মোৰ বাণী’ বুলি ক’ব পৰা বিশাল হৃদয়ৰ ব্যক্তিজন আছিল মহামানৱ মহাত্মা গান্ধী। তেওঁৰ জীৱন জিজ্ঞাসা, জীৱন যাপন প্ৰণালী আৰু জীৱন জোৰা কৰ্মৰাজিত নিহিত হৈ আছে মহানতা, চিন্তাৰ প্ৰসাৰতা আৰু মানৱ প্ৰেম। জাত-ধৰ্ম-বৰ্ণ-সম্প্ৰদায়ৰ উৰ্ধ্বত থাকি দেশ সেৱা কৰা ব্যক্তিজনেই হ’ল মহামানৱ মহাত্মা গান্ধী।

আমি প্ৰভাৱিত হোৱা গ্ৰন্থখন হ’ল— ‘দি অ’ল্ড মেন এণ্ড দি ছী’। আৰ্নেষ্ট হেমিংওৱেৰ ‘দি অ’ল্ড মেন এণ্ড দি ছী’ নামৰ গ্ৰন্থখনে আমাক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰাৰ কাৰণ হ’ল—জীৱনৰ আন এক নাম সংগ্ৰাম। প্ৰকৃতিৰ প্ৰতিকূল পৰিৱেশৰ স’তে মানুহৰ চিৰন্তন সংগ্ৰামৰ সফল প্ৰতিফলন ঘটিছে এই গ্ৰন্থখনত।

**জয়কান্ত শৰ্মা** (কনিষ্ঠ)

অতীত কি বৰ্তমান মানুহে পৰিৱেশ-পৰিস্থিতিৰ মুখামুখি হ’বই লগা হয় বিভিন্ন ক্ষেত্ৰত। ভৱিষ্যতেও হ’ব লাগিব। এই মুখামুখি হোৱাৰ অৱস্থাতে প্ৰায়বোৰ ক্ষেত্ৰতে মানুহ হৈ পৰে পৰিস্থিতিৰ দাস। তথাপি মানুহৰ যুঁজখন চলিবই লাগিছে প্ৰতিকূলতাক অনুকূল কৰি মানুহৰ সুখ শান্তি বৃদ্ধি কৰাৰ বাবে।

সুদীৰ্ঘ ৮৪ দিন ব্যৰ্থ হোৱাৰ পাছত ৮৫ সংখ্যক দিনত গ্ৰন্থখনৰ নায়ক অৰ্থাৎ ছান্তিয়াগোই মাজ সাগৰত অকলশৰে অসীম ধৈৰ্য, সাহস আৰু মনোবলেৰে যুঁজি যুঁজি এটা প্ৰকাণ্ড মাছ ধৰিবলৈ সক্ষম হয়। বৃহদাকাৰ মাছটো আছিল মাৰ্লিন প্ৰজাতিৰ । মাৰ্লিন মাছটো ধৰি তাক মাৰি তেওঁ সগৌৰৱে ঘৰলৈ উভতি আহি দেখে যে মাছটোৰ কেৱল জঁকাটোহে আছে। সাগৰীয় হাঙৰবোৰে মাৰ্লিন মাছটোক খাই নিঃশেষ কৰিছে।

ছান্তিয়াগোয়ে মাছটো ধৰি বীৰৰ দৰে গৰ্ববোধ কৰিছিল। বহুত কষ্ট কৰি মাছটোৰ লগত যুঁজ কৰি কৰি তাক মাৰিবলৈ সক্ষম হোৱা ক্ষণত তেওঁ যুদ্ধ জয়ৰ সোৱাদ হয়তো পোৱা নাছিল যদিও অনুভৱ কৰিছিল। মাছৰ জঁকাটো দেখি হতভম্ব হোৱাই স্বাভাৱিক। মাছটো হেৰুওৱাৰ বেদনাই তেওঁক কিছুপৰৰ বাবে হ’লেও হতাশাত ভোগাইছিল। মনত দুখ পাইছিল অত্যন্ত।

দুখ-যাতনাই উপন্যাসখনত এক মুখ্য ভূমিকা পালন কৰা বুলিয়ে ক’ব লাগিব। আৰ্নেষ্ট হেমিংওৱে তেওঁৰ গ্ৰন্থৰ নায়ক ছান্তিয়াগোৰ মানসিক আৰু শাৰীৰিক যন্ত্ৰণাৰ বিৱৰণ নিখুঁতভাৱে প্ৰকাশ কৰিছে। সূক্ষ্মৰূপত প্ৰকাশ কৰিছে মানুহৰ চিৰন্তন দুখ-দুৰ্দশাৰ কথা। সাধাৰণ মানুহৰ দুখ-যাতনা, আশা-আকাংক্ষা আৰু আশা ভংগৰ প্ৰতিচ্ছবি গ্ৰন্থখনত সুন্দৰভাৱে প্ৰতিফলিত হৈছে।

আমাৰ জীৱনক বিশেষভাৱে প্ৰভাৱিত কৰা তত্ত্বটো হ’ল কাৰ্ল মাৰ্ক্সৰ ‘বৈজ্ঞানিক সমাজবাদ অৰু কমিউনিজিম তত্ত্ব’।

পুঁজিবাদীসকল, ভূ-স্বামী আৰু বুৰ্জোৱাৰ শ্ৰেণী শোষণ-নিপীড়নৰ বিৰুদ্ধে সাধাৰণ জনতা, কৃষক-বনুৱাক সজাগ-সচেতন কৰি বিপ্লৱৰ সূচনা কৰা মহান দাৰ্শনিক, চিন্তাবিদ কাৰ্ল মাৰ্ক্স নিঃসন্দেহে এজন মহান মনীষী। মাৰ্ক্সৰ ‘বৈজ্ঞানিক সমাজবাদ আৰু কমিউনিজিম তত্ত্ব’ হ’ল শোষিত-নিপীড়িত শ্ৰমিক শ্ৰেণী আৰু সৰ্বহাৰাৰ মুক্তিৰ পথ। এই তত্ত্বৰ প্ৰভাৱতে বিশ্বৰ প্ৰায়ভাগ দেশত শ্ৰেণী সংগ্ৰাম আৰু সমাজতান্ত্ৰিক বিপ্লৱৰ আৰম্ভ হয়।

ভূ-স্বামীসকলৰ সাধাৰণ কৃষকৰ ওপৰত আধিপত্য, কল-কাৰখানা, বৃহৎ বৃহৎ উদ্যোগৰ শ্ৰমিকসকলৰ পানীত হাঁহ নচৰা অৱস্থাই মাৰ্ক্সক চিন্তিত কৰি তোলাই অকল নাছিল তেওঁলোকৰ মুক্তিৰ কাৰণে আজীৱন কঠোৰ শ্ৰম কৰি সমাজবাদ আৰু কমিউনিজিম তত্ত্ব উদ্ভাৱন কৰি উলিয়াইছিল। প্ৰথম অৱস্থাত মাৰ্ক্স আৰু এংগেলছে মিলি লিখা ‘জাৰ্মান মতাদৰ্শ’ প্ৰকাশ কৰে। তাৰ পাছতো মাৰ্ক্স আৰু এংগেলছৰ দ্বাৰা প্ৰকাশিত ‘কমিউনিষ্ট মেনিফেষ্টো’ৰো মূল-মৌলিক কথা আছিল বুৰ্জোৱা শ্ৰেণীৰ বিলোপ সাধন আৰু বিশ্বত শ্ৰেণীহীন নতুন সমাজ গঠন আৰু তাৰ পাছত প্ৰলেটাৰিয়েটৰ শাসন প্ৰৱৰ্তন কৰা। এই সমস্ত দৰ্শন আৰু তত্ত্বৰ পূৰ্ঠ আৰু পৰিপক্ক ৰূপ হ’ল মাৰ্ক্সৰ ‘ডাচ কেপিটেল।’

এইখন গ্ৰন্থত শ্ৰমিক শ্ৰেণীৰ অৰ্থনৈতিক তত্ত্বৰ বৈজ্ঞানিক বিশ্লেষণ প্ৰকাশ পায় বিস্তৃত আৰু গভীৰ অৰ্থত। তাৰ উপৰি ডাচ কেপিটেলত পুঁজিবাদী শোষণ যন্ত্ৰৰ মূল লক্ষ্য আৰু এই ব্যৱস্থাৰ বিশ্বত বিকাশ আৰু বিস্তাৰৰ ক্ষেত্ৰত অৰ্থনৈতিক নিয়মবোৰ আলোচনা কৰা হয়।

*ফোন ঃ ৮৮২২১৮৮৬৭৯*

# যাদু বিদ্যা ক’ত নাই



**সৰুৰে** পৰা মই যাদু চাই ভাল পাইছিলো। আমি প্ৰাথমিক শ্ৰেণীত পঢ়ি থকা সময়তে আমাৰ শিক্ষালয়লৈ এজন যাদুকৰ আহিছিল। আমাক যাদু কৰি দেখুৱাইছিল। আমি আচৰিত হৈ পৰিছিলো। অভিভূত হৈ পৰিছিলো। আমি তেতিয়া চিলেটত শিল পেঞ্চিলেৰে লিখিছিলো। যাদুকৰজনে মোৰ হাতৰ পৰা শিল পেঞ্চিলডাল লৈ সমুখৰ পুখুৰীটোৰ মাজলৈ দলিয়াই দিছিল। মই কান্দি দিছিলো। কাৰণ মোৰ পেঞ্চিল চিলেটবোৰ, কিতাপবোৰ মই বৰ যতন কৰি ৰাখিছিলো। আইতাই শিল পেঞ্চিলত আগটো শিলত ঘঁহি ঘঁঠি জোঙা কৰি দিছিল। মই কান্দি থকাৰ মাজতে যাদুকৰজনে দলিয়াই পেলাই দিয়া পেঞ্চিলডাল কেনেকৈ আনি মোৰ চকুৰ আগত দাঙি ধৰিছিল। মই চুবলৈকে ভয় কৰিছিলো। লগৰ লগৰীয়াহঁতে সেইডাল মোৰ পেঞ্চিল হয় নে নহয়, প্ৰমাণ কৰাত লাগি গৈছিল। ঘৰলৈ আহি আইতাক কওঁতে আইতাই কৈছিল— ‘সেইবোৰ ভেল্কী বাজি। হাতৰ পাক। হ’লেও মোৰ মনৰ পৰা যাদু বিদ্যাতো মই আঁতৰাব পৰা নাছিলো। যাদুকৰজনে যি ধৰণেৰে কয়— ‘মই যি কওঁ সঁচা কওঁ, মই যি দেখুৱাম সঁচা দেখুৱাম। আপোনালোকে চকু টিপ নমৰাকৈ মোৰ যাদুখেল চাই থাকিব। আমি চাই থাকো।

সেই কনমাণিজনীৰ দিনৰে পৰা আজিলৈকে যাদু চায়েই আছো। যাদুকৰজনে যি কয়, সেয়া সঁচা বুলি ভাবি, যি দেখুৱাই সঁচা বুলি চাই চাই মাত-বোল হেৰুৱাই পেলাইছিলো। সঁচাটোক মিছা, মিছাটো সঁচা কৰা চাই চাই প্ৰতিবাদৰ ভাষা হেৰুৱাই পেলাইছো।



**এলি আহমেদ**

চকুৰ আগতে ডিঙিটো কাটি, চকুৰ আগত কাপোৰখন জোঁকাৰি জোঁকাৰি মানুহ নোহোৱা কৰা, উকা টেমা এটাৰ পৰা ফুলৰ থোপা, পাৰ চৰাই পঠোৱাকে কেন্দ্ৰ কৰি আলাসতে শুই থকাকৈ ধৰি কতনো যাদুখেল দেখিলো। এটা সময়ত অসমৰ যাদু মঞ্চত যাদু সম্ৰাট এম হুছেইনৰ সান্নিধ্য লাভ মেয়ো জিলা পুথিভঁৰালৰ মঞ্চত যাদু দেখুৱাই অসমৰ প্ৰথমগৰাকী মহিলা যাদুকৰ হিচাপে খ্যাতি লাভ কৰিছিলো।

যাদু এটা কলা। হ’লেও বাকী সাংস্কৃতিক কলাৰ স’তে অথবা চাৰ্কাছৰ কলাৰ স’তে ই সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। যাদুত লুক-ঢাক আছে। মিছাৰ প্ৰভাৱ আছে আৰু আছে যাদুকৰজনৰ কণ্ঠেৰে দৰ্শকক বাধ্য কৰোৱাৰ এক অপূৰ্ব শক্তি। তেওঁ দেখুওৱাখিনি, কোৱা কথাখিনি সত্যৰূপে প্ৰমাণ কৰাৰ বাধ্যতামূলক প্ৰচেষ্টাক আমি মানি লোৱাৰ দৰে আজি আমি বহু কথা, বহু কাম মানি ল’বলৈ বাধ্য হৈছো। বিজ্ঞান ইয়াৰ সহায়ক। ভগৱান ইয়াৰ মূল চাবি-কাঠি। ভগৱানৰ বিনা অনুমতিত গছৰ পাত এখিলাও নলৰে। ফুল এপাহো নুফুলে, ৰঙো নিবিলায়, গোন্ধত আমোল নোমোলায়। এই কথা জানি উঠাৰ বয়সৰ পৰাই সৃষ্টিকৰ্তাক বিশ্বাস কৰি আহিছো। সকলো সৃষ্টিকৰ্তাৰ মহিমা বুলিয়েই ভবা হৈছো। হয়ো। হ’লেও দিনে দিনে দেখিবলৈ পোৱা পৃথিৱীৰ শ্ৰেষ্ঠ মানুহ জাতিৰ মাজত গঢ়ি উঠা অন্যায়-অধৰ্ম আদিৰ দৰে কুকৰ্মবোৰ ইমানকৈ বাঢ়িবলৈ ভগৱানে কিয় দিছে বাৰু? প্ৰকৃতিৰ ওপৰত ভগৱানৰ ইচ্ছাক আমাৰ ক’বলগীয়া অধিকাৰ নাই। বৰষুণ দিছে দিয়ক, বানপানী আহিছে, আহক। ধুমুহা-গাজনি আহিছে আহক। বজ্ৰপাত পৰিছে পৰক। ভূমিকম্প হৈছে হওক, ৰ’দে পৃথিৱীখন উতলাই পেলাইছে পেলাওক। এয়া ভগৱানৰ লীলা-খেলা। যদি ভগৱানে মানুহৰ মাজত মানুহৰ, কিয় ইমান হিংসা ভাব জগাই তুলিছে? কিয় ইজনক মাৰি সিজন জীয়াই থাকিবলৈ বিচাৰিছে। কিয় হত্যা, লুণ্ঠন, অপহৰণে মানুহৰ সমাজখন অতি নীচ কৰি তুলিছে। কিয় স্বামী-স্ত্ৰীৰ মাজত ইমান মনোমালিন্য? কিয় হত্যা-পলায়ন? শিশু হত্যা, শিশু অপহৰণ? নাৰী নিৰ্যাতন হ’বলৈ পাইছে।

এখন তাল নাবাজে, পুৰুষ সমাজৰ গোট নাই, নাৰীৰ দৰে প্ৰতিবাদী সংস্থা নাই। পুৰুষেও নিৰ্যাতন ভোগে। এই নিৰ্যাতনত তেওঁলোক বোবা হৈ পৰে। প্ৰতিবাদত জুই জ্বলে। সেই বাবে ভগৱানক কওঁ— হে ভগৱান তোমাৰ যাদুকৰী বিদ্যাৰে মানুহৰ মাজত। সুন্দৰ, সুস্থ সমাজ এখন দেখুওৱা। সকলোতে মনৰ পৰা খং, ৰাগ, অন্যায়, অধৈৰ্য আঁতৰাই দিয়া, জীৱশ্ৰেষ্ঠ মানুহক জীৱ-জন্তুক চাবলৈ শিকোৱা। কেনেকৈ একেখন হাবিতে বিভিন্ন ধৰণৰ জীৱ-জন্তু থাকে, আকৃতি-প্ৰকৃতিও

**যাদু বিদ্যাত সত্য-অসত্য সকলো আছে। মানুহৰ চকু-মনত চমক লগোৱা দৰ্শনী আছে। যাদুকৰে কোৱাৰ দৰে ‘মই যি কম সেয়াই সঁচা, মই দেখুৱাম, সেয়াই সঁচা। মিছাক সঁচা কৰি, সঁচাক মিছা কৰি ভেল্কীবাজ চাই আমি আটায়ে আনন্দ লাভ কৰো। অসত্যকো সত্য বুলি পতিয়ন যাওঁ। সত্যকো অসত্য বুলি মানি লওঁ। ইয়াতে নিৰ্ভৰ কৰে যাদুকৰজনৰ হাত আৰু মনৰ কৌশল**

থাকে; কিন্তু কোনো দিন বাঘে বাঘক নামাৰে। সাপে সাপক নাখায়-নামাৰে। বাঁহ নথকা কুলি চৰায়ে কাউৰীৰ বাঁহত কণী পাৰি পোৱালি জগায়। কেনেকৈ ভগৱানৰ পৃথিৱীখন সিহঁতে ধুনীয়া কৰি ৰাখিছে। তেনেকৈ জীৱ শ্ৰেষ্ঠ মানুহ জাতিকো ধুনীয়া কৰি ৰাখা। সমাজখন সুস্থ কৰি ৰাখিছে। আজিৰ সমাজত দিনে দিনে অন্যায়-অধৰ্মই ঘেৰি ধৰিছে। অন্যায়ৰ প্ৰতিবাদত মানুহ দোষী হৈ পৰিছে। অন্যায়ৰ মাত্ৰা অধিক বাঢ়ি গৈছে।

সেইবাবেই ভগৱান তোমাৰ যাদুকৰী বিদ্যাৰে মানুহৰ পৃথিৱীখন সজায় তোলা। ন্যায়-অন্যায়ৰ প্ৰতিবাদত তুমি নিজেই নামি পৰা। শাস্তি তুমি নিজহাতে প্ৰদান কৰা। হাতচেৰা কামবোৰে ভাল ফল নিদিয়ে। প্ৰয়োজনীয় প্ৰাপ্যখিনি নিজ হাতে দিয়া। দোষবোৰ শুধৰাই দিয়া। দুখবোৰ মোচন কৰা। মোৰ স্বাস্থ্যৰ বাবে যদি প্ৰাৰ্থনা কৰিবলৈ মানুহৰ মনৰ দুৰাকাংক্ষা ভাববোৰ কিছু কমাই দিয়া ভগৱান। এয়া তোমাৰ যাদুকৰী বিদ্যাৰ এক অংশ হিচাপে আমাক দেখুৱাই দিয়া।

আমি তোমাৰ পৰা এখন শুদ্ধ আৰু নিকা সমাজৰ যাদু চাবলৈ আশা কৰিছো। অন্যায়বোৰ ধূলিসাৎ কৰি ন্যায়ৰ এখন সমাজৰ যাদু তুমি সৃষ্টি কৰা মানুহৰ দেহৰ বাহিৰে-ভিতৰে পিতপিতাই ফুৰিবলৈ (চিকিৎসাৰ বাবে), চিকিৎসকৰ মগজুত জ্ঞানৰ সম্ভাৰ দিছা, চিকিৎসা কৰিবলৈ জ্ঞান প্ৰদান কৰিছা। তেনেকৈ তুমি মনৰ অন্যায়খিনি আঁজুৰি আনিবলৈ শক্তি দিয়া, জ্ঞান দিয়া। মনৰ মাজত ওফন্দি থকা অন্যায় শক্তি নাশ কৰিবলৈ তোমাৰ যাদু বিদ্যাত জ্বলি থকা জুইৰ অকণি অঙঠা দিয়া।

তুমি ভাবা নেকি দুখত মানুহে তোমাক বিচাৰে। সুখত নিবিচাৰিব। বিচাৰে। সুখতো তোমাক আমি প্ৰাৰ্থনা কৰো। কিন্তু সেই সুখৰ সম্ভাৰ সত্যৰ ওপৰত প্ৰতিষ্ঠিত হ’ব লাগিব।

যাদু বিদ্যাত সত্য-অসত্য সকলো আছে। মানুহৰ চকু-মনত চমক লগোৱা দৰ্শনী আছে। যাদুকৰে কোৱাৰ দৰে ‘মই যি কম সেয়াই সঁচা, মই যি দেখুৱাম, সেয়াই সঁচা। মিছাক সঁচা কৰি, সঁচাক মিছা কৰি ভেল্কীবাজ চাই আমি আটায়ে আনন্দ লাভ কৰো। অসত্যকো সত্য বুলি পতিয়ন যাওঁ। সত্যকো অসত্য বুলি মানি লওঁ। ইয়াতে নিৰ্ভৰ কৰে যাদুকৰজনৰ হাত আৰু মনৰ কৌশল। এই কৌশলেই মূল অস্ত্ৰ। মূল চাবি-কাঠি। কৌশলতো ভাল-বেয়া, সৎ-অসৎ আছে। অসৎ কৌশলবোৰত বৰ্তি থাকে চোৰ, ডকাইত। আনৰ ধন-সম্পদত আত্মসাৎ কৰা সকলৰ গাত, ঘোচ লোৱা দালালি আদিও ইয়াৰ ভিতৰত পৰে। প্ৰতিটো অসৎ কামৰ কৌশলৰ আঁৰত লুকাই থাকে টকা।

আজিৰ পৃথিৱীত টকাই টকা। এই টকাৰো জাল টকা হয়। এই জাল টকাও এক যাদুৰেই। ভগৱানে কৰ্ম কৰি খাবলৈ দিয়া হাত দুখনৰ কৰ্মই মানসিক ভাৰসাম্য বজাই ৰাখে। মনে ভবা কথাটো হাত কৰে। হাত আৰু মনত বন্ধুত্ব অতুলনীয়। মাৰপিট, চোৰ-ডকাইত, মৰম-চেনেহত প্ৰয়োগ হোৱা হাত দুখনৰ বন্ধুত্ব মনৰ স’তে ভালে-বেয়াই সকলোতে সজাগ। ভাবিলে পাৰ নোপোৱা উত্তৰেৰে আমাৰ মনৰ মাজত ভগৱানৰ যাদুকৰী কাৰ্যকলাপত আমি বিশ্বাসী।

*ফোন ঃ ৯৪৩৫১০৪৮৮৪*

জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

## সুবৃহৎ ‘মৰাণ জনগোষ্ঠীৰ বুৰঞ্জী’য়ে পুনৰ প্ৰমাণ কৰিলে জাতীয় ইতিহাসৰ বাবে অপৰিহাৰ্য জনগোষ্ঠীগত বুৰঞ্জী!

# বিদ্যায়তনিক বুনিয়াদত থিয় হ’ল ‘মহান মৰাণ মানুহ’ (১)

**সোণালী** জয়ন্তী পালন কৰি থকা জনপ্ৰিয় **দৈনিক অগ্ৰদূত** কাকতৰ এই শিতানত আমি বাৰে বাৰে কৈ আহিছোঁ যে সামগ্ৰিক ইতিহাসৰ বাবে আংশিক ইতিহাস যেনেকৈ অপৰিহাৰ্য, জাতীয় ইতিহাসৰ বাবে জনগোষ্ঠীগত ইতিহাসো তেনেকৈ অপৰিহাৰ্য।

বৃহৎ বুৰঞ্জীখনৰ বিষয়বস্তুবোৰ এনেধৰণৰ ঃ পটভূমিকা ঃ ড° নিৰোদ বৰুৱাই মৰাণসকলৰ পৰিচয়, নৃগোষ্ঠীগত আদিমূল, ভৌগোলিক অৱস্থান আৰু সম্পৰ্ক ৰ শিতানত ভৌগোলিক অৱস্থান আৰু জনসংখ্যা, তৰুণ বৰুৱা মৰাণে মৰাণসকলৰ সামগ্ৰিক পৰিচয়ৰ সংক্ষিপ্ত পূৰ্বাভাস, আৰু মৰাণসকলৰ নৃগোষ্ঠীগত আদিমূল, সুখীধৰ দহোতীয়া আৰু যতীন মৰাণে ‘ঐতিহাসিক স্থান, সত্ৰ, থান, নৈ, জান, জুৰি আদিৰ লগত মৰাণসকলৰ সম্পৰ্কৰ বিষয়ে লিখিছে। ঐতিহাসিক প্ৰেক্ষাপটত মৰাণসকলৰ বিষয়ে ড° নিৰোদ বৰুৱাই ‘প্ৰাক্ আহোম যুগত মৰাণসকলৰ ৰাজনৈতিক অৱস্থান’, বিপুল বৈভৱ বৰুৱাই ‘মৰাণ জনগোষ্ঠী ঃ প্ৰাক্ আহোম যুগৰ পৰা আহোম যুগলৈ’ ‘মৰাণসকলৰ আৰ্থ-সামাজিক পৰিবৰ্তনৰ স্তৰসমূহ আৰু স্বাধীনোত্তৰ কালৰ মৰাণ সমাজ’ আৰু ‘আহোম ৰাজ্য আৰু সমাজ গঠন প্ৰক্ৰিয়াত মৰাণসকলৰ ভূমিকা’, দ° দেৱব্ৰত শৰ্মাই ‘মোৱামৰীয়া মহাবিদ্ৰোহ ঃ এক ত্ৰি-মাত্ৰিক গণ-অভ্যুত্থান’, কুমাৰ দাহোতীয়াই ‘বৃটিছকালীন মৰাণসকলৰ ৰাজনৈতিক আৰু আৰ্থসামাজিক অৱস্থা’ৰ বিষয়ে লিখিছে। ‘মৰাণ সমাজ আৰু সংস্কৃতি ঃ ঐতিহাসিক আৰু সমাজতাত্ত্বিক অধ্যয়ন’ শিতানত ড° নিৰোদ বৰুৱাই ‘মৰাণ সমাজ গঠন প্ৰক্ৰিয়া আৰু বিকাশ’, মোহন মৰাণে ‘মৰাণসকলৰ সামাজিক আচাৰ-অনুষ্ঠান, উৎসৱ-পাৰ্বণ, পৰম্পৰা আৰু পৰিৱৰ্তন’ আৰু ‘মৰাণসকলৰ খাদ্যাভ্যাস আৰু খাদ্যসম্ভাৰ’, থুলেশ্বৰ চেতিয়াই ‘মৰাণসকলৰ জাতীয় পোচাক, বস্ত্ৰ আৰু আ-অলংকাৰ’ ড° জলীন প্ৰকাশ চেতিয়াই ‘মৰাণসকলৰ লোকশিল্প, লোক কলা, স্থাপত্য বিদ্যা’, ঝৰ্ণা মৰাণে ‘মৰাণ সমাজত নাৰী’ ড° ছবি গগৈয়ে ‘মৰাণ সমাজত প্ৰচলিত পৰম্পৰাগত চিকিৎসা পদ্ধতি’ (১) গদক মৰাণে ‘মৰাণ সমাজত প্ৰচলিত পৰম্পৰাগত চিকিৎসা পদ্ধতি’ (২) বিষয়ে লিখিছে। ‘মৰাণ ভাষা, লোকসাহিত্য আৰু পৰিৱেশ্য কলা’ৰ শিতানত ড° উপেন ৰাভা হাকাচামে ‘মৰাণসকলৰ কথিত অসমীয়া ভাষা (মৰাণমিজ)ৰ পৰিচয় আৰু বৰ্তমানৰ স্থিতি’, সুখীধৰ দহোতীয়াই ‘মৰাণসকলৰ লোকসাহিত্য’, জিতু গোস্বামীয়ে ‘মৰাণ সকলৰ লোক গীত-মাত আৰু পৰিৱেশ্য কলা’ৰ বিষয়ে লিখিছে। ‘মৰাণসকলৰ ধৰ্মীয় পৰম্পৰা আৰু লোক বিশ্বাস ঃ ধাৰাবাহিকতা আৰু পৰিবৰ্তনৰ ইতিহাস’ শিতানত দীপেন মৰাণে লিখিছে। ‘ঐতিহাসিক প্ৰেক্ষাপটত মৰাণসকলৰ গ্ৰাম্য অৰ্থনীতি’ শিতানত অজিত বৰাই ‘মৰাণসকলৰ অৰ্থনৈতিক অৱস্থা ঃ বন্য সম্পদ সংগ্ৰহ আৰু কৃষি অৰ্থনীতি’, ৰবীন মৰাণে ‘মৰাণসকলৰ গ্ৰাম্য অৰ্থনীতি ঃ কমলাখেতি, চাহখেতি, হাতীপালন, হাতী চিকাৰ ইত্যাদি’ লিখিছে। ‘মৰাণসকলৰ স্বাধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰামৰ ইতিহাস’ শিতানত ড° নিৰোদ বৰুৱাই ‘আত্মপৰিচয় আৰু স্বাধিকাৰ চেতনাৰ উন্মেষ ঃ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰাম আৰু মৰাণ জাতীয় সংগঠনসমূহ’, ইন্দিবৰ দেউৰীয়ে ‘মৰাণ জনগোষ্ঠীৰ জাগৰণ ঃ একাষৰীয়াকৰণ আৰু পৰিচয় সংকট’, লীলাম্বৰ দহোতীয়াই ‘মৰাণ সমাজৰ নেতৃস্থানীয় ব্যক্তিসকলৰ চমু পৰিচয়’ৰ বিষয়ে লিখিছে। ‘মৰাণ-মটক সম্পৰ্ক ঃ এক ইতিহাস ভিত্তিক পৰ্যালোচনা’ শিতানত ড° সৃষ্টিধৰ দত্তই লিখিছে। ‘অসমৰ ক্ৰীড়া আৰু কলা-সংস্কৃতিৰ জগতত মৰাণসকল’ৰ বিষয়ে দিলীপ হাজৰিকাই লিখিছে আৰু মৰাণ সমাজৰ কৃষ্টি সম্ভাৰৰ বিষয়ে দীপেন মৰাণে লিখিছে।

**দ° দেৱব্ৰত শৰ্মা**

সম্পাদক ড° বৰুৱাই সম্পাদকৰ মন্তব্যত কৈছে ঃ “উজনি অসমৰ জাতি-জনগোষ্ঠীসমূহৰ ভিতৰত অন্যতম জনগোষ্ঠী মৰাণসকল। জনজাতীয় জীৱনশৈলীৰে উজনি অসমত বহু শতিকাজুৰি জীৱন পৰিক্ৰমা কৰিলেও এই জনগোষ্ঠীটোৱে অসমৰ ইতিহাস তথা সমাজৰ মূল সুঁতিত যিমানখিনি গুৰুত্ব পাব লাগিছিল তাৰ ক্ষুদ্ৰ অংশ এটাও নেপালে। অংশ পোৱা দূৰৰে কথা, মৰাণসকলক ব্ৰহ্মদেশৰ মানসকলৰ লগত একাকাৰ কৰি ‘অসম ধ্বংসকাৰী’ বুলি মতামত দিয়া মানুহৰো (অসমীয়া সমাজৰ তথাকথিত মূলসুঁতিৰ) অভাৱ নহ’ল। অসমৰ কেইবাটাও পিছপৰা জাতি-জনজাতিয়ে চৰকাৰী সা-সুবিধা আৰু ব্যৱস্থাৰ জৰিয়তে (লগতে নিজা প্ৰচেষ্টা) বহুখিনি আগুৱাই গ’ল, পিছপৰি ৰ’ল মৰাণসকল। চৰকাৰী সা-সুবিধা আৰু ব্যৱস্থাবোৰ বিভিন্ন পাকচক্ৰত পৰি ওচৰলৈ নাহিল, নিজা প্ৰচেষ্টাৰে জনগোষ্ঠীটোৱে এককভাৱে যুঁজি থাকিল। মধ্যযুগীয় অসমৰ ৰাজতান্ত্ৰিক শোষণৰ বিৰুদ্ধে কৰা গণসংগ্ৰামত বৃহৎ অংশগ্ৰহণৰ পিছতো অসমৰ ইতিহাসৰ পৃষ্ঠাত মৰাণসকলে পাবলগীয়া গুৰুত্বখিনি নেপালে। স্বাধীনোত্তৰ কালত মৰাণসকলৰ আত্মপৰিচয়ৰ চেতনা আৰু আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামৰ প্ৰকাশ ঘটে অসম মৰাণ সভা, সদৌ মৰাণ ছাত্ৰ সন্থা, সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰ, মৰাণ মহিলা পৰিষদ আদি সংগঠনৰ প্ৰতিষ্ঠা আৰু নিৰন্তন আপোচবিহীন সংগ্ৰামৰ জৰিয়তে।

মৰাণসকলৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনশৈলীৰ এক সুকীয়া বৈশিষ্ট্য আৰু অস্তিত্ব আছে। এই সমগ্ৰ প্ৰক্ৰিয়াৰ এক ঐতিহাসিক অধ্যয়নে কেৱল মৰাণ সমাজকেই প্ৰতিষ্ঠা দিয়া নহয়, অসম ইতিহাসৰ বহুকেইটা পৃষ্ঠাত নতুন চিন্তাৰ উন্মেষ ঘটোৱাৰ লগতে অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত এক বৃহৎ অৱদান হিচাপে পৰিগণিত হ’ব।



মৰাণসকলৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক পৰিক্ৰমাক সামৰি ইতিমধ্যে বহুবোৰ লেখনি আৰু গ্ৰন্থ প্ৰকাশ পাইছে যদিও আজিকোপতি মৰাণ জনগোষ্ঠীৰ এখন পূৰ্ণাংগ ইতিহাস প্ৰণয়ন হোৱা নাই। এই অভাৱ বহুদিনৰ পৰাই অনুভৱ কৰি অহা হৈছে যদিও যিকোনো কাৰণতেই নহওক কিয় এখন পূৰ্ণাংগ ইতিহাস প্ৰণয়নৰ পূৰ্ণপৰ্যায়ৰ কামৰ চিন্তা-চৰ্চা আজি কেইবছৰমান আগৰ পৰাই আনুষ্ঠানিকভাৱে আৰম্ভ হৈছে অসম মৰাণ সভাৰ দৰে জাতীয় সংগঠনৰ তৰফৰ পৰা।” প্ৰস্তাৱনাৰ সামৰণিত পুনৰ ড° বৰুৱাই কৈছে ঃ “মৰাণ জনগোষ্ঠীৰ বুৰঞ্জী প্ৰণয়নৰ এই প্ৰচেষ্টাত ইতিহাস অধ্যয়নৰ পদ্ধতিগত বিধিসমূহ মানি চলিবলৈ পূৰ্ণ প্ৰয়াস কৰা হৈছে যদিও গোষ্ঠী অধ্যয়নত সদায় এই কথাটো মানি চলিবলৈ অসুবিধা আছে। সেয়ে প্ৰয়োজন সাপেক্ষে নৃতত্ব তথা সমাজতত্ত্ব অধ্যয়ন বিধিসমূহৰো ইয়াত সমাহাৰ ঘটিছে। লগতে ক্ষেত্ৰভিত্তিক অধ্যয়নো সামৰি লোৱা হৈছে। বুৰঞ্জীৰ লিখন প্ৰক্ৰিয়া আগুৱাই যাওঁতে প্ৰাথমিক উৎস হিচাপে মূলতঃ টাই-আহোম বুৰঞ্জী পুথিসমূহ, বৃটিছ বিষয়াসকলে লিখি থৈ যোৱা ৰিপ’ৰ্টসমূহ, মায়ামৰা ধৰ্মৰ পুথি-পাঁজিসমূহ, ৰাজ্যিক অভিলেখাগাৰৰ তথ্য, সত্ৰৰ বংশাৱলী পুথিসমূহ, প্ৰচলিত লোক-সাহিত্যৰাজি, লোক-সাংস্কৃতিক উপাদানসমূহ (পৰম্পৰাগতভাৱে চলি অহা), অন্যান্য পুৰাতাত্বিক সমল, মৰাণ জাতীয় সংগঠনৰ কৰ্মসূচীৰ প্ৰতিবেদনসমূহ, জনজাতিকৰণ সম্পৰ্কীয় বিধানসভা আৰু পাৰ্লিয়ামেণ্টৰ ৰিপ’ৰ্ট আদি গ্ৰহণ কৰা হৈছে। গৌণ উৎস হিচাপে পূৰ্বে উল্লিখিত গ্ৰন্থৰাজি, বিভিন্ন ঐতিহাসিক গ্ৰন্থসমূহ, মৰাণসকলৰ বিভিন্ন বংশৰ সময়ে সময়ে প্ৰকাশিত বংশাৱলীসমূহ, বিভিন্ন আলোচনী, বাতৰি কাকত আদিক অৱলম্বন কৰি এই অধ্যয়ন আগবাঢ়ি গৈছে।”

মৰাণসকলৰ সামগ্ৰিক পৰিচয়ৰ সংক্ষিপ্ত পূৰ্বাভাস দাঙি ধৰি তৰুণ বৰুৱা মৰাণে লিখিছে ঃ “মৰাণসকল অসমৰ এক অতিকৈ প্ৰাচীন জনগোট। এওঁলোক অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আদিম অধিবাসীদেৰ অন্যতম । বিশাল হিমালয় পৰ্বতমালাৰ দক্ষিণ পাদদেশৰ সম্প্ৰতি অসম তথা উত্তৰ - পূৰ্বাঞ্চল নামেৰে পৰিচিত, চিৰসেউজ অৰণ্যানীৰে পৰিবেষ্টিত বিস্তীৰ্ণ পাহাৰ-কন্দৰ, নামনিৰ বৰলুইতৰ দুয়োপাৰক সাৰটি নিৰৱধি প্ৰবাহমান অলেখ স্থান নদ-নদী- নিজৰা, ঘন বন বনানি, বৈচিত্ৰ্যময় জীৱকুল আৰু উৰ্বৰা মাটিৰে বিধৌত প্ৰকৃতিৰ এই জীপাল ৰম্যভূমিত মৰাণসকলে আবহমান কালৰে পৰা বসতি কৰি আহিছে। প্ৰচলিত নৃতাত্ত্বিক অধ্যয়ন-গৱেষণা, বুৰঞ্জী আৰু সমাজ বিজ্ঞান চৰ্চাই ইতিহাসৰ পূৰ্ণবিন্যাস কৰিব পৰাৰ জোখেৰে আজিকোপতি ঢুকি পাবলৈ সক্ষম নোহোৱা, কোনোবা অজানা কালৰে পৰা বসতি অহা মৰাণসকলক সেয়েহে এই ভূ-প্ৰাকৃতিক অঞ্চলৰ প্ৰাক্-ঐতিহাসিক মানৱ প্ৰজাতিৰ এক নিৰ্দিষ্ট গোট ৰূপে চিহ্নিত হৈছে।”

প্ৰাক্ আহোম যুগত মৰাণসকলৰ ৰাজনৈতিক অৱস্থানৰ বিষয়ে পুনৰ ড° নিৰোদ বৰুৱাই লিখিছে ঃ “পৈণত জনজাতীয় সমাজ স্তৰত থকা মৰাণ সমাজ তথা মৰাণ ৰাজ্যখনত স্তৰীভূত বৃত্তিজীৱী আৰু সামাজিক শ্ৰেণী বিভাজন আদি বৈশিষ্ট্যসমূহ আশা কৰিব নোৱাৰি। যৌথ আৰু ব্যক্তিগত উৎপাদন ব্যৱস্থা এই স্তৰত থাকিলেও ৰাহি উৎপাদনৰ বাবে প্ৰয়োজনীয় উৎপাদনী ব্যৱস্থা গঢ় লৈ উঠা নাছিল। অৰ্থনৈতিক অৱস্থাৰ মূল ভেটি কৃষিৰ উৎপাদনী ব্যৱস্থাটো আছিল অত্যন্ত দুৰ্বল । যিহেতু কৃষিপদ্ধতি আছিল ঝুম খেতি । ঝুম খেতিৰ পৰা ৰাহি উৎপাদন ব্যৱস্থা অত্যন্ত কঠিন। এইটো স্বাভাৱিক আছিল যে ঝুম কৃষি ব্যৱস্থাই মৰাণ সমাজক থিতাপি লাগিবলৈ দিয়া নাছিল, যাৰ ফলত ভৱিষ্যতে ৰাজ্যগঠন প্ৰক্ৰিয়াত সোমাবলৈ অধিক ৰূপত ব্যক্তিগত সম্পত্তি (private property) ৰ গঠনো হোৱা নাছিল। স্থায়ী কৃষি ব্যৱস্থা (settled agriculture pattern) নোহোৱাত মৰাণ সমাজ প্ৰকৃতি নিৰ্ভৰ বনবাসী জনজাতীয় জীৱন-যাপন কৰিছিল। ৰাহি উৎপাদনহীন পৰিস্থিতিয়ে স্বাভাৱিকতেই ব্যৱসায় বাণিজ্য, নগৰায়ন, স্তৰীভূত সমাজ, ব্যক্তিগত সম্পত্তি, উৎপাদন প্ৰক্ৰিয়াৰ অগ্ৰগতি আদি ধাৰণাবোৰৰ পথ বন্ধ কৰি ৰাখে।”

বৃটিছকালীন মৰাণৰ আৰ্থ-সামাজিক-ৰাজনৈতিক অৱস্থাৰ বিষয়ে শ্ৰীকুমাৰ দহোতীয়াই লিখিছে ঃ “বৃটিছৰ এই ভূমি আৰু উদ্যোগ নীতিত স্থানীয় লোকৰ বাবে কোনো ব্যৱস্থা নাছিল। আনকি, ভূমি অধিগ্ৰহণত ক্ষতিপূৰণ বা কোনো আৰ্থিক সাহাৰ্য্য, এনেধৰণৰ কথাবোৰ নাছিল। তদুপৰি, উদ্যোগীকৰণত বিশেষকৈ চাহ বাগিছা স্থাপন প্ৰক্ৰিয়াত অসমৰ বাহিৰৰ পৰা শ্ৰমিক আনি কামত লগোৱা ব্যৱস্থাৰ জৰিয়তে স্থানীয় সমাজখনত এক বৃহৎ পৰিৱৰ্তনৰ সূচনা কৰাৰ লগেত বহিঃ শ্ৰমিকসকলৰ দুখ-কষ্ট-চকুৰপানীৰ এক শোষিত শ্ৰেণীৰ ইতিহাস ৰচনা কৰিছিল। উজনি অসমৰ উদ্যোগে বৃটিছক ধনী কৰিছিল, স্বাধীনোত্তৰ কালত অসম তথা ভাৰতৰ অৰ্থনীতিতো যোগাত্মক প্ৰভাৱ পেলাইছে। কিন্তু এই সমস্ত উদ্যোগ গঢ়ি উঠিছিল স্থানীয় মৰাণ-মটক আৰু অন্যান্য স্থানীয় জাতি জনজাতিৰ ভূমিৰ ওপৰত, যি ইয়াৰ বিনিময়ত একোৱেই নেপালে— হা-হুমুনিয়াহ আৰু চকুৰ পানীৰ বাহিৰে। কেৱল বৃটিছৰ হাততেই নহয়, বহিৰাগত বণিয়াৰ হাততো মৰাণ- মটকসকল লাঞ্চিত হৈছিল । মৰাণ- মটকৰ গাঁও-ভূঁই চাহবাগিছাৰ নামত উছন হৈছিল, শেষত মৰাণ-মটকৰ ৰাজ্যৰ ৰাজধানী বেংমৰাও হস্তান্তৰ হৈছিল বহিৰাগত বণিয়াৰ হাতলৈ । বৃটিছে অধিকাৰ কৰাৰ পিছত মটক ৰাজ্যৰ ৰাজপৰিয়ালৰ বংশধৰসকলক সংস্থাপিত কৰা হৈছিল যদিও তেওঁলোকৰ পৰিয়ালবৰ্গৰ বহুসংখ্যকে বেংমৰা অৰ্থাৎ তিনিচুকীয়া এৰি অন্য ঠাইত থিতাপি ল’বলগীয়া হৈছিল । এনে পৰিস্থিতিতেই ৰাজধানীৰ সমগ্ৰ অঞ্চল মাৰোৱাৰী ব্যৱসায়ী চেনাহীৰাম আগৰৱালা (চেনাইৰাম) ৰ হাতলৈ গৈছিল । ১৮৬৪ চনত বৃটিছ চৰকাৰে মটক ৰাজ্যৰ ৰাজধানী বেংমৰাক ‘ তিনিচুকীয়া ’ নামেৰে নামকৰণ কৰিছিল। “Notably the area of the erstwhile capital was put under the jurisdiction of 'Waste Land Grant Rules 1838'. He ( Senahiram Agarwala came to an agreement with the local British Authority , and by paying minimum bribes to the Laat Mandal , Agarwala took legal possession of the most of the area, by 1905."

বুৰঞ্জীখনত বীৰাংগনা আৰু অত্যাচাৰিতা মৰাণ নাৰীসকলৰ বিষয়ে ঝৰ্ণা মৰাণে এনেকৈ লিখিছেঃ “ৰাজপাটত পুনৰ বহিয়েই লক্ষ্মীসিংহ স্বৰ্গদেৱে আজ্ঞা কৰিলে ঃ “মৰাণক যেৱে য’তে পায় ধৰি মাৰক, ধৰিও আনক।” এই আজ্ঞা শুনি হেজাৰ হেজাৰ মৰাণক সপৰিয়ালে নিৰ্মমভাৱে হত্যা কৰা হ’ল। হৰগৌৰী দৌলত আশ্ৰয় লৈ থকা ৰাধাক তাতেই ৰছীৰে হাত-ভৰি বান্ধি ৰাইজৰ সন্মুখত অত্যাচাৰ কৰি যাঠিৰে খুচি মৰা হ’ল। “ৰংপুৰৰ পৰা পথোৱা স্বৰ্গদেৱৰ ফলীয়া ধনেশ্বৰ বৰকটকী গুৱাহাটীলৈ গৈ, মৰাণ কাঁড়ী-বৰফুকন সমন্বিতে মৰাণ বিষয়াবিলাকক বেৰি ধৰি মাৰি, একেলগতে ‘ৰণচণ্ডী’ ৰুকুণীকো বধ কৰিলে।” ৰাধা-ৰুকুণীৰ জীয়াৰী বোৱাৰীহঁতৰ ওপৰতো নিৰ্মম অত্যাচাৰ কৰিলে।

‘আহোম বুৰঞ্জী’ৰ মতে ৰজা ৰমাকান্তৰ তিনিগৰাকী পত্নীৰ এগৰাকীক মৰিয়াই মৰা হ’ল আৰু বাকী দুগৰাকীক নাক- কাণ কাটি, চকু কাঢ়ি, চুলি খুৰাই পিতৃ-গৃহলৈ পঠিয়াই দিয়া হ’ল । মায়ামৰা মহন্তৰ পত্নী, জীয়াৰী-বোৱাৰী, নাতি-নাতিনী আৰু নাতিনী বোৱাৰীহঁতক আপোন গৃহতে মাৰি পেলোৱা হ’ল । এনেদৰে চলা মায়ামৰা গণহত্যাত পুৰুষৰ লগতে অনেক নাৰীৰ নিধন হ’ল।”

... এনেকৈ মৰাণ জনগোষ্ঠীৰ বুৰঞ্জীখন বস্তুনিষ্ঠ সু-সম্পাদনাৰে আমাৰ সমূহীয়া ইতিহাসৰ অমূল্য সমলত পৰিণত হৈছে । (আগলৈ)

*লেখক অসমীয়া জাতীয় অভিধান তথা জাতীয় ইতিহাসৰ মুখ্য সম্পাদক, ফোন ঃ ৯৪৩৫৩ ৫১২৫৫*



খাদ্য সৰবৰাহৰ ব্যৱসায়ৰ বাবে ৫০ হেজাৰ টকা পৰ্যন্ত ঋণৰ প্ৰয়োজন হ'লে এই প্ৰকল্পৰ সাহায্য ল'ব পাৰে মহিলা উদ্যোগীসকলে। এই প্ৰকল্পৰ আওতাত ভাৰত চৰকাৰে খাদ্য কেটাৰিঙৰ ব্যৱসায়ৰ বাবে মহিলা উদ্যোক্তাসকলক ৫০ হেজাৰ টকা পৰ্যন্ত ঋণ আগবঢ়ায়। এই ঋণৰ সাহায্য লৈ কেটাৰিঙৰ ব্যৱসায়ৰ বাবে প্ৰয়োজনীয় বাচন-বৰ্তন, গেছ চিলিণ্ডাৰৰ লগতে অন্যান্য বিভিন্ন গুৰুত্বপূৰ্ণ সামগ্ৰী ক্ৰয় কৰিব পাৰে উদ্যমী মহিলাসকলে।

# উদ্যমী মহিলাৰ বাবে স্বনিৰ্ভৰশীলতাৰ বাট মুকলি

## ক্ষুদ্ৰ ব্যৱসায় আৰম্ভ কৰিবলৈ চৰকাৰৰ পৰা পাব পাৰে বিশেষ ঋণ

**সমগ্ৰ** বিশ্বৰ ভিতৰতে ভাৰত দ্বিতীয় বৃহত্তম উপভোক্তাৰ বজাৰ আৰু প্ৰায় সকলো ক্ষেত্ৰতে ভাৰতে কেবা লক্ষ ব্যৱসায়িক সাফল্য অৰ্জন কৰি থৈছে। কিন্তু দেশৰ এই বৃহৎ ব্যৱসায়িক সাফল্যত এতিয়াও পুতৌজনক মহিলা উদ্যোগীৰ অংশগ্ৰহণ। এনএছএছঅ'ৰ এক শেহতীয়া সমীক্ষা মতে, ভাৰতত মহিলাসকলৰ ব্যৱসায়ত অংশ গ্ৰহণৰ হাৰ মাত্ৰ আঠ শতাংশ। ক'ভিড-১৯-ৰ পৰৱৰ্তী সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'আত্মনিৰ্ভৰ ভাৰত' অভিযান আৰম্ভ কৰি দেশৰ ক্ষুদ্ৰ উদ্যোগীসকললৈ যিসমূহ সুযোগ-সুবিধা আগবঢ়াইছে তাত মহিলাসকলৰ বাবেও বিভিন্ন আঁচনি সামৰি লোৱা হৈছে। চৰকাৰী ঋণৰ সহায়েৰে মহিলাসকলে নিজস্ব ব্যৱসায় আৰম্ভ কৰি আত্মনিৰ্ভৰ ভাৰত গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পৰা এনে কেইখনমান আঁচনিৰ বিষয়ে তলত আগবঢ়োৱা হ'ল...

**অন্নপূৰ্ণা আঁচনি**

খাদ্য সৰবৰাহৰ ব্যৱসায়ৰ বাবে ৫০ হেজাৰ টকা পৰ্যন্ত ঋণৰ প্ৰয়োজন হ'লে এই প্ৰকল্পৰ সাহায্য ল'ব পাৰে মহিলা উদ্যোগীসকলে। এই প্ৰকল্পৰ আওতাত ভাৰত চৰকাৰে খাদ্য কেটাৰিঙৰ ব্যৱসায়ৰ বাবে মহিলা উদ্যোক্তাসকলক ৫০ হেজাৰ টকা পৰ্যন্ত ঋণ আগবঢ়ায়। এই ঋণৰ সাহায্য লৈ কেটাৰিঙৰ ব্যৱসায়ৰ বাবে প্ৰয়োজনীয় বাচন-বৰ্তন, গেছ চিলিণ্ডাৰৰ লগতে অন্যান্য বিভিন্ন গুৰুত্বপূৰ্ণ সামগ্ৰী ক্ৰয় কৰিব পাৰে উদ্যমী মহিলাসকলে। অৱশ্যে এই ঋণ লাভৰ বাবে এজন গেৰাণ্টৰৰ প্ৰয়োজন হ'ব। এই ঋণ লোৱাৰ ৩৬ মাহৰ ভিতৰত সম্পূৰ্ণ ঋণৰাশি সুতসহ পৰিশোধ কৰিব লাগিব। অন্নপূৰ্ণা প্ৰকল্পৰ আওতাত গ্ৰহণ কৰা ঋণৰ সুতৰ হাৰ বজাৰত চলি থকা সুতৰ হাৰ অনুযায়ী নিৰ্ধাৰিত হয়। বৰ্তমানে এই আঁচনি ভাৰতীয় ষ্টেট বেংকে পৰিচালনা কৰি আছে।

**স্ত্ৰী শক্তি যোজনা**

এই আঁচনিখন বিশেষকৈ সেই সকল মহিলাৰ বাবে যাৰ কোনো ব্যৱসায়ত ৫০ শতাংশৰ অধিক অংশীদাৰিত্ব আছে। ক্ষুদ্ৰ ব্যৱসায়ৰ বাবে এই পেকেজৰ মাধ্যমেদি ৫০ হেজাৰ টকাৰ পৰা দুই লক্ষ টকা পৰ্যন্ত ঋণ প্ৰদান কৰা হয়। এমএছএমইৰ অধীনত পৰা সংস্থাসমূহকো এই আঁচনিৰ জৰিয়তে ৫০ হেজাৰ টকাৰ পৰা ২৫ লক্ষ টকা পৰ্যন্ত ঋণ দিয়া হয়। আনহাতে,পাঁচ লক্ষ টকা পৰ্যন্ত ঋণ লোৱাৰ বাবদ কোনো ছিকিউৰিটি দিয়াৰ প্ৰয়োজন নাই ইয়াত। তাৰ উপৰি হিতাধিকাৰী মহিলাসকলে ঋণৰ সুতৰ হাৰৰ ক্ষেত্ৰতো ৰেহাই পায়। স্ত্ৰী শক্তি যোজনাৰ সুবিধাসমূহ পাবলৈ হ'লে ইচ্ছুক মহিলাসকলে ভাৰতীয় ষ্টেট বেংকৰ স'তে যোগাযোগ কৰিব পাৰে।

**প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনা**

নন্-কৰ্প'ৰেট, নন্-ফাৰ্ম শ্ৰেণীত পৰা বিভিন্ন ক্ষুদ্ৰ উদ্যোগলৈ ১০ লাখ টকালৈকে ঋণ আগবঢ়োৱাৰ অৰ্থে ২০১৫ ৰ আঠ এপ্ৰিলত প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনা বা চমুকৈ পিএমএমৱাইৰ আৰম্ভ কৰা হৈছিল। এই ঋণক পিএমএমৱাইৰ অধীনত মুদ্ৰা ঋণ হিচাপে শ্ৰেণীবদ্ধ কৰা যায়। এই ঋণ প্ৰদান কৰে বাণিজ্যিক বেংক, আৰআৰবি, ক্ষুদ্ৰ সঞ্চয় বেংক, এমএফআই আৰু এনবিএফচিয়ে। পিএমএমৱাইৰ উদ্যোগত মুদ্ৰাই তিনিটা প্ৰডাক্ট 'শিশু', 'কিশোৰ' আৰু 'তৰুণ' নামেৰে প্ৰৱৰ্তন কৰিছে। দেশৰ উদ্যোগী মহিলাসকলে নিজ নিজ ক্ষুদ্ৰ উদ্যোগৰ ব্যৱসায়িক বিকাশ আৰু উন্নয়নৰ বাবে দৰকাৰী পুঁজি এই আঁচনিৰ জৰিয়তে আহৰণ কৰিব পাৰে। এই প্ৰকল্পৰ মাধ্যমেদি যিকোনো চৰকাৰী বেংকৰ পৰা ন্যূনতম ৫০ হেজাৰ টকাৰ পৰা সৰ্বাধিক ৫০ লক্ষ টকা পৰ্যন্ত ঋণ ল'ব পাৰে মহিলা উদ্যোগীসকলে। এই ঋণৰাশিৰে তেওঁলোকে বিউটি পাৰ্লাৰ, টিউছন চেন্টাৰ, বোৱা-কটাৰ ব্যৱসায়ৰ পৰা আৰম্ভ কৰি বিভিন্ন ক্ষুদ্ৰ উদ্যোগ আৰম্ভ কৰিব পাৰে। এই আঁচনিত ১০ লক্ষ টকা পৰ্যন্ত ঋণৰ বাবে কোনো গেৰেণ্টৰ বা সুৰক্ষাৰ প্ৰয়োজন নহয়। চৰকাৰী বিবৃতিৰ তথ্য অনুসৰি, প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনা প্ৰৱৰ্তনৰে পৰা যোৱা ফেব্ৰুৱাৰীৰ শেষ পৰ্যন্ত এই আঁচনিৰ অধীনত প্ৰায় ৬৮ শতাংশ অৰ্থাৎ ১৯.৪ কোটি মহিলা উদ্যোগীৰ একাউন্টলৈ ৬.৩৬ লাখ কোটি টকা অনুমোদন জনোৱা হৈছে।




**মহিলা উদ্যম নিধি**

এই আঁচনিত ১০ বছৰৰ বাবে ১০ লক্ষ টকা পৰ্যন্ত ঋণ দিয়া হয় মহিলা উদ্যোগীসকলক। পঞ্জাব নেচনেল বেংক (পিএনবি) আৰু ভাৰতৰ ক্ষুদ্ৰ শিল্প উন্নয়ন বেংক (ছিডবি)ৰ তৰফৰ পৰা মহিলা উদ্যোক্তাৰ আৰ্থিক সহায়ৰ বাবে এই ঋণৰ সৰবৰাহ কৰা হয়। ১০ বছৰৰ বাবে প্ৰদান কৰা এই ঋণৰ বাবে বজাৰত চলি থকা হাৰৰ ভিত্তিত সুতৰ হাৰ নিৰ্ধাৰণ কৰা হয়। এই চৰকাৰী ঋণ লোৱা মহিলাই বিউটি পাৰ্লাৰ খোলা, ডে কেয়াৰ কেন্দ্ৰ চলোৱা, অট'ৰিক্সা ক্ৰয় কৰা, ব্যৱসায়িক স্বাৰ্থত বাইক বা গাড়ী আদি কিনাৰ ক্ষেত্ৰত ঋণৰ ধনৰাশি ব্যৱহাৰ কৰিব পাৰে।

**মহিলা সমৃদ্ধি যোজনা**

ভাৰত চৰকাৰে এই আঁচনিখন অৰ্থনৈতিক আৰু সামাজিকভাৱে দুৰ্বল শ্ৰেণীৰ মহিলাসকলৰ বাবে বিশেষভাৱে মুকলি কৰিছে। এই আঁচনিৰ জৰিয়তে মহিলাসকলে নিজাকৈ যিকোনো সৰু-সুৰা ব্যৱসায় আৰম্ভ কৰাৰ বাবে চৰকাৰৰ পৰা সৰ্বাধিক ৬০ হেজাৰ টকা পৰ্যন্ত ঋণ লাভ কৰিব পাৰে। এই ঋণ লোৱাৰ ৩.৬ বছৰৰ ভিতৰত ঋণৰাশি সুতসহ চৰকাৰক ওভতাই দিয়াৰ নিয়ম। মহিলা সমৃদ্ধি যোজনাৰ বাবে বাৰ্ষিক মাত্ৰ চাৰি শতাংশ সুতৰ হাৰ নিৰ্ধাৰণ কৰিছে মোদী চৰকাৰে। দৰিদ্ৰ সীমাৰ তলত (বিপিএল) বসবাস কৰা মহিলাসকলে এই প্ৰকল্পৰ সমস্ত সুবিধা গ্ৰহণ কৰিব পাৰে। ইয়াৰ বাবে প্ৰয়োজন নাই কোনো গেৰেণ্টৰ বা সুৰক্ষা জমা দিয়াৰো। হিতাধিকাৰী মহিলা উদ্যোগীসকলে নিজ নিজ গাঁও বা চহৰৰ নিকটৱৰ্তী বেংকৰ স'তে যোগাযোগ কৰি সহজেই আহৰণ কৰিব পাৰে এই ঋণ।



## কেনেকৈ ৰিফাণ্ড পাব পাৰি জানি লওক

# দীঘলীয়া পথ দেখুৱাই অত্যধিক ধন লৈছে নেকি উবেৰে?

**কেব** বুকিং কৰাৰ কিছু মুহূৰ্তৰ ভিতৰতে ফোনটো আহে। সিফালৰ পৰা চালকজনৰ ইটোৰ পাছত সিটো প্ৰশ্ন, ক'লৈ যাব? কিমান টকা দেখুৱাই আছে? নগদ ধন দিব নে অনলাইন...? সকলো প্ৰশ্নৰ উত্তৰ দিয়াৰ পাছতো যেতিয়া আপুনি দেখিব যে ফোনটো কাটি দিয়াৰ পাছতে বুকিং বাতিল হৈ গৈছে, তেতিয়া আপোনাৰ ধৈৰ্যৰ বান্ধ ছিগি যোৱাৰ উপক্ৰম হ'ব। ছ'চিয়েল মিডিয়াত চকু ফুৰালেই গম পোৱা যায় যে চহৰবাসীৰ উবেৰ-বেদনাৰ অন্ত নাই। প্ৰতিটো বুকিঙতে প্ৰায় একেই কাহিনী! আৰু এই সকলো উত্তৰ দিয়াৰ পাছতো যদি কোনোবাজন চালকে উবেৰৰ সেৱা আগবঢ়াবলৈ হাত আগবঢ়ায়, তথাপি কিন্তু যাত্ৰীৰ সকাহ নাই। বহু যাত্ৰীয়ে সততে অভিযোগ কৰে যে গাড়ীত উঠাৰ সময়ত দেখুওৱা ভাড়াতকৈ নমাৰ সময়ত অধিক ভাড়া পৰিশোধ কৰিবলগীয়া হয় তেওঁলোকে। যদি চালকক ইয়াৰ কাৰণ সোধা হয় তেন্তে পথটো দীঘলীয়া আছিল বুলি চমু উত্তৰ দি সামৰি থ'ব। কিন্তু দৰাচলতে কম দূৰত্বত গন্তব্যস্থানত উপনীত হ'ব পৰা পথটো লোৱাৰ পৰিৱৰ্তে কেবখনে আপোনাক দীঘলীয়া পথেৰে লৈ গৈছে বেছিকৈ ভাড়া দাবী কৰে। সকাহ দিব পৰা খবৰটো এয়া যে এতিয়া এই সমস্যাৰ সমাধান দিছে স্বয়ং উবেৰে।

যদি উবেৰে আপোনাক প্ৰয়োজন নহ'লেও দীঘলীয়া পথত লৈ গৈ অতিৰিক্ত চাৰ্জ লয়, তেন্তে আপুনি সেই ধন ঘূৰাই বিচাৰিব পাৰে উবেৰৰ পৰা।

**কেনেকৈ ৰিফাণ্ডৰ বাবে আবেদন কৰিব?**

১। প্ৰথমে উবেৰ এপটো খুলি 'একাউণ্ট' অপছনটো বাছনি কৰক।
২। তাৰ পাছত 'option' (trip) নিৰ্বাচন কৰক। এনে কৰিলে আপুনি শেহতীয়াকৈ ক'ত ক'ত উবেৰ কেবেৰে গৈছে তাৰ এখন তালিকা খোল খাব।
৩। ক'লৈ যাবলৈ অতিৰিক্ত ধন ভৰিব লগা হৈছে সেই স্থানৰ নাম বাছি লওক।
৪। এইবাৰ যদি আপুনি স্ক্ৰীণখনৰ তললৈ স্ক্ৰোল কৰে, তেন্তে 'গেট ট্ৰিপ হেল্প' (Get trip help)বিকল্পটো দেখিব।
৫। তাৰ পাছত 'উবেৰ ছাপ'ৰ্ট' (Uber support) বিকল্পত ক্লিক কৰিলে 'মাই ফেয়াৰ টু কষ্টলী' (My fare was too costly) বিকল্পটো দেখিব।
৬। এইবাৰ 'মাই ড্ৰাইভাৰ টুক এ লংগাৰ ডেন নেচেছাৰী ট্ৰিপ' (My driver took a longer-than-necessary trip) বুলি যিটো অপছন আছে সেইটোত ক্লিক কৰি উবেৰক অভিযোগ কৰক যে আপোনাৰ কেব ড্ৰাইভাৰে প্ৰয়োজনতকৈ দীঘলীয়া পথ লৈছিল।
৭। সৰ্বশেষত যিটো তাৰিখত আপুনি সেই কেবখনত উঠিছিল, সেই তাৰিখটো লিখি 'ছাবমিট' অপছনত ক্লিক কৰিব লাগিব।

ইয়াৰ পাছত উবেৰে আপোনাক দিবলগীয়া অতিৰিক্ত ধন ঘূৰাই দিব।

# নাবালক সন্তানৰ উপাৰ্জনত আয়কৰ দাখিলৰ নিয়ম



**আমাৰ** দেশত নাবালক সন্তানৰ নিজা আয় থাকিলে অভিভাৱকৰ কোনো কৰ দায়বদ্ধতা থাকিব পাৰে নে নোৱাৰে সেই বিষয়ে আমাৰ মাজৰ বেছিভাগেই ভালদৰে নাজানো। যদি আপোনাৰ সন্তানে নিজৰ চখ বা বিভিন্ন প্ৰতিযোগিতাৰ জৰিয়তে ধন উপাৰ্জন কৰে তেন্তে এই উপাৰ্জন কৰমুক্ত হ'বনে? যদি নহয়, তেনে ক্ষেত্ৰত তেওঁলোকৰ কৰ কোনে দিব? সেই উপাৰ্জন যদি বৃহৎ পৰিমাণৰ হয় নাইবা শিশুটিৰ নামত যদি পিতৃ-মাতৃ বা তেওঁৰ আত্মীয়ই বৃহৎ পৰিমাণৰ ধন বেংকত বিনিয়োগ কৰে, তেন্তে শিশুটোৱে আয়কৰ দিব লাগেনে? শিশুৰ উপাৰ্জন আৰু বিনিয়োগৰ বিপৰীতে আমাৰ দেশত আয়কৰ প্ৰদানৰ নিয়মবোৰনো কেনেকুৱা সেই বিষয়ে আজি কিছু কথা জানো আহকচোন ...

১। **শিশুৰ আয়ৰ সম্ভাৱনা কি?**

যিকোনো প্ৰকাৰে লাভ কৰা ধন সেয়া উপাৰ্জনৰ জৰিয়তে হওক বা আন যিকোনো প্ৰকাৰে হওক, সেই ধন আয়ৰ একাউণ্টতে লিপিবদ্ধ কৰা হয়। যদি শিশুৱে প্ৰতিযোগিতাত জয়ী হৈ বা অংশকালীন কাম কৰি বা তেওঁৰ প্ৰতিভাৰ জৰিয়তে ব্যৱসায় চলাই উপাৰ্জন কৰে, তেন্তে সেইবোৰক শিশুৰ আয় হিচাপে গণ্য কৰা হ'ব। আনহাতে, পিতৃ-মাতৃয়ে দিয়া ধন বা আত্মীয়ই দিয়া ধনৰ ক্ষেত্ৰত বা শিশুটোৰ নামত যদি যিকোনো বৃহৎ বেংক বেলেঞ্চ বা ফিক্সড্ ডিপ'জিট থাকে তেন্তে তাৰ পৰা লাভ কৰা মাহেকীয়া সুত আদিকো শিশুটোৰ আয় হিচাপে অন্তৰ্ভুক্ত কৰা হ'ব ।

২। **শিশুটোৰ উপাৰ্জনৰ ওপৰত আয়কৰ জমা দিয়াটো জৰুৰী নেকি?**

ধাৰা ৬৪(১এ)ত উল্লেখ আছে যে ১৮ বছৰৰ তলৰ শিশুৰ যিকোনো আয়ক শিশুটোৰ আয় হিচাপে গণ্য কৰা নহ'ব। বৰঞ্চ সেই উপাৰ্জনক তেওঁৰ পিতৃ-মাতৃ বা অভিভাৱকৰ আয়তহে অন্তৰ্ভুক্ত কৰা হ'ব আৰু সেই অনুসৰি কৰ আৰোপ কৰা হ'ব। যদি পিতৃ-মাতৃ দুয়োজনে উপাৰ্জন কৰে তেন্তে শিশুটোৰ উপাৰ্জন যিজনে অধিক উপাৰ্জন কৰে তেওঁৰ স'তে যোগ কৰা হ'ব। এই নিয়মক ক্লাবিং কৰা বুলি কয়। আইন অনুসৰি প্ৰতিটো সন্তানৰ উপাৰ্জনৰ বাবে বছৰি সৰ্বাধিক ১৫০০ টকা কৰ দিব লাগে। অভিভাৱকে শিশুটিৰ আয়কৰৰ লগতে নিজৰ আয়কৰো সময়মতে আদায় দিব লাগে।

৩। **ক্লাবিং আয়ৰ ব্যতিক্ৰম আছেনে?**

যদি শিশুটো অনাথ বা শাৰীৰিকভাৱে অক্ষম হয়, তেন্তে পিতৃ-মাতৃৰ কোনো এজনৰ স'তেই কৰৰ ক্লাবিং কৰা নহ'ব। শাৰীৰিক অক্ষমতাৰ ক্ষেত্ৰত যেনে শিশুটো অন্ধ, বোবা বা শ্ৰৱণ ক্ষমতাহীন হ'লে অথবা মানসিকভাৱে অক্ষম হোৱাৰ ক্ষেত্ৰত ধাৰা ৮০ইউৰ অধীনত সামৰি লোৱা হ'ব আৰু সেই ধাৰা অনুসৰি কোনো শিশুটোৰ পৰা কোনো ধৰণৰ কৰ লোৱা নহ'ব। আনহাতে, কোনো কাৰণত যদি পিতৃ-মাতৃৰ মাজত বিবাহ বিচ্ছেদ হয়, তেন্তে সেই ক্ষেত্ৰত সন্তানৰ তত্ত্বাৱধান লোৱাজনে কৰ দিব লাগিব।

৪। **শিশুৰ আয়কৰ কোনে দাখিল কৰে?**

যিহেতু আয়কৰ দাখিলৰ কোনো বয়সৰ সীমা নাই, গতিকে শিশুৱে ইচ্ছা কৰিলে নিজাববীয়াকৈও আয়কৰ দাখিল কৰিব পাৰে। নতুবা পিতৃ-মাতৃৰ পৰা সহায়ো ল'ব পাৰে। আয়কৰ ৰিটাৰ্ণ দাখিল কৰাৰ পাছত সকলো প্ৰাসংগিক নথিও আয়কৰ বিভাগৰ ৱেবছাইটত জমা দিব লাগে। এই কামো শিশুৱে নিজে অথবা অভিভাৱকৰ সহায় লৈ কৰিব পাৰে। এনে কৰিলেহে শিশুটোৱে নিজৰ নাম চাইল্ড-টেক্সৰ অধীনত পঞ্জীয়ন কৰিব পাৰিব।




৫। **শিশুৰ বাবে পেন কাৰ্ড তৈয়াৰ কৰা সম্ভৱনে?**

হয়, সম্ভৱ। কাৰণ শিশুটোৱে যদি নিজৰ আয়কৰ দাখিল কৰিবলৈ যায় তেন্তে প্ৰথমেই ইনকাম টেক্স প'ৰ্টেলত লগ ইন কৰিবলৈ তেওঁৰ বেংক একাউণ্টৰ সমস্ত তথ্য, ফোন নম্বৰ, মেইল একাউন্টৰ লগতে পাছৱৰ্ড আদিৰ দৰকাৰ হ'ব। গতিকে পেন কাৰ্ড থকাটো বাধ্যতামূলক। নিজাকৈ পেন কাৰ্ড বনোৱাৰ সমান্তৰালভাৱে অভিভাৱকসকলেও নিজৰ সন্তানৰ পেন কাৰ্ড তৈয়াৰ কৰি দিব পাৰিব।

# আধাৰৰ জৰিয়তে ঘৰতে বহি একাউণ্ট বেলেঞ্চ পৰীক্ষাৰ উপায়



**আজিৰ** ডিজিটেল যুগত হাতত থকা ম'বাইল ফোনটোত দুই এটা ক্লিক কৰিলেই সকলো কাম সমাধা কৰিব পৰা যায়। বেংকৰ কাম কৰিবলৈ এতিয়া আৰু বেংকৰ শাখালৈ যোৱাটো প্ৰয়োজনীয় নহয়। এজন জমাকাৰীয়ে ইণ্টাৰনেট বেংকিঙৰ জৰিয়তে বেংকৰ সকলো সেৱা-সুবিধা লাভ কৰিব পাৰে। কিন্তু বহু সময়ত নেট বেংকিঙত প্ৰৱঞ্চনাৰ আশংকাও থাকে যাৰ বাবে বহুতে নেট বেংকিং কৰিবলৈ ভয় কৰে। তেনে ক্ষেত্ৰত বেংক একাউণ্টৰ বেলেঞ্চ জানিবলৈকো এজন ব্যক্তিয়ে বেংকৰ নিৰ্দিষ্ট শাখাটোলৈ নাইবা এটিএমলৈ দৌৰিব লগা হয়। কিন্তু আজিৰ তাৰিখত টেক চেভী নহ'লেও যিকোনো জমাকাৰীয়ে খুব সহজতেই কেৱল আধাৰ কাৰ্ড ব্যৱহাৰ কৰিয়েই নিজৰ বেংক বেলেঞ্চ ঘৰতে বহি পৰীক্ষা কৰিব পৰাৰ ব্যৱস্থা আছে। কেৱল আধাৰ কাৰ্ড ব্যৱহাৰ কৰি বেংকৰ বেলেঞ্চ কেনেকৈ পৰীক্ষা কৰিব লাগে জানি লওক...

বৰ্তমানৰ বেংকিং ব্যৱস্থাত কেৱাইচিৰ বাবে আধাৰ কাৰ্ডৰ সংযুক্তিকৰণ বাধ্যতামূলক কৰা হৈছে। তদুপৰি গ্ৰাহকৰ ফোন নম্বৰৰ স'তেও আধাৰ সংযোগ কৰাটো বাধ্যতামূলক। লগতে আধাৰক পান কাৰ্ডৰ স'তেও সংযোগ কৰাটো জৰুৰী। এজন জমাকাৰীয়ে এই ১২ টা অংকৰ আধাৰ নম্বৰ ব্যৱহাৰ কৰি বেংক একাউণ্টৰ বেলেঞ্চ জানিবলৈ হ'লে প্ৰথমে তেওঁৰ পঞ্জীয়নভুক্ত ফোন নম্বৰটোৰ পৰা *৯৯* ৯৯* ১# লৈ ডায়েল কৰিব লাগিব। তাৰ পাছত ১২ টা অংকৰ আধাৰ নম্বৰ এটা বিচৰা হ'ব বেংকৰ পৰা। উপভোক্তাজনে এছএমএছৰ জৰিয়তে আধাৰ নম্বৰটো দিয়াৰ পাছত ভেৰিফিকেচনৰ বাবে আকৌ এবাৰ উক্ত নম্বৰটো দিব লাগিব। এইখিনি কৰাৰ পাছতেই উপভোক্তাৰ পঞ্জীয়নভুক্ত ফোন নম্বৰত এছএমএছৰ জৰিয়তে বেংক একাউণ্টৰ বেলেঞ্চৰ সবিশেষ প্ৰদান কৰিব বেংক কৰ্তৃপক্ষই। উল্লেখ্য যে কেৱল বেংকৰ বেলেঞ্চ পৰীক্ষা কৰাই নহয়, এজন জমাকাৰীয়ে আধাৰ নম্বৰ ব্যৱহাৰ কৰি টকাও পঠিয়াব পাৰে। লগতে আধাৰ কাৰ্ড ব্যৱহাৰ কৰি চৰকাৰী আঁচনিৰ ৰেহাইৰ বাবেও আবেদন কৰিব পাৰি। স্মাৰ্ট ফোন ব্যৱহাৰ কৰিব নোৱাৰা বয়োজ্যেষ্ঠ লোকসকলৰ বাবেও এই সেৱা যথেষ্ট উপযোগী।

# এই ১০ টা বেংকে আগবঢ়াইছে কম সুতৰ ঋণ




# নতুন ঘৰ ক্ৰয়ৰ পৰিকল্পনা কৰিছে নেকি?

**যোৱা** মাহত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ৰেপ' ৰেট ৫০ বেছিছ পইণ্ট বৃদ্ধি পাই হৈছেগৈ ৫.৪০ শতাংশ। যোৱা দুমাহত মুঠ ১.৪০ শতাংশ বৃদ্ধি পাইছে ৰেপ' ৰেট। ফলস্বৰূপে যিসকলৰ মূৰৰ ওপৰত পূৰ্বৰে পৰা গৃহ ঋণৰ ইএমআইৰ বোজা আছিল তেওঁলোকৰ সেই বোজা আৰু বেছি গধুৰ হ'ব বুলি আশংকা কৰা হৈছে। ৰেপ' ৰেট বৃদ্ধিৰ ফলত মাহেকীয়া ইএমআইৰ ওপৰত কোনো প্ৰভাৱ নপৰিলেও, ঋণৰ ম্যাদ বা কাৰ্যকাল বহু পৰিমাণে বৃদ্ধি পাব বুলি ধাৰণা কৰা হৈছে। আনহাতে, যিসকলে নতুন গৃহ ঋণ লোৱাৰ কথা ভাবিছে তেওঁলোকৰ বাবেও এই মুহূৰ্তত অতিৰিক্ত আৰ্থিক চাপৰ সৃষ্টি হৈছে। যদি আপুনিও গৃহ ঋণ লোৱাৰ বাবে পৰিকল্পনা কৰি আছে, তেন্তে আগতীয়াকৈ আপুনি আপোনাৰ ক্ৰেডিট স্ক'ৰ মূল্যায়ন কৰি লোৱাটো বুদ্ধিমানৰ কাম হ'ব। ৭৫০ৰ ওপৰৰ ক্ৰেডিট স্ক'ৰ আৰু নিয়মীয়া আয় থকা ঋণগ্ৰহণকাৰীয়ে যদি সময়মতে ঋণ পৰিশোধ কৰাৰ প্ৰমাণ থাকে তেন্তে বৰ্তমানে চলি থকা ৫.৪০ শতাংশৰ ৰেপ' ৰেটৰ তুলনাত প্ৰায় ২৫০-২৭৫ বেছিছ পইণ্টৰ কম প্ৰিমিয়ামতে গৃহ ঋণৰ অফাৰ লাভ কৰিব পাৰে বিভিন্ন বেংকৰ পৰা। সেইবাবে যিসকলে নিজৰ সপোনৰ ঘৰটো গৃহ ঋণৰ মাধ্যমেৰে কিনিবলৈ চেষ্টা কৰি আছে, তেওঁলোকে সকলোবোৰ বেংকৰ গৃহ ঋণৰ সুতৰ হাৰ পৰীক্ষা কৰাটোও প্ৰয়োজন। আহকচোন এই মুহূৰ্তত আটাইতকৈ কম সুতৰ হাৰত গৃহ ঋণ প্ৰদান কৰি থকা শীৰ্ষ ১০ টা বেংকৰ ওপৰত চকু ফুৰাও....

**বিভিন্ন বেংকত গৃহ ঋণৰ সুতৰ হাৰ কিমান**

চেণ্ট্ৰেল বেংক ঃ ৭.২০-৭.৬৫ শতাংশ
বেংক অৱ ইণ্ডিয়া ঃ ৭.৮০-৯.৬৫ শতাংশ
বেংক অৱ মহাৰাষ্ট্ৰ ঃ ৭.৮০-৯.৭০ শতাংশ
ইউকো বেংক ঃ ৭.৯০-৮.১০ শতাংশ
ইণ্ডিয়ান বেংক ঃ ৭.৯০-৮.৪০ শতাংশ
পঞ্জাব এণ্ড সিন্ধ বেংক ঃ ৭.৯০-৯.০ শতাংশ
ইউনিয়ন বেংক অৱ ইণ্ডিয়া ঃ ৭.৯০-৯.৪০ শতাংশ
ভাৰতীয় ষ্টেট বেংক ঃ ৮.০৫-৮.৬৫ শতাংশ
আইডিবিআই বেংক ঃ ৮.০-১১.১৫ শতাংশ
কানাৰা বেংক ঃ ৮.০৫-১০.৩০ শতাংশ

# ভাৰতীয় ষ্টেট বেংকৰ গ্ৰাহকৰ বাবে বিশেষ সেৱা

## বেংক বা এটিএমলৈ নোযোৱাকৈ ঘৰৰ দুৱাৰডলিতে পাব নগদ ধন



**সময়ৰ** লগে লগে বেংকিং খণ্ডলৈও বিভিন্ন পৰিৱৰ্তন আহিছে। এতিয়া বেংকৰ বেছিভাগ কামেই অনলাইনযোগে কৰা হয়। কিন্তু গ্ৰাহকক নগদ ধনৰ প্ৰয়োজন হ'লে বেংকৰ শাখা বা এটিএমলৈ গৈ টকা উলিওৱাৰ বাদে আন কোনো বিকল্প নাই। লগতে গ্ৰাহকে বিভিন্ন নথিপত্ৰ সম্পৰ্কীয় বিষয়ৰ বাবেও বেংকলৈ যাবলগীয়া হয়। বেংক বা এটিএমলৈ যাবলগীয়া হোৱাটো সাধাৰণ সুস্থ মানুহ এজনৰ বাবে একো ডাঙৰ কথা নহ'লেও জ্যেষ্ঠ নাগৰিক বা বিশেষভাৱে সক্ষম লোকসকলৰ বাবে বহু সমস্যা আহি পৰে। দেশৰ সৰ্ববৃহৎ আৰু সৰ্বশ্ৰেষ্ঠ চৰকাৰী বেংক ভাৰতীয় ষ্টেট বেংকে এইসকল প্ৰবীণ আৰু বিশেষভাৱে সক্ষম গ্ৰাহকৰ কথা ভাবিয়েই এক বিশেষ সেৱা মুকলি কৰিছে। এই সেৱাৰ নাম হৈছে এছবিআই ডোৰ ষ্টেপ বেংকিং। উক্ত সেৱাৰ জৰিয়তে বিশেষ শ্ৰেণীৰ গ্ৰাহকে ঘৰত বহিয়েই নিজৰ একাউন্টৰ পৰা নগদ ধন উলিয়াব পাৰিব।

এছবিআই ডোৰ ষ্টেপ বেংকিঙৰ সহায়ত ঘৰতে বহি প্ৰবীণ আৰু বিশেষভাৱে সক্ষম গ্ৰাহকে ন্যূনতম এহেজাৰ টকাৰ পৰা সৰ্বাধিক ২০ হেজাৰ টকালৈকে নগদ ধন পাব পাৰে। কিন্তু এইখিনিতে এটা কথা মনত ৰখা উচিত যে যদি গ্ৰাহকৰ একাউন্টত সেই পৰিমাণৰ ধন নাথাকে, তেন্তে উক্ত সুবিধাৰ পৰা বঞ্চিত হ'ব লাগিব।

ভাৰতীয় ষ্টেট বেংকৰ মতে, প্ৰবীণ আৰু বিশেষভাৱে সক্ষম ব্যক্তিসকলে প্ৰতিমাহে তিনিবাৰকৈ এই সুবিধা বিনামূলীয়াকৈ লাভ কৰিব। যদি এই সুবিধা তিনিবাৰতকৈ অধিক ল'ব বিচাৰে তেন্তে ন্যূনতম মাচুল আদায় দিব লাগিব। উল্লেখ্য যে ২০১৮ৰ পৰাই ভাৰতীয় ষ্টেট বেংকে এই সেৱা আগবঢ়াই আহিছে। নগদ ধন উলিওৱাৰ উপৰি ধন জমা কৰা, জীৱন প্ৰমাণপত্ৰ জমা দিয়া, কেৱাইচি জমা দিয়া আদি একাধিক সেৱা ইয়াত উপলব্ধ।

**এছবিআই ডোৰ ষ্টেপ বেংকিং সেৱা কেনেদৰে উপলব্ধ কৰিব**

প্ৰথমে এছবিআই য়'ন' এপটো মবাইলত ডাউনলোড কৰক।

এতিয়া ছাৰ্ভিচেজ ৰিকুৱেষ্ট মেন্যুত ক্লিক কৰক আৰু ডোৰ ষ্টেপ বেংকিং সেৱা বাছনি কৰক।

এতিয়া ধন জমা বা উলিওৱা কোনটো সেৱা ল'ব বিচাৰে সেইটো নিৰ্বাচন কৰক।

উপৰোক্ত নিয়মমতে আবেদন কৰিলেই ঘৰতে বহি এছবিআই ডোৰ ষ্টেপ বেংকিঙৰ সকলো সেৱা উপলব্ধ কৰিব পাৰিব ।

# ভাৰতৰ তথ্য-প্ৰযুক্তি কোম্পানীত দৰমহাৰ বৈষম্য

## সাধাৰণ কৰ্মচাৰী আৰু চিইঅ'ৰ দৰমহাৰ বৃহৎ পাৰ্থক্য

**এটা** কোম্পানীৰ চিইঅ' এজনে যি দৰমহা পায়, এজন সাধাৰণ কৰ্মচাৰীৰ দৰমহা তাতকৈ কম হোৱাটো নিতান্তই স্বাভাৱিক। তেওঁলোকৰ মাজত দৰমহাৰ পাৰ্থক্য থাকিবই। কিন্তু, এই দৰমহা বৈষম্যৰো এটা সীমা থাকে। ভাৰতৰ বিভিন্ন আই টি কোম্পানীয়ে সম্প্ৰতি সেই সীমা অতিক্ৰম কৰিছে। শেহতীয়াকৈ 'ট্ৰেড ব্ৰেইনছ' সংস্থাৰ এক অধ্যয়নত ভাৰতৰ বিভিন্ন আই টি কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু সাধাৰণ কৰ্মচাৰীৰ দৰমহাৰ বৈষম্যৰ এই নিষ্ঠুৰ ছবিখন উন্মোচিত হৈছে।

এই অধ্যয়নত দেখা গৈছে যে কিছুমান কোম্পানীৰ চিইঅ'সকলক সাধাৰণ কৰ্মচাৰীৰ তুলনাত ১১০০ গুণতকৈও অধিক দৰমহা দিয়া হয়। কেৱল সেয়াই নহয়, ক'ভিড মহামাৰীৰ সময়ত বিত্তীয় অনিশ্চয়তা চলি থকাৰ মাজতো বহু কোম্পানীয়ে সাধাৰণ কৰ্মচাৰীৰ দৰমহা সামান্য বৃদ্ধি বা হ্ৰাস কৰাৰ বিপৰীতে চিইঅ'সকলৰ দৰমহা ৩০০ শতাংশতকৈও অধিক বৃদ্ধি কৰিছে।

মুখ্য কাৰ্যবাহী বিষয়া আৰু সাধাৰণ কৰ্মচাৰীৰ দৰমহাৰ বৈষম্য দেখুওৱা কোম্পানীসমূহৰ ভিতৰত টেক মহিন্দ্ৰা শীৰ্ষস্থানত আছে। এই কোম্পানীটোৰ এজন সাধাৰণ কৰ্মচাৰীৰ গড় বাৰ্ষিক দৰমহা হৈছে ৫.২৭ লাখ টকা। বিপৰীতে, কোম্পানীটোৰ মুখ্য কাৰ্যবাহী বিষয়া চি পি গুৰ্ণানীয়ে বাৰ্ষিক দৰমহা লাভ কৰে ৬২.৬ কোটি টকাৰ। অৰ্থাৎ চিইঅ'ই গড় কৰ্মচাৰীতকৈ ১১৮৭ গুণ বেছি দৰমহা পায়। লগতে, বিগত সময়ছোৱাত কোম্পানীটোৱে সাধাৰণ কৰ্মচাৰীৰ দৰমহা কম কৰাৰ বিপৰীতে, গুৰ্ণানীৰ দৰমহা ৩৩৫ শতাংশ বৃদ্ধি কৰিছে।

ইনফোছিছ নামৰ কোম্পানীতো প্ৰায় একেখন ছবি। এই সংস্থাৰ এজন সাধাৰণ কৰ্মচাৰীৰ বাৰ্ষিক দৰমহা ৮.১৪ লাখ টকা। বিপৰীতে কোম্পানীটোৰ চিইঅ' ছালিল পাৰেখৰ দৰমহা ৭০.৯ কোটি টকা, যি হৈছে গড় কৰ্মচাৰীৰ দৰমহাতকৈ ৮৭২ গুণ বেছি। লগতে বিগত সময়ছোৱাত তেওঁৰ দৰমহা ৪৩ শতাংশ বৃদ্ধি পাইছে। বিপৰীতে সাধাৰণ কৰ্মচাৰীৰ দৰমহা মাত্ৰ ১২.৯ শতাংশ বৃদ্ধি পাইছে।

একেদৰে 'লাৰ্চেন এণ্ড টুব্ৰো' কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়া এছ এন সুব্ৰহ্মণ্যৰ বাৰ্ষিক দৰমহা ৬১.২ কোটি টকা। দৰমহা বৃদ্ধি পাইছে ১১৫ শতাংশ। সংস্থাটোৰ এজন সাধাৰণ কৰ্মচাৰীৰ দৰমহা মুখ্য কাৰ্যবাহী বিষয়াৰ তুলনাত ৬৭০ গুণ কম আৰু দৰমহা বৃদ্ধিৰ হাৰ মাত্ৰ ৬.৬৭ শতাংশ।




টিচিএছৰ ক্ষেত্ৰত এই দৰমহাৰ বৈষম্যৰ ছবিখন অৱশ্যে অলপ উন্নত। চিইঅ' ৰাজেশ গোপীনাথনে এজন সাধাৰণ কৰ্মচাৰীৰ বাৰ্ষিক দৰমহাৰ ৩৯৬ গুণ বেছি দৰমহা পায়। তেওঁ বছৰি ২৫.৭ কোটি টকা উপাৰ্জন কৰে। লগতে তেওঁৰ দৰমহা ২৬.৫ শতাংশ বৃদ্ধি পাইছে। বিপৰীতে, ৪.২৪ শতাংশ দৰমহা বৃদ্ধিৰ পাছত এই কোম্পানীটোৰ একোজন সাধাৰণ কৰ্মচাৰীৰ বাৰ্ষিক দৰমহা ৬.৫ লাখ টকা।

মন কৰিবলগীয়া, চিইঅ' আৰু সাধাৰণ শ্ৰমিকৰ মাজত বৃদ্ধি পোৱা দৰমহাৰ এনে বৈষম্য কেৱল এক নৈতিক সমস্যা নহয়। ই এক ব্যৱসায়িক আৰু তাৰ সমান্তৰালভাৱে এক অৰ্থনৈতিক সমস্যাও। কিন্তু কাৰণ যিয়েই নহওক কিয়, স্পষ্টভাৱে ইয়াৰ ফলত সমাজত আৰ্থিক বৈষম্য বৃদ্ধি পাইছে। যিটো দেশৰ সামগ্ৰিক অৰ্থনীতিৰ বাবে ভাল খবৰ নহয়। কাৰণ মধ্যবিত্ত শ্ৰেণীয়েই ভাৰতীয় অৰ্থনীতি চলাই ৰাখিছে। বৃদ্ধি পোৱা অৰ্থনৈতিক বৈষম্য মানে মধ্যবিত্ত শ্ৰেণীৰ ক্ৰয় ক্ষমতা হ্ৰাস পোৱা, যাৰ প্ৰত্যক্ষ প্ৰভাৱ চাহিদা আৰু উৎপাদনত পৰাটো ধ্ৰুৱ।

দেওবৰীয়া দৈনিক
অগ্ৰদূত

# শিৱসাগৰৰ দুৰ্গা পূজা আৰু দৌল্লা পৰিয়াল

ছাইফুল হুছেইন



**আহোমৰ** ৰাজত্বকালত বিশেষ বিশেষ কাৰ্যত পাৰদৰ্শী আঠোটা মুছলমান পৰিয়ালক গৌড়দেশৰ পৰা আমদানি কৰি আনিছিল। ইয়াৰ ভিতৰত খনিকৰ সকলো আছিল। খনিকৰসকলে শিল, কাঠ,মাটি, ধাতু আদিৰে মূৰ্তি গঢ়াৰ উপৰি স্থাপত্য কলাৰো কাম কৰিছিল। এই সকলো খনিকৰ উপাধি লাভ কৰা মুছলমানে আহোমৰ ৰাজত্বকালত বিশেষ সন্মান-পদবী লাভ কৰিছিল। ইছলমা ধৰ্মাৱলম্বী হ'লেও খনিকৰসকলে হিন্দুধৰ্মীয় পূজা-অৰ্চনাক শ্ৰদ্ধা জনাই আহিছে। স্বৰ্গদেউ শিৱসিংহৰ দিনৰ পৰা শিৱসাগৰৰ মুছলমান সম্প্ৰদায়ৰ দৌল্লা পৰিয়ালে শিৱসাগৰ দেৱী দ'লৰ পূজাত শৰাই, বগা ছাগলী আগবঢ়াই আহিছে। দেৱী দ'লত পূজা অংশগ্ৰহণকাৰী মুছলমান পৰিয়ালক ৰজাঘৰে 'দৌল্লা' উপাধি প্ৰদান কৰি সন্মান যাচিছিল। আৰু পূজাৰ প্ৰথমখন প্ৰসাদৰ থাল দৌল্লা পৰিয়ালক দিয়া হৈছিল। দৌল্লা পৰিয়ালৰ বাদেও আন ইচলামধৰ্মী লোকেও দুৰ্গা পূজাৰ কামত সহযোগ কৰিছিল। প্ৰতিমাৰ খনিকৰ, ঢাক-ঢোল, নাগাৰা আদি বজাবলৈ ইছলামধৰ্মী লোকক স্বৰ্গদেউৱে নিয়োগ কৰিছিল। আহোম ৰজাই এক বিশেষ শ্ৰেণীৰ মুছলমান লোকক ঢাক-ঢোল, নাগাৰা আদি বজাবৰ বাবেই 'ঢাকী', 'নেগেৰীয়া' উপাধি প্ৰদান কৰিছিল। বহু মুছলমান পূৰ্বতে হিন্দু আছিল। আৰু বহু মুছলমানে হিন্দু নাৰীক বিবাহ কৰিছিল। আহোম স্বৰ্গদেউসকলৰ ৰাজত্বকালত হিন্দু-মুছলমানৰ সম্বন্ধ সাতামপুৰুষীয়া সম্প্ৰীতিৰে গঢ় লৈ উঠিছিল। হিন্দুৰ দৰে মুছলমান সম্প্ৰদায়ৰ লোকক ৰজাঘৰীয়া বিষয়বাব আৰু উপাধিৰে সন্মানিত কৰিছিল। দেৱী দ'লত পূজাৰ সময়ত মুছলমান সম্প্ৰদায়ৰ এক পৰিয়ালক নাগাৰা বজাবলৈ দি সন্মান যাযিচছিল। দ'লৰ এই পৱিত্ৰ কাৰ্যত এই পৰিয়ালে কৰা সৎকাৰ্যৰ বাবেই এই পৰিয়ালটো 'দৌল্লা' উপাধিৰে পৰিচিত হৈ ইতিহাসত স্থান দখল কৰিবলৈ সক্ষম হৈছিল। অসমৰ ইতিহাসত এনে ধৰণৰ ধৰ্ম-নিৰপেজ্ঞা, সমন্বয়, সম্প্ৰীতিৰ কথা, পৰম্পৰাৰ কথা আছে।' (ৰাজকুমাৰ অজিত নাৰায়ণ সিংহ, যোৰহাট)

আহোম ৰাজত্বকালত দুৰ্গাপূজাই বিশেষ সমাদৰ লাভ কৰে। শিৱাগৰৰ ঘনশ্যাম মন্দিৰৰ মৃন্ময় মূৰ্তি পলকে আহোম যুগৰ দুৰ্গাদেৱীৰ চানেকি দাঙি ধৰে। আহোম বুৰঞ্জীত স্বৰ্গদেউ চুচেনফাৰ আগৰ পৰাই অসমত দুৰ্গাপূজাৰ প্ৰচলন আছিল বুলি উল্লেখ আছে। স্বৰ্গদেউ ৰুদ্ৰসিংহ, শিৱসিংহ, ৰাণী ফুলেশ্বৰী কুঁৱৰী, চুগামফা কোঁৱৰ আদিয়েও মহা ধুমধামেৰে দুৰ্গা পূজা পাতিছিল।

স্বৰ্গদেউ শিৱসিংহ, মহাৰাণী ফুলেশ্বৰী দেৱীৰ উদ্যোগত দুৰ্গা পূজা ধুমধামেৰে প্ৰচলিত হ'বলৈ ধৰিলে। স্বৰ্গদেউ শিৱসিংহৰ দ্বিতীয়া ৰাণী অম্বিকা কুঁৱৰীয়ে ১৭৩৪ চনত দেৱী দ'ল নিৰ্মাণ কৰে। প্ৰতিষ্ঠাকালৰে পৰা আজিলৈকে দেৱী দ'লত দুৰ্গা পূজা চলি আহিছে। প্ৰথমভাগ পূজা স্বৰ্গদেউ শিৱসিংহ আৰু ৰাণী অম্বিকা কুঁৱৰীয়ে বিগ্ৰহ স্থাপন কৰি পশুবলিৰে আৰম্ভ কৰে। এই পূজাত অংশগ্ৰহণ কৰে দৌল্লা পৰিয়ালেও। তাৰো আগৰে পৰা অসমৰ মুছলমান সম্প্ৰদায়ৰ লোকে দুৰ্গা পূজাত অংশগ্ৰহণ কৰাৰ কথা জনা যায়। বজালীৰ ডুবি দেৱালৰ মালিপাৰা গাঁৱত বসবাস কৰা লোকসকল পূৰ্বতে দেৱালয়ৰ দেৱোত্তৰ মাটিৰ ৰায়ত আছিল। তেতিয়া (১৭১৭খ্ৰীষ্টাব্দ)ৰ পৰা এতিয়ালৈকে এইসকল মুছলমান লোকে পূজাত অংশগ্ৰহণ কৰি আহিছে। মোৱামৰীয়া আক্ৰমণৰ সময়ত ১৮ শতিকাৰ শেষলৈ গড়গাঁৱৰ ৰজাঘৰীয়া পূজাভাগ গুৱাহাটীৰ উজান বজাৰলৈ স্থানান্তৰিত কৰা হয় ৰাজ পৰিয়ালৰ অনুগ্ৰহত। আহোম ৰজাদিনীয়া এই পূজাভাগ উজান বজাৰৰ বাৰোৱাৰীত বৰ্তমানলৈকে চলি আহিছে। এই পূজাতো বহু মুছলমান লোকে ভোগ-শৰাই পূৰ্বৰে পৰাই আগবঢ়াই আহিছে। বেলশৰৰ শ্ৰীশ্ৰীবিশ্বেশ্বৰ দেৱালয়ৰ পাইক আছিল ইছলামধৰ্মী লোক। এইসকলে দুৰ্গা পূজাত নিতৌ সন্ধিয়া জিকিৰ গাইছিল। পূজাৰ ভোগ-প্ৰসাদৰ থাল মুছলমান পাইকৰ ঘৰলৈ দিয়া হৈছিল।

মুছলমান পাইকক হিন্দুৰ মন্দিৰ বিলাকতো নিয়োগ কৰিছিল। স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত জয় নামৰ এজন মুছলমান পাইকক নৱগ্ৰহ মন্দিৰৰ বাৰীচোৰা পদত ৰাখিছিল। তেনেকৈ থুনুক আৰু পিয়াৰ গৌৰী বল্লভ দ'লৰ পাইক আছিল।

---

চকলং বিবাহ অনুষ্ঠানত দৰা-কইনাক বংশৰ বুৰঞ্জী পঢ়ি শুনোৱাটো অপৰিহাৰ্য। বৰ্তমান ইয়াৰ কিছু তাৰতম্য হোৱা দেখা যায়। বংশৰ বুৰঞ্জী পঢ়ি শুনোৱাৰ তাৎপৰ্য এয়ে যে তেওঁলোকৰ পূৰ্বপুৰুষসকলে কৰা গৌৰৱপূৰ্ণ কাৰ্যৰ সোঁৱৰণ কৰা। তেওঁলোকে উত্তৰসূৰী হৈ ভৱিষ্যতলৈ আগবঢ়া দিগদৰ্শন মাৰ্গৰ অনুগামী হোৱা। আজিকালি পূৰ্বপুৰুষৰ বুৰঞ্জী পাঠ নকৰিলেও তেওঁলোকক উদ্দেশি প্ৰাৰ্থনা কৰা হয়।

# তাই আহোমৰ চকলং বিবাহ পদ্ধতি

উৰ্ম্মিলা বৰগোহাঁই

**বিবাহ** হৈছে পৰিয়াল তথা সামাজিক পদ্ধতিৰ অন্যতম অবিচ্ছেদ্য অংগ। বিবাহ অবিহনে পৰিয়াল গঠন সম্ভৱ নহয়। মানুহৰ জীৱনত তিনিটা কাৰ্য অপৰিহাৰ্যভাৱে সংঘটিত হয়। সেয়া হৈছে জন্ম, বিবাহ আৰু মৃত্যু। পৃথিৱীৰ বিভিন্ন সমাজত বিভিন্ন প্ৰকাৰৰ বিবাহ পদ্ধতি দেখিবলৈ পোৱা যায়। আনকি একেখন সমাজতে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ বিবাহ প্ৰথা প্ৰচলন হোৱা দৃষ্টান্তও আছে।

বিবাহ অনুষ্ঠান সংস্কৃতিৰ ভিতৰুৱা। ইয়াৰ লগত জড়িত হৈ আছে কিছুমান ধৰ্মীয় ৰীতি-নীতি। বৈদিক প্ৰথা মতে হোম পুৰি অসমৰ বৰ্ণ হিন্দুসকলে বিবাহ অনুষ্ঠান কৰে। অগ্নিক সাক্ষী কৰি বেদৰ মন্ত্ৰ উচ্চাৰণেৰে বিবাহ অনুষ্ঠান কৰোতে চৌপাশে এক পৱিত্ৰ পৰিৱেশে বিৰাজ কৰে।

জীৱন পৰিক্ৰমাত বিবাহেই হৈছে লেখত ল'বলগীয়া অনুষ্ঠান য'ত এজন পুৰুষ আৰু এগৰাকী নাৰীয়ে যুগ্ম জীৱন আৰম্ভ কৰে। দুটা পৰিয়ালৰ মিতিৰ-কুটুম্বৰ ডোলেৰে বান্ধ খায়। সকলো ৰীতি-নীতি, সংস্কাৰ বিবাহেই প্ৰধান আৰু অন্যতম।

তাই আহোমসকলেও পৰম্পৰাগতভাৱে বহু অনুষ্ঠান স্বকীয় ৰীতি-নীতিৰে পালন কৰে। তেওঁলোকৰো বিবাহ উৎসৱৰ নিজস্ব পদ্ধতি আছে। এই সুকীয়া পদ্ধতিক তাই আহোম ভাষাত 'চকলং' বোলে। তাই ভাষাত চকলং মানে বিয়া। চকলং হৈছে ত্ৰিজগতৰ দেৱ-দেৱীসকলক সাক্ষী কৰি পতি-পত্নীৰ সম্বন্ধ ঘটোৱা বৈবাহিক জীৱনৰ একমাত্ৰ আনুষ্ঠানিক সংকল্প। এই বিবাহ আহোমসকলৰ বিশেষ বৈশিষ্ট্যপূৰ্ণ বৈবাহিক প্ৰথা য'ত আহোম পুৰোহিত, শাস্ত্ৰ আৰু তাই ভাষা মাধ্যমেৰে অনুষ্ঠিত কৰা হয়। চকলং তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা হয়। আহোমসকলৰ মত বিশ্বাসক্ৰমে চকলং পদ্ধতিৰে যুগ্ম জীৱনৰ পাতনি মেলিলে জীৱন সুমধুৰ হয় আৰু সংসাৰ বহুতখিনি সংঘাতৰ পৰাও ৰক্ষা পৰে। আহোম বিবাহ পদ্ধতিত ফ্ৰা-ত্ৰা অৰ্থাৎ পূৰ্ণ ব্ৰহ্মক সাক্ষী কৰি আহোম ভাষাৰ মন্ত্ৰৰে ১০১ গছি বন্তি প্ৰজ্বলনেৰে প্ৰদীপ দানৰ মন্ত্ৰৰে দেৱ-দেৱীসকলক প্ৰাৰ্থনা কৰে। বিয়াৰ ৰীতি-নীতিও সম্পূৰ্ণ বাস্তৱধৰ্মী।

আহোমসকলে দৰাৰ বাবে কইনা খুজিবলৈ আহোতেও মাননি শৰাই আগবঢ়ায়। কইনা খুজি জোৰণ পঠিওৱা কথা দেওধাই বুৰঞ্জীত উল্লেখ আছে।

হিন্দুধৰ্ম গ্ৰহণৰ পাছত হিন্দু প্ৰথাৰে বিবাহ সম্পন্ন কৰিলেও চকলং পদ্ধতি এৰি দিয়া নাই। শ্ৰীশ্ৰী শংকৰগুৰুৰ শৰণাপন্ন হৈও বহুতে নাম-কীৰ্তন প্ৰসংগৰেও বৰ্তমান বিবাহ কাৰ্য সম্পন্ন কৰি আহিছে। মৰল বা মণ্ডপ চকলং পদ্ধতিৰে আহোমসকলে পতা বিবাহৰ বাবে মৰল অপৰিহাৰ্য। এই মৰল সাতোটা ৰঙেৰে সৰল চক্ৰ আৰু পদ্মচক্ৰ এই দুই ধৰণে সজোৱা হয়। মৰলৰ চাৰিসীমা বালিৰে আঠকোণীয়াকৈ বান্ধি আঠোটা কোণত আঠটা কলপুলি ৰোৱা হয়। পাছত মৰলত ১০১ গছি বন্তি প্ৰজ্বলন কৰি পুৰোহিত মলুঙে মন্ত্ৰ পাঠ কৰি এঞাপুলক কৰি অথাৎ পানী জাৰি দৰা-কইনাক বহুৱাই চকলং কইনাৰ ঘৰত আৰম্ভ কৰে। বিশেষকৈ আহোমসকলৰ উপাস্য দেৱতা লাংকুৰি-জানছাইহুম, লাৰেং, ফা-নুন্ধ-লেংডন জাছিংফাক বিবাহ উপলক্ষে সেৱা জনায়। আহোমসকলৰ সাঁচিপতীয়া পুথিসমূহত নিয়ম-নীতি, মন্ত্ৰ আদি লিপিবদ্ধ আছে।

চকলং বিবাহ অনুষ্ঠানত দৰা-কইনাক বংশৰ বুৰঞ্জী পঢ়ি শুনোৱাটো অপৰিহাৰ্য। বৰ্তমান ইয়াৰ কিছু তাৰতম্য হোৱা দেখা যায়। বংশৰ বুৰঞ্জী পঢ়ি শুনোৱাৰ তাৎপৰ্য এয়ে যে তেওঁলোকৰ পূৰ্বপুৰুষসকলে কৰা গৌৰৱপূৰ্ণ কাৰ্যৰ সোঁৱৰণ কৰা। তেওঁলোকে উত্তৰসূৰী হৈ ভৱিষ্যতলৈ আগবঢ়া দিগদৰ্শন মাৰ্গৰ অনুগামী হোৱা। আজিকালি পূৰ্বপুৰুষৰ বুৰঞ্জী পাঠ নকৰিলেও তেওঁলোকক উদ্দেশি প্ৰাৰ্থনা কৰা হয়। আহোমসকলৰ বিবাহ কাৰ্যৰ তিনি-চাৰি দিনৰ আগেয়ে ন-পুৰুষৰ চাউল খুওৱা নিয়ম। আহোমসকলে উপৰি পুৰুষৰ ন-পুৰুষ অৰ্থাৎ নজন পুৰুষক স্মৰণ কৰি নজন মূল ভকত সহিতে আত্মীয়-স্বজনে দৰাঘৰ আৰু কইনাঘৰ উভয়তে ভোজভাতৰ আয়োজন কৰে। ন-পুৰুষৰ চাউল খুওৱাৰ আগতে মৃতক দেৱতাক তৰ্পণ কৰে। তাই আহোমসকলৰ ঘৰত বৰঘৰৰ এটা কোণত এডোখৰ ঠাই আছুতীয়াকৈ ৰখা হয়—য'ত 'ডাম-ফি-ৰেণক্স' বা মৃতক দেৱতা থাকে বুলি বিশ্বাস কৰা হয়। যিকোনো শুভ কামৰ আগতে আৰু বিহু, ন-খোৱা, বিবাহ আদিত ডামৰ প্ৰতি পৰিয়ালৰ সকলোৱে ভক্তিৰে মূৰ দোৱাই আৰু জীৱন কালত ভোগ কৰা সকলো সামগ্ৰী মৃতকসকললৈ আগবঢ়ায়। ইয়াক শলিতা লগোৱা বুলিও কয়। পুলিন পুথাওৰ পৰা পোলনসকলে জীৱনৰ শান্তি সমৃদ্ধিৰ বাবে আশিস ভিক্ষা কৰে।

বিয়াৰ আগদিনা দৰা-কইনা উভয় ঘৰতে দেওবান কৰে। এই দেওবানত আহোমসকলৰ ইষ্ট গুৰু লাংকুৰি জান ছাইহুং, লেংডন, জাছিংফা এইসকলক তামোল-পাণৰ শৰাই আগবঢ়াই বিবাহ কাৰ্য সুকলমে সম্পন্ন হৈ যাবলৈ আৰাধনা কৰে। পুৰোহিতে ইয়াৰ উপৰি ঘৰৰ মৃতকসকলক এখন, ভকতসকলক এখন, গোপিনীসকলক এখন তামোল-পাণৰ লগতে চিংকৰা ফুলসহ একোখনকৈ শৰাই আগবঢ়ায়। এনেদৰে শৰাই আগবঢ়াই তাই ভাষাত মন্ত্ৰ আওৰায়। ইয়াকে দেওবান বোলে। দেওবানত পুৰোহিতে উপৰি পুৰুষসকলক আৰাধনা কৰি দৰা-কইনাৰ যুগ্ম জীৱন সুন্দৰ আৰু সুখৰ হ'বৰ বাবে আশীৰ্বাদ বিচাৰে।

আহোমসকলে বিবাহৰ দুদিন পূৰ্বে জিলাধিপতি খাওখাম দেৱতাক পূজা দি মন্ত্ৰ পাঠ কৰি খনঞ্জ বা আয়ুস তোলে। ইয়াৰ বাবে দুই তিনিজন পুৰোহিতে দুই তিনিখনকৈ জাকৈ লৈ নৈ, বিল বা পুখুৰীৰ পানীত তামোল-পাণ, হাঁহকণী, নিমখ, আদা, মিঠাতেল সনা আৰৈ চাউলৰ প্ৰসাদ, তুলসী ফুলেৰে নৈবেদ্য খাওখাম দেৱতালৈ পূজা আগবঢ়াই আৰু তাই ভাষাত মন্ত্ৰপাঠ কৰে।

বিবাহৰ এক অন্যতম গুৰুত্বপূৰ্ণ অনুষ্ঠান হৈছে জোৰণ বা টেকেলি দিয়া। দৰাৰ ঘৰৰ পৰা কইনাঘৰলৈ কইনাৰ সাজকাপোৰ, আ-অলংকাৰ দিবলৈ দৰাৰ মাক, আত্মীয়-স্বজনে বিয়াৰ তিনিদিন, পাঁচদিন বা সাতদিনৰ আগেয়ে কইনাৰ ঘৰলৈ যায়। কইনাৰ ঘৰত মৰল সাজি ৰভা দি জোৰণ আদৰিবলৈ সকলো সাজু হৈ থাকে। জোৰণত দিবলগীয়া কাপোৰ, আ-অলংকাৰ আদি মৰলৰ মাজত থৈ তাই ভাষাত প্ৰাৰ্থনা কৰে। দৰাঘৰীয়া মানুহৰ স'তে কইনাক সমাজত বহুৱাই আগত দৰাঘৰৰ পৰা নিয়া জোৰণৰ টেকেলি সোঁহাতে দৰাৰ কাৰণে ৰখা টেকেলি থোৱা হয়। কইনাই মাহ-হালধি বটা বাটি চুই দিয়ে আৰু দৰাঘৰৰ বাবে মাহ-হালধি লৈ আহে। বৰ আড়ম্বৰপূৰ্ণভাৱে দৰা-কইনা উভয় ঘৰতে দৰাৰ মাক আৰু আত্মীয়-স্বজন, কইনাৰ মাক আৰু আত্মীয়-স্বজন মিলি বিয়াৰ নাম গাই বিল বা নদীত পানী তুলিবলৈ যায়। পানী তুলি আনি কলপুলি পুতি, কলপটুৱাৰে সুন্দৰ বেই সাজি দৰা-কইনাক উভয় ঘৰত গা ধোৱা বিয়া নাম গাই নোৱাই গা ধুৱায়। গা ধুই নতুন বস্ত্ৰ পৰিধান কৰি সাতজন বা নজন ভকতক জলপান খোৱাই আশীৰ্বাদ লয়। তাই আহোমসকলৰ বিবাহ পদ্ধতিত কিছুমান অনুষংগিক অনুষ্ঠান আছে। সেয়া হৈছে গাঁঠিয়ন খুন্দা আৰু দৈয়ন দিয়া।

গাঁঠিয়ন গছৰ শিপা ধুই পতাত খুন্দি গুড়ি কৰি মণ্ড বনাই তাৰে দৰা-কইনাৰ কপালত ফোঁট দিয়া হয়। গাঁঠিয়ন খুন্দা পৰম্পৰা কেৱল আহোমসকলৰ মাজতহে প্ৰচলিত প্ৰথা। বিয়াৰ আগদিনা পুৱা দৰা-কইনা উভয় ঘৰতে দৰা-কইনাৰ মাকৰ স'তে পৰিয়ালৰ মহিলাসকলৰ স'তে দৰা-কইনাক নিৰ্দিষ্ট স্থানত বহুৱাই দৈয়ন দিয়ে। দুহাতে দুখিলা পাণ লৈ গাখীৰত জুবুৰিয়াই দৰা-কইনাৰ গালত তিনিবাৰ লগায়। আয়তীসকলে উৰুলি আৰু দৈয়ন দিয়া নাম গায়। তাৰ পাছত আয়তীসকলে পানীতোলা নাম গাই দৰা-কইনা উভয় ঘৰতে নৈ বা বিলৰ পৰা পানী তুলি আনি দৰা ঘৰত দৰাক আৰু কইনা ঘৰত কইনাক গা ধুওৱা নিয়ম। এইদৰে পানী তুলি আনি বিভিন্ন ৰঙেৰে সজোৱা 'ৰুমখ্ৰাম' অৰ্থাৎ বৰবেইৰ তলত বহুৱাই মাহ-হালধিৰে গা ধুৱায়। গা ধুৱাই বৰবেইৰ তলতে এসাজ নতুন কাপোৰ পিন্ধাই ৰভাতলীত পাৰি থোৱা নিৰ্দিষ্ট পাটিত বহুৱায়। সেইদিনা দৰাৰ ঘৰৰ পৰা জোৰণত দিয়া সাজ-কাপোৰ পিন্ধাই কইনা সজোৱা হয়। দৰাকো সেইদৰে নোৱাই-ধুৱাই সাজ পিন্ধাই নিৰ্দিষ্ট স্থানত দৰাই সমাজৰ আগত সেৱা কৰি কইনা আনিবলৈ যাত্ৰা কৰে। কইনাৰ ঘৰৰ মুখত আদৰণি তোৰণত কইনাৰ মাক-দেউতাকে দুনৰি লৈ দৰাক আদৰণি জনায়। ইয়াকে সুৰাগুৰি তোলা বা সৌভাগ্য বোটলা বুলি কয়। দৰা আহোতে বাটত দৰাক আগচি ধৰি দৰা চোৱাৰ নিয়ম আছে। সুৰাগুৰি তোলাৰ পাছত কইনাৰ ঘৰত দৰাক চকলং বেদীৰ ওচৰত বহুৱায়।

চকলং বেদীখন আঠকোণীয়াকৈ সাজি ১০১ গছি চাকিৰ ভিতৰত বাহিৰত পাঁচগছি, বাকী ৯৬ গছি চাকিক ১৬ ভাগত ছয় গছিকৈ সজোৱা হয়। আঠটা কলপুলি আঠটা কোণত দিয়া হয়। এখন শৰাইত কলপাত পাৰি টঙালিসহ হেংদান এখন সজাই ৰখা হয়। আন এখন শৰাইত চিংকৰা ফুল, চাউল, তিল, আখৈ, মাটিকলাই সজাই ৰখা হয়। কইনাক ভিতৰৰ পৰা আনি দৰাৰ বাঁওকাষে বহুৱাই মলুঙে তাই ভাষাত মন্ত্ৰপাঠ কৰে। মূল মলুঙে সহযোগীসকলৰ স'তে চাকি-বন্তি জ্বলাই, ধূপ-ধূনাৰে পৰিৱেশ পৱিত্ৰ কৰে। পুৰোহিত বা মলুঙৰ মন্ত্ৰোচ্চাৰণ, আয়তীসকলৰ নাম গুণৰ মাজত চকলংৰ কাম আৰম্ভ হয়। কইনাদাতাই দৰাক বস্ত্ৰ, অলংকাৰ আৰু আঙঠি পিন্ধাই বৰণ কৰে। ইয়াৰ পাছত মলুঙে দৰাৰ বুঢ়া আঙুলি আৰু কইনাৰ বুঢ়া আঙুলি লৈ জনমিং দিয়ে। জনমিঙৰ অৰ্থ হৈছে এজনৰ অবিহনে কেতিয়াও সংসাৰ নহয়। তাই মন্ত্ৰৰ জৰিয়তে কইনাদান কৰে। তেতিয়াই কইনাই এশ এটা ফুলেৰে গাঁঠি থোৱা মালা দৰাক পিন্ধাই আৰু পাছত দৰাই কইনাক বৰমালা পিন্ধায়।

হেংদান হৈছে ৰাজদণ্ডৰ প্ৰতীক। এই হেংদান কইনাই দুই হাতে ধৰি দৰাৰ ফালে আগুৱাই আহি কয়, 'এই হেংদানেৰে নিজ দেশ, জাতি, পুত্ৰ- পৰিবাৰ, ধন-ঐশ্বৰ্য ৰক্ষা কৰিবলৈ সমৰ্থ হওক।' হেংদান হাতত লৈ দৰাই সন্মুখত প্ৰজ্বলিত মৰল, ধৰ্ম আৰু আপোনালোকক সাক্ষী কৰি 'মই নিজ দেশ, জাতি, পুত্ৰ-পৰিবাৰ, ধন-ঐশ্বৰ্য সকলো ৰক্ষা কৰিবলৈ প্ৰতিজ্ঞা কৰিলোঁ।'

বিবাহ লগ্নত ১০১ গছি জ্বলন্ত বন্তিৰ সন্মুখত দৰাই হেংদান ধৰি প্ৰতিজ্ঞা কৰা নিয়ম পৃথিৱীৰ অন্য জাতিৰ মাজত পোৱা নাযায়। এনে প্ৰতিজ্ঞাই পৰিয়াল, জাতি, দেশৰ প্ৰতি অন্তৰত জাতীয় চেতনা জগাই তোলে। তাই ভাষাত মন্ত্ৰ পাঠ কৰিলেও মলুঙে মাজে মাজে ভাঙনি কৰি ৰাইজক অৱগত কৰে। আনুষ্ঠানিকভাৱে হেংদান প্ৰদান কৰাৰ পাছত কইনাই দুই হাতে কবচ কাপোৰ লৈ দৰাৰ ফালে আগুৱাই আহি কয়, 'হে বঙহৰদেউ এই বস্ত্ৰ অক্ষয় কবচ স্বৰূপে পৰিধান কৰি আপুনি অজেয় হওক।' দৰাই কইনাৰ পৰা কবচ গ্ৰহণ কৰি কয়, 'এই কবচ কাপোৰ টঙালি বান্ধি দেশ ৰক্ষাৰ বাবে শত্ৰু জিনিবলৈ প্ৰতিজ্ঞাবদ্ধ হ'লো।' ইয়াৰ পাছত উপৰি পুৰুষৰ উল্লেখযোগ্য কাহিনী জনোৱা হয়। তাৰ পাছত মলুঙে তাই ভাষাত মন্ত্ৰ মাতি উপদেশ আৰু আশীৰ্বাদ দি বিবাহ কাৰ্য সম্পন্ন কৰে।





---



চহকী কৰি তুলিছে অসমীয়া সংস্কৃতিৰ বৰঘৰ

# চাওতালীৰ বসন্তোৎসৱ 'বাহা পৰৱ'

সৃষ্টিৰ বৈচিত্ৰ্যময়তাৰে উৰ্বৰা হোৱা ধৰাৰ সৌন্দৰ্য পৰিচৰ্যা পৰিপূৰ্ণতাত প্ৰাণ পাই উঠে। সেউজীয়া কোমল পাতৰ স'তে ফুলৰ পাহ আবাল-বৃদ্ধ-বনিতাই পৰিধানেৰে নিজকে অলংকৃত কৰে। চাওতালী গাভৰুৱে ফুল আৰু পাত খোপাত গুজি লয়। যুৱক তথা সমাজৰ সকলোৱেই কাণ, ডিঙি আৰু মস্তকত বসন্তৰ ন-পাত আৰু ফুল গুজি মেৰিয়াই লোৱা বসন্তোৎসৱক উষ্ম আদৰণি জনায়।

ৰমেশ চন্দ্ৰ চৰেণ

**ভূখণ্ডৰ** সত্তা বহন কৰা প্ৰাকৃতিক বাতাবৰণ, জলবায়ু অনুকূলৰ স্বতঃস্ফূৰ্তই ঋতুভেদে ঘটা জীৱন পৰিক্ৰমাৰ বৈশিষ্ট্যপূৰ্ণ আচৰণ সিদ্ধ সকলেই অসমীয়া। অসমৰ জনজাতীয় দৃষ্টিকোণেৰে কৃষিভিত্তিত ৰাজ্যখনত প্ৰকৃতিৰ প্ৰভাৱান্বিত চাৰিত্ৰিক দিশ আৰু ভূভাগত থকা অচাক্ষুষ অন্তৰ্বৰ্তীয় প্ৰাকৃতিক আকৰ্ষণে ক্ৰিয়া কৰে অসমীয়া জাতিক। বসন্তই ধাৰণ বহন কৰা সৃষ্টিৰ বিকাশশীলতা পৰিপূৰ্ণতাৰ আধাৰ স্বৰূপ। চিৰাচৰিতভাৱে প্ৰকৃতিৰ আহ্বানে সৃষ্টিৰ তাত্বিকতা নিহিত হোৱা জনজাতিসকলৰ ওপৰত প্ৰভাৱ পৰা অষ্ট্ৰিক গোষ্ঠীৰ অনাৰ্য বংশোদ্ভৱ চাওতালী সকলো ব্যতিক্ৰম নহয়। আদিম প্ৰবৃত্তিৰ ধাৰা বৰ্তমানেও জনগোষ্ঠীটোৰ মাজত বিৰাজমান। অন্যান্য জাতি-জনজাতিয়ে অগ্ৰগামী হোৱাৰ বিপৰীতে এই জনগোষ্ঠীয়ে অনগ্ৰসৰতাৰ শাৰীত অৱস্থান গ্ৰহণ কৰিব বিচৰা বিপৰীতমুখী চলনো বিশেষ মন কৰিবলগীয়া। চাওতালীসকলে 'সাৰি সাৰণা' ধৰ্ম পালন কৰা অৰ্থাৎ প্ৰকৃতিক পূজ্যৰূপত স্থান দি আহিছে। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগতো চাওতালী জনগোষ্ঠীয়ে প্ৰকৃতিময় পৰিৱেশত কৃষিৰ স'তে জড়িত হোৱা জীৱনৰ গতি আগুৱাই নিয়া পৰিলক্ষিত হয়। ঋতুভেদে প্ৰকৃতিয়ে সাজ সলোৱাৰ দৰে এই জনগোষ্ঠীটোৱে সময়ত প্ৰকৃতিৰ স'তে পৰিৱৰ্তনীয় সাজ সলোৱাৰ বাবে তৎপৰ হৈ উঠে। ন-সাজেৰে পূৰ্ণ যৌৱনা হোৱা বসন্ত ঋতুয়ে কৃষি প্ৰধান জাতিটোৰ ওপৰতো পূৰ্ণ মাত্ৰাত প্ৰভাৱ পেলায়। ন-সেউজীয়া পাতে- ফুলে পূৰ্ণ জোন সদৃশ সাজোন- কাচোনেৰে পৰমানন্দৰ সুখ বিচাৰি বসন্তৰ উৎসক যেন বিচাৰি উজুটি খায় চাওতালীসকলে। সৃষ্টিৰ বৈচিত্ৰ্যময়তাৰে উৰ্বৰা হোৱা ধৰাৰ সৌন্দৰ্যৰ পৰিচৰ্যা পৰিপূৰ্ণতাত প্ৰাণ পাই উঠে চাওতালীৰ বসন্তোৎসৱ 'বাহা পৰৱ'ত। সেউজীয়া কোমল পাতৰ স'তে ফুলৰ পাহ আবাল-বৃদ্ধ-বনিতাই পৰিধানেৰে নিজকে অলংকৃত কৰে। চাওতালী গাভৰুৱে ফুল আৰু পাত খোপাত গুজি লয়। যুৱক তথা সমাজৰ সকলোৱেই কাণ, ডিঙি আৰু মস্তকত বসন্তৰ ন-পাত আৰু ফুল গুজি মেৰিয়াই লোৱা বসন্তৰ বাহা উৎসৱক উষ্ম আদৰণি জনায়।

চাওতালীসকলে বাহা পৰৱক আদৰিবৰ বাবে এই উৎসৱ সুন্দৰ প্ৰকৃতিময় পৰিৱেশৰ নিৰিবিলি নিৰ্জন স্থানত উদ্‌যাপন কৰে। এক কথাত নিভাঁজ প্ৰকৃতিৰ স'তে একাত্ম হয় চাওতালী লোকসকল। প্ৰকৃতিৰ পৰিৱেশে ৰিঙিয়াই মতা সৌন্দৰ্যময় পৰিৱেশত চাওতালী সমাজে অতি আগ্ৰহেৰে আৰু আনন্দৰে বাহা পূজা পৰ্ব আয়োজন কৰে আৰু চাওতালসকলৰ পুৰোহিতে (নাইকে) সম্পন্ন কৰে এই পূজা। শিৱলিংগ স্বৰূপ শিলক পূজ্য ৰূপত উপস্থাপনেৰে জল, পুষ্প আৰু পূজাত বলি দিয়া মুৰ্গী মাংসৰে বনোৱা 'চুঞ্জদোকা' অৰ্থাৎ খিচিৰি আৰু পিঠাপনাৰে পূজা পৰ্ব সমাপন কৰে। গছৰ ন-পাত আৰু ফুলৰ পাহ পৰিধান কৰি নৃত্য-গীতেৰে বসন্তৰ বাহা পৰৱক ন-মাত্ৰা প্ৰদান কৰা পৰিলক্ষিত হয়। বিনন্দীয়া সুৰ-গীত-নৃত্যৰে ছন্দোময় গতিৰ লহৰত চাওতালসকলৰ জীপাল হৈ পৰে শৰীৰ-মন-প্ৰাণ। প্ৰেম, ভক্তি আৰু শ্ৰদ্ধাক আগস্থান দিয়া দেখা যায় এই পৰৱত। বিভিন্ন ধৰণৰ জুতি লগা জনজাতীয় উপাদেয় খাদ্য সামগ্ৰীৰে ভোজন পৰ্ব চলে। 'বাহা' পৰ্বৰ গীত আৰু জাগৰণ নৃত্য নাটিকা তথা গৃহস্থী গোসাঁই পৰিক্ৰমা গীত-নৃত্যও উল্লেখনীয়। আনহাতে, সন্ধিয়াৰ পৰা দুপৰ নিশা পৰ্যন্ত সামাজিকভাৱে সকলোৱে বসন্তৰ 'বাহা' উৎসৱত নৃত্য-গীত পৰিৱেশন কৰে। এয়া আধ্যাত্মিক ভাবৰ গীত আৰু বাদ্যৰ সমাহাৰ ঘটা আন এক মাংগলিক ধৰ্মীয় পৰ্ব। চাওতালী পুৰোহিতে (নাইকে) সকলোকে আশীৰ্বাদ প্ৰদান কৰে। তদুপৰি বিভিন্ন ধৰণৰ দুঃসাধ্য ক্ৰীড়া প্ৰতিযোগিতাও অনুষ্ঠিত হয় বাহা উৎসৱত । বাহা গীতৰ সন্মোহিত সুৰ আৰু মাদলৰ তালত হিয়া মন হেন্দোলিত হয়। শান্তি-সম্প্ৰীতি- একতাৰ ডোলেৰে বান্ধ খোৱা সংস্কৃতিময় অসম। প্ৰকৃতি নিৰ্ভৰ একোখন সমাজৰ শৃংখলাবদ্ধতা আৰু প্ৰকৃতিৰ প্ৰতি কৃতজ্ঞতা প্ৰদৰ্শনৰে উদ্‌যাপিত এই বহা উৎসৱৰ স'তে ৰাজ্যখনৰ কৃষি আৰু প্ৰকৃতি নিৰ্ভৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ উৎসৱসমূহৰ মাজত এক সাদৃশ্য আছে। এই সাদৃশ্যতাই ৰাজ্যখনৰ জাতি-জনজাতি তথা জনগোষ্ঠীসমূহৰ মাজত বৈচিত্ৰ্যৰ মাজেৰে ঐক্যৰ এক বিনন্দীয়া চানেকিও তুলি ধৰিছে। ৰাজ্যখনৰ বিভিন্ন জাতি-জনগোষ্ঠী ভাষা-ভাষী বৰ্ণ ধৰ্ম নিৰ্বিশেষে সাংস্কৃতিক কলাই পূৰ্ণতা পোৱা চাওতালীসকলৰ বাহা পৰৱে নিশ্চয়কৈ অসমৰ সংস্কৃতিৰ বৰঘৰ চহকী কৰিব।

*ফোন ঃ ৯৪৩৫৬০২৪২৫*



# বিবেকানন্দ বিদ্যালয়ত ব্যক্তিত্ব বিকাশ শিবিৰ

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ১০ ছেপ্টেম্বৰ ঃ** বোকাখাত বহিখোৱাত অৱস্থিত বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ত কালি এটা ব্যক্তিত্ব বিকাশ শিবিৰ অনুষ্ঠিত হয়। স্বামী বিবেকানন্দৰ ব্যক্তিত্ব সম্পৰ্কে বোকাখাত প্ৰেছ ক্লাবৰ সভাপতি, জ্যেষ্ঠ সাংবাদিক ভবানন্দ কলিতাই মূখ্য বক্তাৰূপে অংশগ্ৰহণ কৰে। বৰ্তমান সময়ত স্বামী বিবেকানন্দৰ আদৰ্শ যথেষ্ট প্ৰাসংগিক বুলি কয়। বিবেকানন্দ কেন্দ্ৰ কাৰ্বি আংলং আৰু গোলাঘাট জিলা বিভাগ প্ৰমুখ্যে তথা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অভিযন্তা গীতা মেদকে বিশিষ্ট অতিথিৰূপে ভাগ লয়। বিদ্যালয়ৰ অধ্যক্ষ জ্যোতিবিকাশ শৰ্মাই সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে তিনি শতাধিক ছাত্ৰ-ছাত্ৰী আৰু ১২ গৰাকী শিক্ষক-শিক্ষয়িত্ৰী থকা বিদ্যালয়ৰ মুখ্য কাৰ্যালয় কন্যাকুমাৰীত অৱস্থিত।

# নাহৰকটীয়া শাখা সাহিত্য সভাৰ 'কবি প্ৰণাম' পালন



অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ১০ ছেপ্টেম্বৰ ঃ** অসমীয়া কাব্য জগতৰ অন্যতম কবি পথাৰৰ কবি খ্যাত অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি, নাহৰকটীয়া শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অসম কবি সন্মিলনৰ প্ৰতিষ্ঠাপক সভাপতি ৰাম গগৈৰ ২৮ সংখ্যক মৃত্যু বাৰ্ষিকী দিনটো যোৱা ন ছেপ্টেম্বৰত নাহৰকটীয়া শাখা সাহিত্য সভাই 'কবি প্ৰণাম' ৰূপে পালন কৰে। এই উপলক্ষে শাখা সাহিত্য সভাৰ ভৱনত অনুষ্ঠিত অনুষ্ঠানত পুৱা কবিজনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে শাখাৰ সভাপতি প্ৰশান্ত কুমাৰ গগৈয়ে। প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে শাখাৰ জেষ্ঠ সদস্য কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহ জয়ানন্দ বৰুৱাই। অনুষ্ঠানৰ লগত সংগতি ৰাখি ৰাম গগৈ সোঁৱৰণী শাখাৰ প্ৰাচীৰ পত্ৰিকা 'উত্তৰণ'ৰ তৃতীয় সংখ্যা উন্মোচন কৰে শাখাৰ কোষাধ্যক্ষ তথা নাহৰকটীয়া মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ প্ৰকাশ শৰ্মাই। তেওঁ ৰাম গগৈৰ ব্যক্তিত্বৰ লগতে কবিতাৰ সম্পৰ্কে বক্তব্য আগবঢ়ায়। চমু বক্তব্যৰে ৰাম গগৈৰ কবিতা পাঠ কৰে শাখাৰ প্ৰাক্তন সভাপতি ৰেজিয়া বেগমে। অনুষ্ঠানত ৰাম গগৈৰ বিখ্যাত 'পথাৰ' কবিতাটো পাঠ কৰে সভাপতি প্ৰশান্ত কুমাৰ গগৈয়ে। এই চমু অনুষ্ঠানত শাখাৰ প্ৰাক্তন উপ-সভাপতি ব্ৰীজমোহন আগৰৱালা, প্ৰাক্তন সম্পাদক লৱণু শইকীয়া, আজীৱন সদস্য ইমদাদ চৌধুৰী 'কাজল', কাৰ্যনিৰ্বাহ অঞ্জলি চলিহা আদি উপস্থিত থাকে। অনুষ্ঠানৰ আঁত ধৰে শাখাৰ সম্পাদক উমানন্দ গগৈয়ে। শেষত সভাপতিয়ে ৰাম গগৈৰ কবিতা তথা সৃষ্টিশীল সাহিত্যক নতুন প্ৰজন্মৰ মাজত প্ৰচাৰ আৰু প্ৰসাৰৰ ওপৰত গুৰুত্ব দিয়ে। অনুষ্ঠান সামৰণি মাৰে অসম সংগীতেৰে।

# বাইহাটা-কমলপুৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ পঞ্চম প্ৰতিষ্ঠা দিৱস সম্পন্ন

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ১০ ছেপ্টেম্বৰ ঃ** কালি কামৰূপ জিলাৰ বাইহাটা-কমলপুৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ পঞ্চম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। সন্মিলনৰ কাৰ্যকৰী সভাপতি লোহিত চন্দ্ৰ ডেকা আৰু সম্পাদক অৰুণ চন্দ্ৰ মজুমদাৰে অৱগত কৰা মতে, দিনজোৰা কাৰ্যক্ৰমণিকাৰে বাইহাটা শিৱ মন্দিৰ প্ৰাংগণত অনুষ্ঠিত উক্ত পঞ্চম প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী অনুসৰি, পুৱা ন বজাত পতাকা উত্তোলন কৰে বাইহাটা-কমলপুৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি ৰমেন চৌধুৰীয়ে। ৯-৩০ বজাত গছপুলি ৰোপণ কৰে সন্মিলনৰ জ্যেষ্ঠ সদস্য খগেন মালি আৰু প্ৰফুল্ল দাসে । ১০ বজাত বন্তি প্ৰজ্বলন কৰে কামৰূপ জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি নৰেন শৰ্মাই । ১০-৩০ বজাত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কবিতা আবৃত্তি, সাধুকথা আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।প্ৰতিযোগিতাসমূহৰ পাছতে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এখন মুকলি সভাৰ আয়োজন কৰা হয় । কমলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা বাইহাটা-কমলপুৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি ৰমেন চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত এই মুকলি সভাৰ কাৰ্যসূচীত 'শিশুৰ শিক্ষাৰ অধিকাৰ আৰু সুৰক্ষা' শীৰ্ষক এখন আলোচনাচক্ৰও অনুষ্ঠিত হৈ যায় । এই আলোচনাচক্ৰত আলোচকৰূপে উপস্থিত থাকে আৰ্য কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° জয়কান্ত শৰ্মা, কামৰূপ জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সাধাৰণ সম্পাদক বীৰেন্দ্ৰ নাথ শৰ্মা আৰু কমলপুৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য বিষয়া ডাঃ ডিম্বেশ্বৰ শৰ্মা ।

# দেৰগাঁৱত সুধাকণ্ঠৰ ওপজা দিন উদ্‌যাপন

**দেৰগাঁও, ১০ ছেপ্টেম্বৰ ঃ** সুধাকণ্ঠ, ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ ওপজা দিনটো দেৰগাঁৱতো কালি উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। সুধাকণ্ঠৰ একান্ত অনুৰাগী, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ প্ৰশান্ত প্ৰদীপ হাজৰিকাৰ বিশেষ উদ্যোগ আৰু একাংশ সংগীত শিল্পীৰ সহযোগত প্ৰতিবছৰে উদ্‌যাপন কৰি অহাৰ দৰেই এইবাৰো দেৰগাঁও পৌৰসভা ভৱনৰ প্ৰাংগণত ভূপেন হাজৰিকাৰ ওপজা দিন বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হয়। সেই অনুসৰি, ষষ্ঠদৰ্শৰ বাবে উদ্‌যাপন কৰা জন্মদিৱসৰ অনুষ্ঠানৰ আৰম্ভণিতে বৰেণ্য শিল্পীজনৰ প্ৰতিচ্ছবিৰ আগত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে দেৰগাঁৰৰ পৌৰনেত্ৰী ৰূপাঞ্জলি বৰাই। বিশিষ্ট সমাজসেৱীকা ৰাজশ্ৰী বৰাই এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ভাগলৈ সুধাকণ্ঠৰ সৃষ্টিৰাজি তথা কৰ্ম জীৱনৰ ওপৰত আলোকপাত কৰি অমৰ শিল্পীজনক সোঁৱৰণ কৰে। ইয়াৰ পাছতে, বিশিষ্ট সংগীত শিল্পী স্বপ্না মহন্তৰ নেতৃত্বত দেৰগাঁও গান্ধৰ্ব সংগীত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সমবেত সংগীতেৰে আৰম্ভ কৰা সাংস্কৃতিক সন্ধিয়াত দেৰগাঁৱৰ শিল্পী ক্ৰমে কুণ্ডন উপাধ্যায়, কুমিজ হাজৰিকা, উৎপল ঠাকুৰ, বাসৱ বৰবৰা, অভিলাষ বৰপূজাৰী, পূজা ভূএগ্য, প্ৰশান্ত প্ৰদীপ হাজৰিকা প্ৰমুখ্যে কে'বাজনো বিশিষ্ট শিল্পী আৰু গান্ধৰ্ব সংগীত মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে সুধাকণ্ঠৰ যুগজয়ী গীত পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে।

# বৰভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ১০ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত বৰভাগ আঞ্চলিক ছাত্ৰ সন্থাই কাইলৈ ছেপ্টেম্বৰত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বৃহত্তৰ বৰভাগ অঞ্চলৰ বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা বিশেষ কৃতিত্ব অৰ্জন কৰা কৃতী ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱাৰ বাবে বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰিছে। বৰভাগ মহাবিদ্যালয় প্ৰাংগণত দিনৰ ১১ বজাত অনুষ্ঠিত হ'ব লগা অভিনন্দন অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষানুষ্ঠানৰ মুৰব্বীসকলকো সম্বৰ্ধনা জনোৱা হ'ব।

# ফকিৰাগ্ৰাম সমষ্টিৰ কালঝাৰ ভিচিডিচিত অধ্যক্ষ-সদস্যৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ

## অপসাৰণৰ দাবী সাধাৰণ ৰাইজৰ

অগ্ৰদূত বাৰ্তা

**ফকিৰাগ্ৰাম, ১০ ছেপ্টেম্বৰ ঃ** যি সময়ত বিজেপি নেতৃত্বাধীন চৰকাৰখনে দুৰ্নীতি নিৰ্মূল কৰিবলৈ অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে তেনে সময়ত কোকৰাঝাৰ জিলাৰ দোতমা উন্নয়ন খণ্ডৰ অধীন ফকিৰাগ্ৰামৰ কালঝাৰ ভিচিডিচিত পিএমএ ওৱাই গৃহ আবন্টনৰ নামত অধ্যক্ষ আৰু সদস্য চাৰি পাঁচ হেজাৰকৈ টকা উৎকোচ লোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। সেইহেতুকে অধ্যক্ষ আৰু সদস্যক অপসাৰণৰ দাবী উত্থাপন কৰিছে সাধাৰণ ৰাইজে । কালঝাৰ ভিচিডিচিৰ গুৱাবাৰী গাঁৱৰ ৰাইজে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি ভিছিডিছিৰ অধ্যক্ষ ইলিয়াচ আলী আৰু সদস্য জয়নালক অপসাৰণৰ দাবী উত্থাপন কৰিছে চৰকাৰৰ ওচৰত। উল্লেখ্য যে অধ্যক্ষজন যিকোনো চৰকাৰী আঁচনিৰ নামত হিতাধিকাৰীৰ পৰা টকা বিচাৰি হাৰাশাস্তি দিয়ে বুলি প্ৰতিবাদী জনতাই জানিব দিয়ে । অধ্যক্ষজনৰ অৰুণোদয়কে ধৰি যিকোনো আঁচনিৰ নামত সাধাৰণ জনতাৰ পৰা টকা বিচাৰি আহিছে আৰু টকাৰ বিনিময়ত আচল হিতাধিকাৰীক বঞ্চিত কৰি কিছুমান চাকৰিয়াল পৰিয়ালত অৰুণোদয় প্ৰদান কৰিছে । উল্লেখ্য যে অধ্যক্ষজনৰ বিৰুদ্ধে ৰাইজে প্ৰতিবাদ কৰি আহিছে যদিও চৰকাৰে কি ধৰণৰ পদক্ষেপ লয় সেয়া লক্ষ্যণীয় হ'ব ।

# ডিগবৈত শংকৰ জন্মোৎসৱত আলোচনাচক্ৰৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**ডিগবৈ, ১০ ছেপ্টেম্বৰ ঃ** ডিগবৈৰ ১৯ টা একত্ৰিত হৈ দুই নম্বৰ গোলাইৰ নামঘৰত অনুষ্ঠিত কৰিবলৈ লোৱা শংকৰ জন্মোৎসৱৰ লগত সংগতি ৰাখি এক আলোচনাচক্ৰৰ অনুষ্ঠিত কৰিছে। অহা সাত অক্টোবৰত ডিগবৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক পূৰ্ণানন্দ শইকীয়াৰ সঞ্চালনাত 'পাশ্চাত্য সংস্কৃতিৰ আগ্ৰাসন আৰু শংকৰী সংস্কৃতিৰ ভৱিষ্যৎ' শীৰ্ষক বিষয়ৰ ওপৰত অনুষ্ঠিত হ'বলগীয়া আলোচনাচক্ৰ উদ্বোধন কৰিব বিশিষ্ট অভিনেতা তথা অসম জাতীয় বিদ্যালয়ৰ শিক্ষা সংসদৰ সমন্বয়ক অসীম কৃষ্ণ বৰুৱাই। আলোচক ৰূপে ভাগ ল'ব শিৱসাগৰ বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ অধ্যাপক শান্তনু বুঢ়াগোহাঁই আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক মৃণাল কুমাৰ বৰুৱাই। উক্ত আলোচনাচক্ৰত আয়োজক সমিতিয়ে সমূহ ৰাইজৰ উপস্থিতি কামনা কৰিছে।



আমগুৰিত জীৱন চন্দ্ৰ বৰা কৃতী শিক্ষক বঁটা প্ৰদান অনুষ্ঠানৰ দৃশ্য।

# অভয়েশ্বৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সভা

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১০ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীস্থিত অভয়েশ্বৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনীৰ তদৰ্থ সমিতিৰ এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে সন্মিলনীৰ সভাপতি ৰবেন দাসে আৰু উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক কামাখ্যা প্ৰসাদ ৰায়ে। সভাত ভাষণ প্ৰদান কৰে ৰাজেশ তিৱাৰী, উৎপল নাথ, ৰিতু কুমাৰ দাস, সদানন্দ ৰায়, দীনেশ সৰকাৰ আদিয়ে। এই সভাতেই অভয়েশ্বৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক একগোট কৰাৰ বাবে নাম পঞ্জীয়নৰ ব্যৱস্থা কৰিবৰ বাবে সিদ্ধান্ত লোৱা হয়। এইক্ষেত্ৰত বিদ্যালয়তে সন্মিলনীৰ কাৰ্যালয় এটা মুকলিৰ সিদ্ধান্ত লোৱা হয়। আনহাতে, সমূহ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক ৭০০২০-৩৭৪৬৭ নম্বৰত যোগাযোগ কৰিবলৈ সম্পাদক বিক্ৰম ৰঞ্জন ৰয়ে এক বিবৃতিযোগে অনুৰোধ জনাইছে।

# পাটাছাৰকুছি বিদ্যাপীঠৰ অৱসৰপ্ৰাপ্ত দুই শিক্ষকক বিশেষ সম্বৰ্ধনা

**পাটাছাৰকুছি, ১০ ছেপ্টেম্বৰ ঃ** পাটাছাৰকুছি বিদ্যাপীঠৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদকৰ এটি দলৰ লগতে কে'বাজনো ছাত্ৰই কালি সন্ধিয়া পাটাছাৰকুছি বিদ্যাপীঠৰ অৱসৰপ্ৰাপ্ত নৃপেন্দ্ৰ নাৰায়ণ গোস্বামীৰ নিজ গৃহত উপস্থিত হৈ ফুলাম গামোচা, ফুলৰ থোপা, কলম আৰু সম্বৰ্ধনাপত্ৰ প্ৰদান কৰাৰ লগতে এক অন্তৰংগ আলাপ অনুষ্ঠানত মিলিত হয়। অনুষ্ঠানত উপস্থিত থাকে হেমন্ত ৰয়, ধনজিৎ কুমাৰ শৰ্মা, সমাজকৰ্মী ৰঞ্জিত শৰ্মা, গুণজিৎ দাস আদি ব্যক্তিসকলে বক্তব্য ৰাখে। পাটাছাৰকুছি বিদ্যাপীঠৰ ছাত্ৰ একতাৰ প্ৰাক্তন সাধাৰণ সম্পাদকসকল ক্ৰমে প্ৰকাশ শৰ্মা, ধনজিৎ শৰ্মা, প্ৰকাশ শৰ্মা, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক হেমন্ত গোস্বামী, মথুৰা মোহন গোস্বামী, মনোৰঞ্জন গোস্বামী আদিয়ে তেওঁৰ চৰকাৰী কাৰ্যকালত হোৱা বিভিন্ন অভিজ্ঞতা, ছাত্ৰ-ছাত্ৰীসকলক কেনে ধৰণে শিকাইছিল আৰু কৰ্মৰাজিৰ সম্পৰ্কে আলোকপাত কৰে। উক্ত অনুষ্ঠানৰ আঁত ধৰে পাটাছাৰকুছি বিদ্যাপীঠৰ সাধাৰণ সহকাৰী শিক্ষক খনীন শৰ্মায়ে। ইপিনে পৰহি



পাটাছাৰকুছি বিদ্যাপীঠৰ ৰাজ্যিক পুৰস্কাৰপ্ৰাপ্ত কৃতী অৱসৰপ্ৰাপ্ত শিক্ষক দেবেন্দ্ৰ নাথ শৰ্মাৰ গুৱাহাটীস্থিত লখৰাৰ নিজ বাসগৃহত পাটাছাৰকুছি বিদ্যাপীঠৰ প্ৰাক্তন সাধাৰণ সম্পাদক আৰু ছাত্ৰ নেতাৰ দল এটি গৈ উপস্থিত হয়। এই সম্বৰ্ধনা অনুষ্ঠানত শৰ্মাই ভাষণত কয়, 'মই এজন সফল শিক্ষক কিন্তু এজন বিফল পিতৃ, মোৰ কন্যাৰ জন্মৰ দিনাও মই স্কুললৈ গৈছিলো, যিটো কথাই আজিও মোৰ সহধৰ্মিণীক আঘাত দিয়ে। তদুপৰি মোৰ সন্তানক মই গঢ় দিব নোৱাৰিলো। বিদ্যালয়খন মোৰ বাবে মন্দিৰ আছিল, ঘৰৰ চিন্তা পাছত আছিল।' অনুষ্ঠানত বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# যোৰহাটত সাধাৰণ জাতি বিকাশ পৰিষদৰ সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ১০ ছেপ্টেম্বৰ ঃ** সাধাৰণ জাতি বিকাশ পৰিষদ,অসমৰ যোৰহাট জিলা সমিতিৰ এখন সাধাৰণ সভা আজি মুক্তি যুঁজাৰু ভৱনত অনুষ্ঠিত হয়। ঈশ্বৰ প্ৰসাদ বৰঠাকুৰৰ পৌৰোহিত্যত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অৰূপ দত্তই। ৰাজ্যিক সমিতিৰ উপ-সভাপতি বিজয় দত্ত, সম্পাদকদ্বয় মৃণাল দত্ত আৰু মহেন্দ্ৰ শইকীয়া, সাহিত্যিক প্ৰতাপ চন্দ্ৰ বৰুৱাই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি সাধাৰণ জাতিৰ লোকসকলে ভুগি অহা বঞ্চনা সম্পৰ্কে তথ্যসমৃদ্ধ বক্তব্য আগবঢ়ায়। সভাত ননী গোপাল শইকীয়াক সভাপতি, ভাস্কৰ কলিতাক সাধাৰণ সম্পাদক আৰু মুনীন্দ্ৰ নাথ দত্তক কোষাধ্যক্ষৰূপে লৈ যোৰহাট জিলা সমিতিখন গঠন কৰা হয়।

# উলুবাৰী সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভা

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১০ ছেপ্টেম্বৰ ঃ** চিৰাং জিলাৰ উলুবাৰী সমবায় সমিতি সীমিতৰ ২০২২-২৩ৰ বছৰেকীয়া সাধাৰণ সভাখন অহা ১৩ ছেপ্টেম্বৰ মঙলবাৰে পুৱা ১০ বজাত উলুবাৰী বজাৰ কমিটীৰ নাটভৱনত অনুষ্ঠিত হ'ব। উলুবাৰী সমবায় সমিতি লিমিটেডৰ সভাপতি বিষ্ণু ৰাম ৰায় আৰু সম্পাদক নিৰণ বসুমতাৰীয়ে এক প্ৰেছ বিবৃতিৰ জৰিয়তে সমবায়খনৰ সকলো অংশীদাৰক যথা সময়ত উপস্থিত থাকিবলৈ এই বিবৃতিৰ জৰিয়তে আহ্বান জনাইছে। উক্ত সাধাৰণ সভাতেই ২০২২-২৩ৰ হিচাপ দাখিল কৰাৰ লগতে আগন্তুক ২০২৩-২৪ৰ সম্ভাব্য বাজেট আৰু বিভিন্ন আঁচনি প্ৰস্তুত সম্পৰ্কে আলোচনা হ'ব বুলি জানিব দিয়ে।

# বঙাইগাঁৱত জাফাৰ ক'লা বেজ পৰিধান কৰি প্ৰতিবাদী কাৰ্যসূচী

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১০ ছেপ্টেম্বৰ ঃ** জাৰ্ণালিষ্ট এছ'চিয়েছন ফৰ আছামে (জাফা) সাত ছেপ্টেম্বৰৰ নিশা সাংবাদিক বনজিৎ ঠাকুৰীয়াক কৰ্তব্যৰত অৱস্থাত একাংশ দুৰ্বৃত্তই নিৰ্মমভাৱে আক্ৰমণ কৰা ঘটনাৰ উচিত তথা এজন আৰক্ষী বিষয়াৰ পক্ষপাতমূলক আচৰণ আৰু সাংবাদিকৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবীত সমগ্ৰ ৰাজ্যজুৰি প্ৰতিবাদৰ অংশৰূপে শুকুৰবাৰে বঙাইগাঁৱতো ক'লা বেজ পৰিধানেৰে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণৰ অন্তত সংগঠনটোৱে অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। জাৰ্ণালিষ্ট এছ'চিয়েছন ফৰ আছামৰ (জাফা) সভাপতি অভিদ্বীপ চৌধুৰী, কাৰ্যকৰী সভাপতি পংকজ ডেকা আৰু সম্পাদক প্ৰধান কুঞ্জমোহন ৰায় স্বাক্ষৰিত স্মাৰকপত্ৰত সাত ছেপ্টেম্বৰৰ নিশা গুৱাহাটীৰ চান্দমাৰি আৰক্ষী থানাত অন্তৰ্গত কমাৰ্চ কলেজৰ সমীপত সংঘটিত অগ্নিকাণ্ডৰ বাতৰি সংগ্ৰহৰ বাবে উক্ত স্থানত নৈশ দায়িত্বত থকা সাংবাদিক বনজিৎ ঠাকুৰীয়া উপস্থিত হৈছিল। সময়তেই একাংশ দুৰ্বৃত্তই সাংবাদিক ঠাকুৰীয়াক উপৰ্যুপৰি প্ৰহাৰ কৰে। উক্ত আক্ৰমণত সাংবাদিকজনৰ মুখমণ্ডলত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। উক্ত ঘটনাৰ পাছতেই সাংবাদিক ঠাকুৰীয়াই আৰক্ষীৰ কাষ চাপি অভিযুক্তসকলৰ বিৰুদ্ধে এক এজাহাৰ দাখিল কৰে। কিন্তু দুৰ্ভাগ্যজনক বিষয় এয়ে যে আক্ৰমণৰ ঘটনাৰ স'তে জড়িত এগৰাকী ব্যক্তিৰ গোচৰৰ ভিত্তিত চান্দমাৰি থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনে পক্ষপাতিত্বমূলক ব্যৱহাৰেৰে সাংবাদিক ঠাকুৰীয়াৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি মানসিকভাৱে হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপিত হৈছে।



উল্লেখ্য যে বিভিন্ন সময়ত, বিভিন্ন ব্যক্তিৰ দ্বাৰা বিভিন্ন স্থানত ৰাজ্যৰ চুকে-কোণে সাংবাদিক নিগ্ৰহৰ ঘটনা নতুন কথা নহয়। সেয়ে সাংবাদিকৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবী উত্থাপন কৰি সমগ্ৰ ৰাজ্যজুৰি শুকুৰবাবে 'জাফাই ক'লা বেজ পৰিধানেৰে প্ৰতিবাদ সাব্যস্ত কৰে। বঙাইগাঁও জিলা উপায়ুক্তৰ জৰিয়তে প্ৰেৰণ কৰা স্মাৰকপত্ৰত সাংবাদিকৰ সুৰক্ষা নিশ্চিত কৰাটো সময়ৰ আহ্বান বুলি অভিহিত কৰিছে। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ এটা সুদৃঢ় ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে শীঘ্ৰেই নিৰ্যাতিত সাংবাদিকজনক ন্যায় প্ৰদান কৰাৰ উপৰি পক্ষপাতিত্বমূলক আচৰণ কৰা আৰক্ষী বিষয়াজনৰ বিৰুদ্ধে দৃষ্টান্তমূলক ব্যৱস্থা গ্ৰহণ কৰিব বুলিও স্মাৰকপত্ৰত প্ৰকাশ কৰিছে।

# চাৰিগাঁও বালিকা বিদ্যালয়ত ন্যাস বঁটা প্ৰদান

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১০ ছেপ্টেম্বৰ ঃ** নগৰৰ উপকণ্ঠত অৱস্থিত চাৰিগাঁও উচ্চ বালিকা বিদ্যালয়ত আঠ ছেপ্টেম্বৰত ডাঃ প্ৰফুল্ল বৰুৱা প্ৰতিভা বঁটা, কৃষ্ণপ্ৰসাদ দত্ত অধ্যয়ন বঁটা আৰু গোলাপ বৰা, বংশীধৰ বৰুৱা সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। বাহনা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰসন্ন কুমাৰ দত্তৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা কৰে প্ৰধান শিক্ষয়িত্ৰী নৱনীতা নেওগ শইকীয়াই। যোৰহাট জিলা কবি সন্মিলনৰ সভাপতি অজিত কুমাৰ বৰদলৈয়ে বিশিষ্ট অতিথি, কাকজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ৰুণিমা বৰুৱাই নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰা সভাত অভিভাৱক, ৰাইজ উপস্থিত থাকে। শিক্ষক বাণীকান্ত বৰাই আঁতধৰা সভাৰ আৰম্ভণিতে ছাত্ৰীসকলে বিদ্যালয় সংগীত পৰিবেশন কৰে। সভাত বঁটা দাতা পৰিয়ালৰ সদস্যসকল, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ বিষয়ববীয়া, প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে। অনুষ্ঠানত ডাঃ প্ৰফুল্ল বৰুৱা প্ৰতিভা বঁটা উচ্চ মাধ্যমিক শাখাত অভিজিত শইকীয়া, উচ্চতৰ মাধ্যমিক শাখাত ত্ৰিদিৱ লোচন বৰা (কলা) আৰু ভাস্কৰজ্যোতি বৰা (বিজ্ঞান), কৃষ্ণ প্ৰসাদ দত্ত অধ্যয়ন বঁটা প্ৰিয়াংকী বৰা, গোলাপ বৰা সোঁৱৰণী বঁটা অনিস্মিতা নাথ, বংশীধৰ বৰুৱা বঁটা তছলিমা য়াছমিন (উচ্চ শাখা), জানি বৰা আৰু ধৰ্মিষ্ঠা বৰুৱাক যুটীয়াভাৱে (নিম্ন শাখা) প্ৰদান কৰা হয়। বিদ্যালয়খনৰ পৰা বিগত বৰ্ষত সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰীসকলকো সভাত অভিনন্দন জনোৱা হয়।

# লংকাত দুদিনীয়াকৈ জিলা সাহিত্য সভাৰ অধিবেশন আৰম্ভ

**আজি জিলা সাহিত্য সভাৰ প্ৰথমটো জীৱনজোৰা সাধনা বঁটা ড° সাৰদানন্দ দেৱ গোস্বামীলৈ**

অগ্ৰদূত বাৰ্তা

**হোজাই/লংকা, ১০ ছেপ্টেম্বৰ ঃ** আজিৰে পৰা হোজাইৰ লংকাত আৰম্ভ হোৱা হোজাই জিলা সাহিত্য সভাৰ দ্বিতীয় পূৰ্ণাংগ বাৰ্ষিক সাধাৰণ সভাত জিলাখনৰ জ্যেষ্ঠ নাগৰিক তথা সাহিত্যিক ড° সাৰদানন্দ দেৱ গোস্বামীক জিলাখনৰ প্ৰথমটো জীৱনজোৰা সাধনা বঁটা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আজিৰ প্ৰতিনিধি সভাই অসম সাহিত্য সভাৰ প্ৰতি জীৱনজোৰা সেৱা আগবঢ়াই অসমীয়া সংবাদ আৰু সাহিত্য জগতলৈ অনবদ্য বৰঙণি আগবঢ়োৱা, হোজাই সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সদস্য, প্ৰাক্তন সভাপতি তথা হোজাই জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি, হোজাই কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, গৱেষক, ঔপন্যাসিক, হোজাই প্ৰেছ ক্লাবৰ অন্যতম প্ৰতিষ্ঠাপক সাংবাদিক ড° দেৱ গোস্বামীক জিলা সভাৰ ২০২২ৰ পৰা প্ৰণয়ন কৰা প্ৰথমটো জীৱনজোৰা সাধনা বঁটা প্ৰদানৰ সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰা হয়। কাইলৈ মুকলি সভাত এই বঁটা প্ৰদান কৰা হ'ব। সাহিত্যিক দেৱ গোস্বামীক অসম সাহিত্য সভাক সদস্য মহীয়ান সন্মান প্ৰদান কৰাৰ বাবেও আহ্বান জনায়।

# এনইইটিৰ পৰীক্ষাত উজলিল চেলেংহাটৰ দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ জ্ঞানম

**চেলেংহাট, ১০ ছেপ্টেম্বৰ ঃ** সদ্য ঘোষিত নিট পৰীক্ষাৰ ফলাফলত উজলি উঠিল যোৰহাট জিলাৰ মৰিয়নি বিধানসভা সমষ্টিৰ অন্তৰ্গত চেলেংহাট কুকুৰাচোৱা গাঁৱৰ ৰতিল বৰা আৰু নৱনীতা দত্ত বৰাৰ একমাত্ৰ পুত্ৰ জ্ঞানম জ্যোতি বৰা। সৰুৰে পৰা মেধা সম্পন্ন ছাত্ৰ জ্ঞানমৰ লক্ষ্য আছিল এজন চিকিৎসক হোৱাৰ। তেওঁ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ৯৪.৭ শতাংশ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ৮৯.৪ শতাংশ নম্বৰ লৈ উত্তীৰ্ণ হৈছিল। নিজৰ সপোন সাৰ্থক কৰি জ্ঞানমে নিটৰ পৰীক্ষাত ৫৪১ নম্বৰ লাভ কৰি উত্তীৰ্ণ হৈ চিকিৎসক হোৱাৰ লক্ষ্যত খোজ পেলাবলৈ সক্ষম হয়। জ্ঞানমৰ এই সফলতাত অঞ্চলবাসী আদিত হৈ পৰিছে।

# হাজোৰ কৃতী শিক্ষক ৰজনী শালৈক ৰাজ্যিক শিক্ষক গৌৰৱ বঁটা

অগ্ৰদূত বাৰ্তা

**হাজো, ১০ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ হাজোৰ চেঁচামুখ গাঁও নিবাসী বিশিষ্ট শিক্ষক তথা সাহিত্যিক ৰজনী শালৈক এইবেলি ৰাজ্যিক শিক্ষক গৌৰৱ বঁটা প্ৰদান কৰা হৈছে। অসমৰ অন্যতম সংগঠন ডিভাইন হেণ্ড ৱেলফেয়াৰ অৰ্গেনাইজেছনৰ সৌজন্যত মানৱ সম্পদ গঢ়াত আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ প্ৰেক্ষাগৃহত হাজোৰ কৃতী শিক্ষক ৰজনী শালৈক 'ৰাজ্যিক শিক্ষক গৌৰৱ বঁটা ২০২২'ৰে বিভূষিত কৰা হৈছে। উল্লেখ্য যে কৃতী শিক্ষক ৰজনী শালৈ এগৰাকী শিক্ষক হোৱাৰ উপৰি এগৰাকী সাহিত্যিক ৰূপে হাজো অঞ্চলৰ বিজ্ঞ মহলৰ মাজত পৰিচিত হৈ আহিছে। পিতৃ চানাৰাম শালৈ আৰু মাতৃ প্ৰয়াত বাসন্তী শালৈৰ সুযোগ্য সন্তান ৰজনী শালৈয়ে ১৯৯৮ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃত বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ লগতে ১৯৯৯ত বি এড ডিগ্ৰী লাভ কৰে। পাঁচগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অবৈতনিকভাৱে শিক্ষকতা জীৱনৰ আৰম্ভ কৰি পাছলৈ দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সংস্কৃত বিষয় শিক্ষকৰূপে যোগদান কৰি বৰ্তমানে কৰ্মৰত হৈ এগৰাকী সফল শিক্ষকৰূপে ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক সমাজত পৰিচিত হৈ আছে। কৃতী শিক্ষক ৰজনী শালৈয়ে বিভিন্ন আলোচনী সম্পাদনা কৰাৰ উপৰি 'মহাপুৰুষ দ্যুতি' নামৰ এখন মূল্যবান গ্ৰন্থ লিখি অসমীয়া সাহিত্যৰ অৱদান চহকী কৰিবলৈ সক্ষম হৈছে। তেওঁ বৃহত্তৰ হাজো অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ এগৰাকী নিষ্ঠাবান সমাজকৰ্মী ৰূপেও বৰঙণি আগবঢ়াই আহিছে। শালৈয়ে ইয়াৰ পূৰ্বতে দমদমা আঞ্চলিক ছাত্ৰ সন্থাৰ পৰা 'শিক্ষা সংগঠক' বঁটা আৰু ভাৰতীয় দলিত সাহিত্য একাডেমীৰ পৰা ড° আম্বেদকাৰ নেছনেল ফেল'শ্বিপ 'বঁটা লাভ কৰিছিল।

# গোসাঁইগাঁৱত চিআৰপিএফৰ শ্ৰীশ্ৰীগণেশ চতুৰ্থীৰ প্ৰতিমা বিসৰ্জন সম্পন্ন

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ১০ ছেপ্টেম্বৰ ঃ** দেশৰ প্ৰান্তে প্ৰান্তে শ্ৰীশ্ৰীগণেশ দেৱতাৰ বিসৰ্জন কাৰ্যসূচীৰ স'তে সংগতি ৰাখি গোসাঁইগাঁও ৰেলগেট স্থিত চিআৰপিএফৰ চি-১২৯ বাহিনীৰ শিবিৰত যোৱা ৩১ আগষ্টত অনুষ্ঠিত হোৱা গণেশ চতুৰ্থী উপলক্ষে আয়োজিত গণেশ পূজাৰ কালি উলহ-মালহৰে বিসৰ্জন পৰ্ব পালন কৰা হয়। পুৱা গোসাঁইগাঁও চিআৰপিএফ চি-১২৯ বাহিনীৰ উদ্যোগত শ্ৰীশ্ৰীগণেশ দেৱৰ বিসৰ্জন কাৰ্যসূচীৰ অংশ হিচাপে ভজন-কীৰ্তনৰ কাৰ্যসূচী চলে। ইয়াৰ পাছত চি আৰ পি এফ চি-১২৯ বাহিনীৰ জোৱানসকলে গণেশ বাবাৰ মূৰ্তিৰ সন্মুখত আৰতি কৰাৰ অন্তত বেৰেকৰত উলিয়ায় অনা হয়। ইয়াৰ পাছত গোসাঁইগাঁও সদৰ চহৰ পৰিভ্ৰমণ কৰি মদাতী নদীত গণেশ মূৰ্তি বিসৰ্জন কাৰ্য সম্পন্ন কৰে। চিআৰপিএফ চি-১২৯ বাহিনীৰ এছিচটেন্ট কমাণ্ডেন্ট উমেশ কান্তে কয় যে বিঘিনি হৰ্তা গণেশ দেৱৰ পূজা-অৰ্চনা দেশৰ মংগল কামনাৰে কৰা হৈছিল। বেৰেকত প্ৰায় সকলোবোৰ উৎসৱ-পাৰ্বণ অনুষ্টুপীয়াকৈ হ'লেও পালন কৰি অহা যাতে জোৱানসকলে ইয়াৰ জৰিয়তে মানসিকভাৱে কিছু সকাহ আৰু সন্তুষ্টি অনুভৱ কৰিব পাৰে। আজি গণেশ পূজাৰ অন্তিম দিনা সম্পূৰ্ণ ধৰ্মীয় নিয়ম-নিষ্ঠাৰে শ্ৰীগণেশ দেৱক বিদায় জনোৱা হয় আৰু মদাতী নৈত বিসৰ্জন প্ৰক্ৰিয়া সম্পন্ন কৰা হয়।

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ১১ ছেপ্টেম্বৰ, দেওবাৰ, ২০২২ পৃষ্ঠা ১১

# যক্ষ্মা মুক্ত ভাৰতৰ দিশত জনসাধাৰণৰ অংশগ্ৰহণ



ড° মনসুখ মাণ্ডব্য

**আমাৰ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সদায় কৈ আহিছে, যেতিয়াই আমাৰ দেশৰ প্ৰত্যেকেই একে সময়তে এটা খোজ দিয়ে, ঠিক সেই সময়তে আমাৰ দেশে ১৩০ কোটি খোজ আগুৱাই যায়। প্ৰধানমন্ত্ৰীয়ে এখন সমৃদ্ধিশালী ৰাষ্ট্ৰ গঢ়ি তোলাৰ দিশত জন-অংশগ্ৰহণৰ ভূমিকাৰ ওপৰত এক অকাট্য বিশ্বাস ৰাখে। গতিকে আমি ২০২৫ৰ ভিতৰত যক্ষ্মা মুক্ত নতুন ভাৰতৰ দিশত সামূহিক শক্তি আৰু ঐক্যৰ এই ঢৌক পোষণ কৰিব পাৰোনে? প্ৰতিজন ব্যক্তিৰ দ্বাৰা এটা সৰু, আপাতঃ দৃষ্টিত এক নগণ্য অৱদানেও জন আন্দোলন প্ৰজ্জ্বলিত কৰি তুলিব পাৰে। যেতিয়া দেশখনৰ চৰকাৰ আৰু নাগৰিকসকল এক উমৈহতীয়া অভিযানৰ বাবে একত্ৰিত হয় তেতিয়া সফলতা সাধাৰণতে প্ৰায় সদায়েই নিশ্চিত হয়। স্বচ্ছ ভাৰত মিছন, ক'ভিড-১৯ টিকাকৰণ অভিযান আৰু শেহতীয়াকৈ সমাপ্ত হোৱা 'হৰ ঘৰ ত্ৰিৰংগা' অভিযান ইয়াৰ এক সুন্দৰ উদাহৰণ।

এক ৰাষ্ট্ৰ হিচাপে, আমি একেলগে যক্ষ্মা মুক্ত ভাৰতৰ আমাৰ লক্ষ্যত উপনীত হোৱাৰ দিশত সামূহিক পদক্ষেপ আৰু জনসাধাৰণৰ অংশগ্ৰহণে এই নীতিক লাভান্বিত কৰিব বুলি আশা কৰিছো। যেতিয়া বিশ্বই ২০৩০ত যক্ষ্মা নিৰ্মূলক বিশ্বব্যাপী লক্ষ্য হিচাপে নিৰ্ধাৰণ কৰিছিল, আমাৰ প্ৰধানমন্ত্ৰীয়ে ২০২৫ৰ ভিতৰত ভাৰতক যক্ষ্মা মুক্ত কৰাৰ এক উচ্চাভিলাষী লক্ষ্য নিৰ্ধাৰণ কৰিছিল, যি বিশ্বৰ লক্ষ্যতকৈ পাঁচ বছৰ আগতে আছিল। আমাৰ দেশৰ সামূহিক কাৰ্য আৰু অৱদানৰ মনোভাৱৰ ওপৰত তেওঁৰ বিশ্বাসৰ দ্বাৰা এইটো সম্পূৰ্ণৰূপে প্ৰণয়ন তথা উজ্জীৱিত হৈছে। এই উচ্চাভিলাষী লক্ষ্য লাভ কৰাৰ দিশত ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় যক্ষ্মা নিৰ্মূল কাৰ্যসূচীৰ অধীনত নি-ক্ষয় পোষণ আঁচনি আৰম্ভ কৰিছে। এই আঁচনিৰ অধীনত, ২০১৮ আৰু জুন ২০২২ৰ ভিতৰত, যক্ষ্মা ৰোগত আক্ৰান্ত ৬২.৭১ লাখ ব্যক্তিয়ে মুঠ ১,৬৫১ কোটি টকাৰ বিত্তীয় সাহায্য লাভ কৰিছে। ইয়াত অন্তৰ্ভুক্ত আছে প্ৰত্যক্ষ লাভ স্থানান্তৰৰ (ডিবিটি) জৰিয়তে ৫০০ টকা যক্ষ্মা ৰোগত আক্ৰান্ত ব্যক্তিজনৰ বেংক একাউণ্টলৈ পোনপটীয়াকৈ স্থানান্তৰ কৰা। এইটোৱে তেওঁলোকক তেওঁলোকৰ পুষ্টিৰ প্ৰয়োজনীয়তাবোৰ সমাধান কৰাত সহায় কৰিছে।

এই সন্দৰ্ভত, মই উত্তৰ প্ৰদেশৰ ৰাজ্যপাল আনন্দীবেন পেটেলৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰা উচিত, যিয়ে যক্ষ্মা দত্তক অভিযান আৰম্ভ কৰিছিল আৰু ই ক্ৰমাগতভাৱে ব্যাপক প্ৰশংসা লাভ কৰি আহিছে। তেওঁৰ কামৰ দ্বাৰা অনুপ্ৰাণিত হৈ আৰু এই অভিযানক এক অতিৰিক্ত গতি প্ৰদান কৰিবলৈ, ভাৰত চৰকাৰে 'প্ৰধানমন্ত্ৰী যক্ষ্মা মুক্তি ভাৰত অভিযান'ৰ অধীনত নি-ক্ষয় ২.০ প'ৰ্টেল আৰম্ভ কৰিছে। ২০২২ৰ ন ছেপ্টেম্বৰত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুয়ে এই অভিযান আৰম্ভ কৰিছে। এই প'ৰ্টেলটোৱে যক্ষ্মা ৰোগত আক্ৰান্ত ব্যক্তিসকলক সামূহিক সমৰ্থন প্ৰদান কৰাৰ বাবে এটা ডিজিটেল মঞ্চ প্ৰদান কৰে। যিকোনো ব্যক্তি বা সংগঠনে এই সমৰ্থন আগবঢ়াবলৈ এই প'ৰ্টেলত নি-ক্ষয় মিত্ৰ হিচাপে পঞ্জীয়ন কৰিব পাৰে।

যক্ষ্মা ৰোগত আক্ৰান্ত ব্যক্তিসকলক গ্ৰহণ কৰাটো এই অভিযানৰ এটা অতি গুৰুত্বপূৰ্ণ দিশ। ইয়াৰ অন্তৰ্নিহিত উদ্দেশ্য হৈছে যক্ষ্মা ৰোগত আক্ৰান্ত ব্যক্তিসকলৰ বিৰুদ্ধে বিদ্যমান সামাজিক কলংক আৰু বৈষম্য দূৰ কৰাত সহায় কৰা, তেওঁলোকক অতি প্ৰয়োজনীয় পুষ্টি আৰু সামাজিক সমৰ্থন প্ৰদান কৰা আৰু তেওঁলোকক স্বাভাৱিক জীৱন-যাপন কৰাত সহায় কৰা। এই পদক্ষেপৰ অধীনত, ব্যক্তি, সংগঠন, ঔদ্যোগিক সংস্থা, সমবায় সংগঠন, নিৰ্বাচিত প্ৰতিনিধি, বেচৰকাৰী সংগঠন, ৰাজনৈতিক দল সকলোৱে যক্ষ্মা ৰোগত আক্ৰান্ত ব্যক্তিসকলৰ দত্তক গ্ৰহণ কৰি সমৰ্থন প্ৰদান কৰিব পাৰে। আপুনিও নি-ক্ষয় ২.০ প'ৰ্টেলত (httpsÊ.//communitysupport. nikshay. in/) লগ ইন কৰিব পাৰে আৰু আপোনাৰ সমৰ্থন প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিব পাৰে।

যক্ষ্মা ৰোগত আক্ৰান্ত ব্যক্তিসকলক তিনিটা মুখ্য প্ৰকাৰৰ সমৰ্থনৰ প্ৰয়োজন। প্ৰথমতে, তেওঁলোকৰ পুষ্টিৰ প্ৰয়োজনীয়তাৰ যত্ন লোৱাৰ বাবে উপযুক্ত, প্ৰয়োজনীয়তা-আধাৰিত পুষ্টিগত সামগ্ৰী অন্তৰ্ভুক্ত কৰি এটা পুষ্টিগত কিট প্ৰস্তুত কৰা। দ্বিতীয়টো হৈছে অতিৰিক্ত পৰীক্ষাগাৰ-




আধাৰিত ৰোগ নিৰ্ণয়ৰ প্ৰয়োজনীয়তাৰ বাবে সমৰ্থন। তৃতীয়টো হ'ল তেওঁলোকক উন্নত জীৱিকাৰ দিশত তেওঁলোকৰ নিয়োগ যোগ্যতা বৃদ্ধি কৰিবলৈ বৃত্তিগত দক্ষতাৰে সজ্জিত কৰা। আপোনালোকে সমগ্ৰ দেশৰ যিকোনো খণ্ড বা জিলাত নিম্নতম এক বছৰ আৰু সৰ্বাধিক তিনি বছৰৰ বাবে যক্ষ্মা ৰোগীসকললৈ সমৰ্থন আগবঢ়াব পাৰে।

উল্লেখ্য যে ভাৰত চৰকাৰে যক্ষ্মা ৰোগত আক্ৰান্ত ব্যক্তিসকলক বিনামূলীয়া ৰোগ নিৰ্ণয়, বিনামূলীয়া ঔষধ আৰু অন্যান্য প্ৰকাৰৰ সহায় আগবঢ়ায়। অৱশ্যে মই বিশ্বাস কৰো যে আপোনালোকৰ সমৰ্থন আৰু সামূহিক পদক্ষেপে অভূতপূৰ্ব শক্তি আৰু সামৰ্থ প্ৰদান কৰিব যিহেতু আমি যক্ষ্ম মুক্ত ভাৰতৰ লক্ষ্যৰ দিশে আগবাঢ়িছো। এই জন আন্দোলনৰ প্ৰতি আমাৰ দৃষ্টিভংগী সঁচাকৈয়ে উপলব্ধি কৰিব পৰাকৈ আগবাঢ়ি আহি এই অভিযানক সক্ৰিয়ভাৱে সমৰ্থন কৰাৰ বাবে আপোনালোকলৈ মোৰ আন্তৰিক অনুৰোধ থাকিল। অনুগ্ৰহ কৰি আগবাঢ়ি আহক আৰু যক্ষ্মা ৰোগৰ বিৰুদ্ধে ৰাষ্ট্ৰৰ সামূহিক যুঁজৰ প্ৰতি আপোনাৰ অংশদান সন্নিলিত কৰক। আমি যিদৰে দৃঢ়তাৰে ক'ভিড-১৯ৰ স'তে যুঁজি আছো, ঠিক সেইদৰে যক্ষ্মা ৰোগৰ বিৰুদ্ধেও আমাৰ সামূহিক যুঁজত যুঁজ দিম আৰু জয়ী হ'ম।

আজি মই ৰামায়ণৰ এটা সৰু দৃশ্যাংশৰ বিষয়ে ভাগ-বতৰা কৰিব বিচাৰো। যেতিয়া ভগৱান শ্ৰীৰামে লংকালৈ দলং নিৰ্মাণ কৰিছিল, এটা সৰু কেৰ্কেটুৱাও সহায় কৰিবলৈ আগবাঢ়ি আহিছিল। ভগৱান শ্ৰীৰামে এই সৰু অৱদানকো যথেষ্ট প্ৰশংসা কৰিছিল।

এই কেৰ্কেটুৱাটোৰ দ্বাৰা অনুপ্ৰাণিত হৈ আমি সকলোৱে ভাৰতৰ নাগৰিক হিচাপে 'প্ৰধানমন্ত্ৰী যক্ষ্মা-মুক্তি ভাৰত অভিযান'ৰ অধীনত যথেষ্ট অৱদান আগবঢ়াব পাৰো। মই সঁচাকৈয়ে বিশ্বাস কৰো যে প্ৰধানমন্ত্ৰীৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস' মন্ত্ৰৰ দ্বাৰা উজ্জীৱিত হৈ আমি প্ৰত্যেকেই একত্ৰিত হ'ম আৰু ২০২৫ৰ ভিতৰত ভাৰতক যক্ষ্মা-মুক্ত কৰি গঢ়ি তুলিবলৈ এই জন আন্দোলনত যোগদান কৰিম।

যক্ষ্মাৰ হ'ব পৰাজয়, দেশৰ হ'ব বিজয়।

*লেখক হৈছে ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আৰু ৰাসায়নিক আৰু সাৰমন্ত্ৰী।*

---

কৃত্ৰিম চেনি প্ৰস্তুত কৰা সকলে দাবী কৰি কয় যে খাদ্যত কৃত্ৰিম চেনি মিহলালে খাওতাই মিঠা অনুভৱ কৰে যদিও শৰীৰত শৰ্কৰাৰ পৰিমাণ বৃদ্ধি নাপায়। অৰ্থাৎ ডায়েবেটিছত আক্ৰান্ত সকলৰ শৰীৰত কেলৰি প্ৰৱেশ নকৰা বাবে শৰ্কৰাৰ পৰিমাণ নিয়ন্ত্ৰণত থাকিব। অৱশ্যে কৃত্ৰিম চেনি হ'ল বুলিয়ে যে মোকৰা মোকৰে খাব তেনে নহয়। কিয়নো যদিও কৃত্ৰিম চেনিত কেলৰি কম থাকে বুলি কয় তথাপি বেছি খোৱাৰ লগে লগে শৰীৰে কেলৰিও বেছিকৈ লাভ কৰে।



# ডায়েবেটিছ

## ৰোগৰ বাবে কৃত্ৰিম চেনি কিমান নিৰাপদ

**আজিকালি** ডায়েবেটিছ বুলি কোৱাৰ লগে লগেই বহুতে চেনি বা মিঠা বস্তুও খাবলৈ বাদ দিয়ে। কাৰণ চেনি খোৱাৰ লগে লগে শৰ্কৰা বৃদ্ধি হোৱা। পিছে সকলোৱে চেনিৰ মোহ এৰিব পাৰে জানো? নিশ্চয় নোৱাৰে। তদুপৰি চেনি বিনে কিছুমান বস্তুৰ সোৱাদো নাপায়। সেইবাবে গৱেষকসকলে বিভিন্ন ধৰণৰ অধ্যয়নৰ পাছত প্ৰস্তুত কৰিছে কৃত্ৰিম চেনি। অতি সম্প্ৰতি টেবলেট অথবা কৃত্ৰিম ছুইটনাৰ বজাৰত উপলব্ধ হৈছে। এনে ধৰণৰ কৃত্ৰিম চেনি প্ৰস্তুত কৰা সকলে দাবী কৰি কয় যে খাদ্যত কৃত্ৰিম চেনি মিহলালে খাওতাই মিঠা অনুভৱ কৰে যদিও শৰীৰত শৰ্কৰাৰ পৰিমাণ বৃদ্ধি নাপায়। অৰ্থাৎ ডায়েবেটিছত আক্ৰান্ত সকলৰ শৰীৰত কেলৰি প্ৰৱেশ নকৰা বাবে শৰ্কৰাৰ পৰিমাণ নিয়ন্ত্ৰণত থাকিব। অৱশ্যে কৃত্ৰিম চেনি হ'ল বুলিয়ে যে মোকৰা মোকৰে খাব তেনে নহয়। কিয়নো যদিও কৃত্ৰিম চেনিত কেলৰি কম থাকে বুলি কয় তথাপি বেছি খোৱাৰ লগে লগে শৰীৰে কেলৰিও বেছিকৈ লাভ কৰে। এইখিনিতে উল্লেখ কৰিব লাগিব যে কৃত্ৰিম চেনি খোৱাৰ আগতে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিবই লাগে। কাৰণ এনে চেনি খোৱাটো কিছুমান বিষয়ৰ ওপৰত নিৰ্ভৰ কৰে।

### গৰ্ভাৱস্থাত খাওতে সাৱধান

গৰ্ভধাৰণৰ পাছত প্ৰতিগৰাকী মহিলাই সতৰ্ক হ'ব লাগিব। কিয়নো এই সময়ত যদি পুষ্টিকৰ আহাৰ গ্ৰহণ নকৰে তেতিয়াহ'লে ভ্ৰূণৰ বিকাশ সঠিকভাৱে নহ'ব। ফলত ভৱিষ্যতে এটা সুস্থ শিশুৰ আশা কৰিব নোৱাৰি।

ডায়েবেটিছত আক্ৰান্ত মহিলাগৰাকী অধিক সতৰ্ক হ'বই লাগিব। চিকিৎসকৰ পৰামৰ্শ অবিহনে যিকোনো খাদ্য নোখোৱাটোৱে মংগলজনক। গৱেষকসকলে কৃত্ৰিম চেনি বা ছুইটনাৰ খোৱাৰ ক্ষেত্ৰত সতৰ্ক

বাণী শুনাইছে। গৰ্ভৱতী মহিলাৰ বাবে কৃত্ৰিম চেনি নিৰাপদ নহয় বুলি গৱেষকসকলে মন্তব্য কৰিছে। গৰ্ভৱতী মহিলাই কৃত্ৰিম চেনি বুলিয়েই নহয় কৃত্ৰিম মিঠাই আদিও খোৱাৰ পৰা আঁতৰি থকাটোৱে মংগলজনক।

### নিৰ্দিষ্ট পৰিমাণতকৈ বেছি নহয়

কৃত্ৰিম চেনি আদি নিৰ্দিষ্ট পৰিমাণতকৈ কেতিয়াও বেছি খাব নালাগে। টেবলেট, পাউডাৰ আদিৰ আকাৰত থকা কৃত্ৰিম চেনিৰ কণ্টেইনাৰত থকা লেবেলত যি পৰিমাণে দিনটোৰ ভিতৰত খাব পাৰি বুলি লিখা থাকে তাতকৈ সামান্য পৰিমাণেও বেছি খাব নালাগে। সকলোবোৰ প্ৰস্তুতকৰ্তাৰ পৰিমাণ একে নহয়। কিছুমানৰ কমকৈ দিলেও মিঠা হয়। খোৱাৰ সময়ত সতৰ্কতা অৱলম্বন কৰিবই লাগিব। কিছুমান কৃত্ৰিম চেনি খাদ্যবস্তু প্ৰস্তুত কৰাৰ সময়ত ব্যৱহাৰ কৰা হয়। আনহাতে, কিছুমান চেনি খাদ্য প্ৰস্তুত হোৱাৰ পাছত ওপৰত ছটিয়াই দিয়া হয়। এই বিষয়ে ভালদৰে জানি লোৱাটো মংগলজনক।

### বেছিকৈ খালে হ'ব পাৰে বিপদ

কৃত্ৰিম চেনি বেছি খালে শৰীৰত কেলৰিৰ পৰিমাণ বৃদ্ধি পাব। কেলৰি বৃদ্ধি মানেই ডায়েবেটিছত আক্ৰান্তৰ বাবে বিপদ ঘণ্টা। তদুপৰি যিকোনো খাদ্যৰেই প্ৰভাৱ পৰে লিভাৰ বা যকৃতৰ ওপৰত। গৱেষকসকলে কৰা মন্তব্য অনুসৰি দীৰ্ঘদিন ধৰি এনে চেনি ব্যৱহাৰ কৰাৰ ফলত লিভাৰৰো ক্ষতি হোৱাৰ আশংকা থাকে।

### কেলৰিৰ পৰিমাণ বেছি হ'ব নালাগে

এগৰাকী সুস্থ ব্যক্তিক দৈনন্দিন কাৰ্য পৰিচালনাৰ বাবে প্ৰয়োজন নিৰ্দিষ্ট পৰিমাণৰ কেলৰিৰ। এই পৰিমাণ কম বেছি হোৱা মানেই বিপদ। সাধাৰণতে কেলৰি গ্ৰহণ বিষয়টো নিৰ্ভৰ কৰে লোকজনৰ দৈনন্দিন কৰ্মপদ্ধতিৰ ওপৰত। এজন কঠোৰ পৰিশ্ৰম কৰা লোকৰ বাবে যিমান কেলৰি দৈনিক প্ৰয়োজন, আন এজন কম পৰিশ্ৰম কৰা লোকক কমকৈ লাগিব। কিছুমান লোকে দিনৰ দিনটো বহি থাকিও কামত ব্যস্ত হৈ দীৰ্ঘসময় পৰিশ্ৰম কৰে। বিশেষকৈ কম্পিউটাৰ, লিখা-মেলা কৰা লোকসকলে দীৰ্ঘসময় ধৰি একে ঠাইতে বহি থাকি পাছত আকৌ নিশা দুপৰত টোপনি যায়। এনে ধৰণৰ পৰিশ্ৰমৰ ক্ষেত্ৰত বেছি কেলৰিৰ প্ৰয়োজন নহয়। এজন সুস্থ ব্যক্তিৰ বাবে দৈনিক ১৬০০-১৭০০ কিলো কেলৰিৰ প্ৰয়োজন। আনহাতে, মেদবহুল লোকৰ বাবে ১২০০ কিলো কেলৰিয়ে যথেষ্ট। যদি ডায়েবেটিছত আক্ৰান্ত ব্যক্তি এজনে শৰ্কৰা নিয়ন্ত্ৰণত থকাৰ পাছত এদিন এটা মিঠাই খায় তেতিয়াহ'লে তেওঁ ভাত বা ৰুটি কমকৈ খাব লাগিব। অৰ্থাৎ এবিধ খোৱাৰ বাবে আনবিধ কম পৰিমাণে খালে শৰীৰত কেলৰিৰ পৰিমাণ নিয়ন্ত্ৰণত থাকিব। সেইবাবে কৃত্ৰিম চেনি বা মিঠাইৰ ক্ষেত্ৰতো সকলোৱে সাৱধান হ'ব লাগিব। কিছুমানে আকৌ কৃত্ৰিম চেনি খোৱাৰ মাজতে চেনি বা সৰল শৰ্কৰাও খায়। ফলত শৰ্কৰাৰ পৰিমাণ বৃদ্ধি পায়। মনত ৰখা উচিত যে শৰ্কৰা এদিনতে বৃদ্ধি পায় যদিও সেই পৰিমাণৰ শৰ্কৰাকে নিয়ন্ত্ৰণ কৰিবলৈ কে'বাদিনৰ প্ৰয়োজন হয়।

---

## গাখীৰ দাঁত পৰিষ্কাৰ কৰিব লাগে নে ?

# উজ্জ্বল হাঁহি আৰু দাঁতৰ যতন

**দাঁত** সৰুৰেই হওক বা ডাঙৰৰেই নহওক কিয় সদায় সমানেই পৰিষ্কাৰ কৰিব লাগে। পিছে আজিও বহুতৰে মনত ভ্ৰান্ত ধাৰণা আছে যে শিশুৱে দাঁত ভালদৰে পৰিষ্কাৰ নকৰিলেও কোনো কথা নাই। 'গাখীৰ খোৱা দাঁত বয়স হোৱাৰ লগে লগে এনে দাঁত সৰি যায়। পিছে এনে ধৰণৰ মানসিকতাৰ বশৱৰ্তী হৈ থকাৰ ফলত পৰৱৰ্তী সময়ত সমস্যাই গা কৰি উঠিব পাৰে। গাখীৰ খোৱা দাঁত যদি সদায় পৰিষ্কাৰ নকৰে তেতিয়াহ'লে দাঁতত গাঁত হোৱাৰ পৰা আৰম্ভ কৰি আলুৰো অসুখ হোৱাৰ আশংকা নুই কৰিব নোৱাৰি। শিশুসকলে সাধাৰণতে মিঠাই, চৰ্বত আদি বেছিকৈ খায়। এইবোৰ খোৱাৰ পাছত ভালদৰে মুখখন নোধোৱা বাবে দাঁতত গাঁত আদি হ'ব পাৰে। এনে ধৰণৰ সমস্যাৰ পৰা হাত সাৰিবলৈ শিশুটিক দাঁত গজাৰ পাছৰে পৰাই ব্ৰাছ কৰিবলৈ অভ্যাস গঢ়ি তুলিব লাগে। অৱশ্যে ব্ৰাছ কৰোতে কোমল ব্ৰাছ আদি ব্যৱহাৰ কৰিবলৈ দিয়া উচিত। গাখীৰ দাঁত আপোনা আপুনি সৰি গৈ স্থায়ী দাঁত গজিব বুলি ভাবি থকাৰ দিন কেতিয়াবাই উকলি গ'ল। এতিয়া এনে ধাৰণাৰ সলনি কৰিবৰ হ'ল।

### চকলেট খালেই দাঁতত গাঁত নহয়

সাধাৰণতে বহুতৰে মনত ভ্ৰান্ত ধাৰণা আছে যে চকলেট খালেই শিশুৰ দাঁতত গাঁত হোৱা সমস্যাই গা কৰি উঠে। বেছিকৈ চকলেট খোৱাসকলৰ এনে ধৰণৰ সমস্যাই জটিল ৰূপ লয়। চকলেট খালেই যে এনে হ'ব তেনে কোনো কথা নাই। অৱশ্যে চকলেট বা মিঠাজাতীয় খাদ্য খোৱাৰ পাছত মুখখন ভালদৰে ধুব লাগে।

### ভালদৰে ব্ৰাছ কৰিলেও মুখৰ দুৰ্গন্ধ ওলাব পাৰে

মুখৰ পৰা দুৰ্গন্ধ ওলোৱাৰ ফলত বহুতে সামাজিক ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। বিশেষকৈ আনৰ সতে কথোপকথন হওঁতে বহুতে অস্বস্তিত পৰে। প্ৰায়ভাগ লোকৰে মনত এটা ভ্ৰান্ত ধাৰণা আছে যে কেৱল ভালদৰে ব্ৰাছ নকৰা বাবেহে মুখৰ পৰা দুৰ্গন্ধ ওলায়। এয়া অন্যতম কাৰণ যদিও আন কাৰণৰ বাবেও এনে হোৱা দেখা যায়। ৯০ শতাংশ লোকৰ ক্ষেত্ৰত মুখখন ভালদৰে পৰিষ্কাৰ নকৰাৰ ফলত দুৰ্গন্ধ ওলায় যদিও কিছুমানৰ সঘনাই চিগাৰেট সেৱন, কিছুমান বিশেষ খাদ্য আৰু পানীৰ বাবেও হ'ব পাৰে। সেইবাবে এনে সমস্যাৰ পৰা হাত সাৰিবলৈ উপযুক্তভাৱে খাদ্য গ্ৰহণ, পানীয় আদিৰ পৰা আঁতৰি থকাৰ লগতে মাউথৱাছৰ দ্বাৰা ভালদৰে সদায় মুখখন পৰিষ্কাৰ কৰা উচিত।

### চুইংগাম দাঁতৰ বাবে নহয় অপকাৰী

দাঁতৰ বাবে চুইংগাম খোৱাটো অপকাৰী বুলি বহুতেই ভাবে। বেছিকৈ চুইংগাম খোৱাৰ ফলত দাঁতৰ ওপৰত প্ৰভাৱ পৰে বুলি ভবাটো শুদ্ধ বুলি ক'ব নোৱাৰি। কাৰণ চুইংগাম চোবাই থাকিলে দাঁতৰ গাঁত হোৱা আদি সমস্যাই দেকা দিয়াৰ আশংকা কম। যেতিয়া চুইংগাম চোবায় তেতিয়া মুখত লেলাউটি নিঃসৰণ বেছিকৈ হ'বলৈ ধৰে। ফলত মুখখন থকা অপকাৰী বহুবোৰ ধোৱা গৈ থাকে দাঁতত জমা হোৱা টান অংশ খাদ্য ভাঙি যোৱাৰ ফলত সৃষ্টি হোৱা এচিডো ধুই নিয়াত সহায় কৰে। চুইংগাম খালে দাঁতত সহজে গাঁত সৃষ্টি হোৱাৰো আশংকা নাথাকে। অৱশ্যে চুইংগাম চোবোৱাটো ব্ৰাছ কৰাৰ বিকল্প হ'ব নোৱাৰে।



### কিয় শিশুটোৱে বুঢ়া আঙুলি চোহে

শিশুসকলৰ অভ্যাসসমূহে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। এইবোৰৰ ভিতৰত হাতৰ বুঢ়া আঙুলি চোহাৰ অভ্যাস অন্যতম। সাধাৰণতে এনে ধৰণৰ অভ্যাস গঢ়ি উঠিলে শিশুটোক সুখী আৰু সুৰক্ষিত অনুভৱ কৰা বুলি কোৱা হয়। অৱশ্যে এনে অভ্যাস গঢ়ি উঠা শিশুটো কিমান সুখী অথবা সুৰক্ষিত অনুভৱ কৰে সেয়া এতিয়াও চৰ্চাৰ বিষয়। সি যি কি নহওক এনে ধৰণৰ অভ্যাস চাৰি-পাঁচবছৰ মানলৈকে থাকে। এই সমস্যাত আঙুলি চোহাৰ অভ্যাস হ'লেও দাঁত আৰু হনুৰ বিশেষ ক্ষতি নহয়। অৱশ্যে স্থায়ী দাঁত ওলোৱাৰ পাছতো ছয় বছৰৰ পাছতো যদি এনে অভ্যাস থাকে তেতিয়া আঙুলিৰ প্ৰায়োগিক হেঁচাৰ বাবে উৰ্ধ হনুৰ আলুৰ অংশত বিশেষ পৰিৱৰ্তন হ'বলৈ ধৰে। এনে ধৰণৰ অভ্যাসৰ ফলত উৰ্ধ হনু সাধাৰণ অৱস্থাতকৈ ঠেক হয়। সেইবাবে দাঁতবোৰ উপৰাউপৰিকৈ গজে। এনে হ'লে কেতিয়াবা কেতিয়াবা কথোপকথনতো সমস্যাৰ সৃষ্টি হ'ব পাৰে। আঙুলি চোহাটো এক মানসিক সমস্যা হিচাপে গণ্য কৰা হয়। সেইবাবে এনে ধৰণৰ সমস্যা সমাধানৰ ক্ষেত্ৰত পিতৃ-মাতৃৰ লগতে অভিভাৱকে বিষয়টো গুৰুত্ব সহকাৰে লোৱাটো উচিত।

### দাঁতৰ আলুৰ ৰোগ কেৱল মুখতেই আবদ্ধ নাথাকে

**দাঁতৰ** আলুত বিভিন্ন ধৰণৰ বেক্টেৰিয়াৰ বাবে বহুতো ৰোগৰ সৃষ্টি হয়। যিহেতু ই দাঁতৰ লগত জড়িত সেয়া আন অংশলৈ বিয়পি নাযায় বুলি ভবা লোকৰ সংখ্যাই বেছি। পিছে এনে দাঁতৰ আলুৰ ৰোগেই হৃদৰোগ, ডায়েবেটিক, অধিক জটিল কৰিব পাৰে বুলি গৱেষকসকলে মন্তব্য কৰিছে। কাৰণ মুখত বাহ লোৱা বেক্টেৰিয়া, ভাইৰাছ আদিয়ে খাদ্য গ্ৰহণৰ সময়ত পেটত প্ৰৱেশ কৰে। তদুপৰি হৃদযন্ত্ৰলৈও যোৱাৰ আশংকা থাকে। সেইবাবে হৃদৰোগৰ অস্ত্ৰোপচাৰৰ সময়ত দাঁতৰ সমস্যা আদি আছে নে নাই সেয়া দন্ত চিকিৎসকৰ দ্বাৰা পৰীক্ষা কৰোৱাই লয়। দাঁতৰ আলুৰ ৰোগ বিশেষকৈ পায়োৰিয়া ৰোগৰ বাবে হৃদৰোগ হোৱাৰ আশংকা থাকে বুলি গৱেষকসকলে মন্তব্য কৰিছে। ইয়াৰ ফলত হোৱা বেক্টেৰিয়াজনিত সংক্ৰমণ যেতিয়া তেজলৈ বিয়পে তেতিয়া হৃদযন্ত্ৰৰ ভাল্‌ভত প্ৰভাৱ পৰাৰ আশংকা থাকে।

### দাঁতৰ ৰোগৰ বাবে হ'ব পাৰে 'ডিমেনচিয়া'

দাঁতৰ ৰোগৰ বাবে স্মৃতিহ্ৰাস বা ডিমনেচিয়াই গা কৰি উঠিব পাৰে। দাঁতৰ আলুৰ সংক্ৰমণ হ'লে ইয়াৰ পৰা ওলোৱা সংক্ৰামকে (বেক্টেৰিয়া আদিয়ে) তেজৰ মাধ্যমত মস্তিষ্কৰ কোষ ধ্বংস কৰিব পাৰে। মস্তিষ্কৰ কোষ যিমানেই ধ্বংস হ'বলৈ ধৰে সিমানেই ডিমেনচিয়া বা স্মৃতিশক্তি হ্ৰাস অথবা লোপ পোৱা ৰোগে গা কৰি উঠাৰ আশংকা থাকে। বিশেষকৈ জিজিভাইটিছ হ'লে বেক্টেৰিয়া আদিয়ে স্নায়ুত প্ৰভাৱ পেলোৱাৰ ফলত এলঝেইমাৰ ৰোগে গা কৰি উঠিব পাৰে।

---

## মিঠাই খালে

# ডায়েবেটিছ

## বৃদ্ধি হয় নে?



**আজিকালি** প্ৰায়ভাগ লোকেই মিঠাই খাব নোখোজে। কিছুমান লোকে মিঠাই শব্দটো শুনাৰ লগে লগে সাত জাঁপ মাৰে। চাহ দোকানতো বিনা চেনিৰ চাহ বিচৰা লোকৰ সংখ্যা দিনক দিনে বৃদ্ধি পাইছে। কম বয়সীয়া ল'ৰা-ছোৱালীয়ে মিঠাইৰ পৰা সাত হাত আঁতৰত থাকিব বিচাৰে। এনে কিছু লোক আছে যিয়ে চাহৰ লগত মিঠাই নাখায় যদিও ৰসগোল্লা আদি খোৱাৰ লোভ সামৰিব নোৱাৰে। বিনা চেনিৰ চাহৰ লগত মিঠাই খোৱা লোকৰ সংখ্যাই এতিয়া অধিক; কিন্তু এনে কৰিলে তেজত শৰ্কৰাৰ পৰিমাণ হ্ৰাস অথবা নিয়ন্ত্ৰণত থাকে জানো?

দুই দশকমান আগলৈকে যিয়ে যিমান পাৰে সিমান মিঠাই খাইছিল। চাহৰ কথাতো বাদেই দৈ, চিৰা আদিৰ লগত বেছিকৈ মিঠাই খোৱাৰ প্ৰতিযোগিতাহে চলিছিল। এনেদৰে মিঠাই বেছিকৈ গ্ৰহণ কৰিলেও বিশেষ সমস্যাৰ সৃষ্টি হোৱা নাছিল। সকলোৱে স্বাভাৱিকভাৱেই কাৰ্য সম্পাদন কৰিছিল। অথচ এতিয়া 'মিঠা' বুলি ক'লেই প্ৰায়ভাগ লোকেই সাত জাঁপ মাৰে। সম্প্ৰতি কমৰো কম মিঠাই খোৱা লোকৰ সংখ্যাই বেছি। কাৰণ মিঠাইৰ স'তে জড়িত হৈ থকা 'ডায়েবেটিছ' শব্দটোৱে এতিয়া সকলোৰে বাবে হৈ পৰিছে ত্ৰাসৰ কাৰণ। ডায়েবেটিছত আক্ৰান্ত হোৱাৰ লগে লগে জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে নিয়ন্ত্ৰণ কৰাটো গুৰুত্বপূৰ্ণ বিষয় হৈ পৰে। খোৱা-বোৱাৰ পৰা আৰম্ভ কৰি জিৰণি লোৱা, কৰ্মক্ষেত্ৰ সকলোতে নিৰ্দিষ্ট নিয়মৰ মাজেদি আগবাঢ়িবলগীয়া হয়।

মিঠাই খালেই ডায়েবেটিছ হয় নে? নিশ্চয় নহয়। মিঠাই খোৱাটো শৰীৰৰ বাবে প্ৰয়োজন। কাৰণ মিঠাইৰ উপাদানে শাৰীৰিক ভাৰসাম্য ৰক্ষাত সহায় কৰে। শৰীৰৰ বাবে প্ৰয়োজনীয় উপাদানসমূহৰ ভিতৰত অন্যতম হ'ল শৰ্কৰা। আমি গ্ৰহণ কৰা প্ৰায়ভাগ খাদ্যতেই কম-বেছি পৰিমাণে শৰ্কৰা থাকে। সেইবাবে খাদ্য তালিকাত সুষম আহাৰ অন্তৰ্ভুক্ত হোৱাটো গুৰুত্বপূৰ্ণ বিষয়। এতিয়া বহুতৰে মনত শৰ্কৰা হৈ পৰিছে খলনায়ক সদৃশ। দৰাচলতে এইবিধ উপাদান তেতিয়াহে শৰীৰৰ বাবে অপকাৰী হয় যেতিয়া তেজত ইয়াৰ উপস্থিতি অস্বাভাৱিক ৰূপত ধৰা পৰে। নিৰ্দিষ্ট পৰিমাণতকৈ বেছি থাকিলে ডায়েবেটিছে লাহে লাহে জটিল ৰূপ ধাৰণ কৰে। অৱশ্যে ইয়াক নিয়ন্ত্ৰণ কৰি ৰাখিলে কোনো সমস্যাই জটিল ৰূপ ধাৰণ কৰিব নোৱাৰে। এই উপাদানবিধ নিয়ন্ত্ৰণ বিষয়টো খাদ্য গ্ৰহণ, কায়িক শ্ৰমৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত। সেইবাবে ইয়াক নিয়ন্ত্ৰণ কৰিবলৈ হ'লে দৈনন্দিন জীৱনৰ প্ৰতিটো বিষয়তে সমানেই গুৰুত্ব প্ৰদান কৰিব লাগিব।

শৰ্কৰা নিয়ন্ত্ৰণ কৰে ইনছুলিন নামক অগ্নাশয়ৰ পৰা নিঃসৃত হৰম'ন বিধে। ইনছুলিন স্বাভাৱিক পৰিমাণে নিঃসৃত হৈ থাকিলে তেজত শৰ্কৰাও নিৰ্দিষ্ট পৰিমাণেই থাকে। যেতিয়া কোনো কাৰণত ইনছুলিন নিঃসৰণত ব্যাঘাত জন্মে তেতিয়াই আৰম্ভ হয় বিপদ। ইনছুলিন নিঃসৰণত উনৈশ-বিশ হোৱাৰ আঁৰত থাকে বিভিন্ন কাৰণ। যিসকলৰ একেবাৰে নিঃসৰণ নহয় তেওঁলোকে ইনছুলিন দিবলগীয়া হয়। দৰাচলতে ইনছুলিনৰ নিঃসৰণত ব্যাঘাত জন্মিলেহে শৰ্কৰা নিয়ন্ত্ৰণ হয় নে নহয় সেয়া জড়িত হৈ পৰে।

### ৰোগীৰ বাবে চেনি নে গুড় মিঠাই ভাল

চেনি আৰু গুড় মিঠাইত থকা শৰ্কৰাৰ মাজত কিবা পাৰ্থক্য আছে জানো? প্ৰায়ভাগ লোকেই চেনিতকৈ মিঠাই শৰীৰৰ বাবে উপকাৰী বুলি ভাবে। সেইবাবে বহুতেই বিশেষকৈ ডায়েবেটিছত আক্ৰান্ত লোকসকলে চেনিৰ পৰিৱৰ্তে গুড় মিঠাই খায়। গুড় মিঠাইত শৰ্কৰা কম থাকে বুলি ভাবে। চেনি মানেই শৰ্কৰা। অথচ গুড় মিঠাইত চেনিতকৈ কোনো গুণেই কম শৰ্কৰা নাথাকে। ডায়েবেটিছত আক্ৰান্ত লোকৰ বাবে শৰ্কৰা নিয়ন্ত্ৰণ কৰাটো অতিকৈ গুৰুত্বপূৰ্ণ। এয়া চেনিতেই অথবা গুড় মিঠাইতে হওক কোনো কথা নাই। ভ্ৰান্ত ধাৰণাৰ বশৱৰ্তী হৈ চেনিৰ পৰিৱৰ্তে গুড় মিঠাই খোৱাৰ মানসিকতা সলনি কৰিব লাগিব। কাৰণ এনে কৰাৰ ফলত কিছুমান ৰোগীৰ শৰ্কৰা ইমানেই বৃদ্ধি পায় যে ইয়াক নিয়ন্ত্ৰণ কৰাটো প্ৰত্যাহ্বান স্বৰূপ হয়। এগৰাকী ডায়েবেটিছত আক্ৰান্ত ৰোগীয়ে দিনটোৰ ভিতৰত কিমান শৰ্কৰা, কেলৰি গ্ৰহণ কৰিব পাৰে সেই সম্পৰ্কে জানি থোৱাটো তেনেই গুৰুত্বপূৰ্ণ বিষয়। প্ৰয়োজনতকৈ কেতিয়াও বেছি চেনি, মিঠাই নাখাব। এই ক্ষেত্ৰত চিকিৎসক, পুষ্টি বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত।

---



# যৌৱন ধৰি ৰাখিব বিচাৰিলে

**প্ৰতিগৰাকী** ব্যক্তিয়ে চিৰ তৰুণ-তৰুণী হৈ থাকিব বিচৰাটো প্ৰবৃত্তি বুলি ক'লেও অতুক্তি কৰা নহ'ব। সেইবাবে বাৰ্ধক্য কাৰো কাম্য নহয়। সাধাৰণতে বয়সৰ চাপ নপৰিবলৈ সেইবাবে প্ৰায়ভাগ লোকেই প্ৰসাধনী সামগ্ৰী ব্যৱহাৰ কৰা দেখা যায়। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰা মানুহে প্ৰসাধনী সামগ্ৰীৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আহিছে। পিছে প্ৰসাধনী সামগ্ৰীৰে কোনো এগৰাকী মহিলা বা এজন পুৰুষে এক নিৰ্দিষ্ট সময়ৰ বাবেহে বয়সৰ চাপ আনৰ দৃষ্টিৰ পৰা লুকুৱাই ৰাখিব পাৰে। দীৰ্ঘদিন ধৰি এনেদৰে যৌৱন ধৰি ৰখাটো কাৰো বাবে সম্ভৱ নহয়। প্ৰসাধন নকৰিলে তেওঁলোকৰ শৰীৰৰ প্ৰকৃত ৰূপ ওলাই পৰে। পিছে যদিহে কম বয়সৰ পৰাই কিছুমান বিষয়ত গুৰুত্ব প্ৰদান কৰা হয় তেতিয়াহ'লে যৌৱন ধৰি ৰখাটো সম্ভৱ বুলি গৱেষকসকলে মন্তব্য কৰিছে। কিছুমান বিষয়ত সৰুৰে পৰা গুৰুত্বপূৰ্ণ প্ৰদান কৰিলে দীৰ্ঘদিন ধৰি যৌৱন ধৰি ৰখাটো সম্ভৱ হয়।

■ গৱেষকসকলে শেহতীয়াভাৱে এই বুলি মন্তব্য কৰিছে যে সামুদ্ৰিক মাছ নিয়মীয়াভাৱে গ্ৰহণ কৰিলে শৰীৰত বাৰ্ধক্যৰ চাপ সোনকালে নপৰে। 'ৰেড মীট' বা মাংসৰ পৰিৱৰ্তে সামুদ্ৰিক মাছ খালে শৰীৰে প্ৰয়োজনীয় প্ৰ'টিন লাভ কৰিব। অৱশ্যে এনেধৰণৰ মাছ নিয়মীয়াকৈ গ্ৰহণৰ সময়ত পুষ্টি বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত।

■ সাধাৰণতে আমাৰ খাদ্য সম্ভাৰ প্ৰস্তুত কৰোতে সৰিয়হৰ তেল ব্যৱহাৰ কৰা হয়। পিছে গৱেষকসকলে এনে তেলৰ পৰিৱৰ্তে 'অলিভ অইল' বা জলফাইৰ পৰা প্ৰস্তুত কৰা তেল ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। কিয়নো খাদ্য প্ৰস্তুত কৰোতে ব্যৱহাৰ কৰিলে শৰীৰত ক'লেষ্টেৰলৰ পৰিমাণ হ্ৰাস বা নিয়ন্ত্ৰিত হ'ব। তদুপৰি চৰ্বি আদি জমা হ'বলৈ সুযোগ নাপায়। আন তেলৰ তুলনাত অলিভ অইল উপকাৰী বুলি গৱেষকসকলে মন্তব্য কৰিছে।

■ দৈনন্দিন খাদ্য তালিকাত সতেজ শাক-পাচলি অন্তৰ্ভুক্ত কৰা উচিত। এই শাক-পাচলিৰ ভিতৰত গাজৰ আৰু বিলাহী অন্তৰ্ভুক্ত কৰিলে অধিক সুফল পোৱা যায়। ছাল আৰু স্বাস্থ্য ৰক্ষাৰ বাবে প্ৰয়োজনীয় উপাদনসমূহ এই দুবিধ পাচলিত পোৱা যায়।

# অবড়ো গাঁও কৰ্তনৰ প্ৰতিবেদন ৰাজহুৱা কৰক

## হাউলীত অবড়ো সুৰক্ষা সমিতিৰ সভা ঃ প্ৰতিবেদন প্ৰকাশ নকৰাত ক্ষোভ



লংকাত অনুষ্ঠিত হোজাই জিলা সাহিত্য সভাৰ অনুষ্ঠানৰ এটি দৃশ্য, শনিবাৰে।

অগ্ৰদূত বাৰ্তা

**হাউলী, ১০ ছেপ্টেম্বৰ ঃ** বিটিআৰৰ পৰা অবড়ো সংখ্যাগৰিষ্ঠ গাঁওসমূহ কৰ্তনৰ বাবে ২০২০ৰ ২০ জানুৱাৰীত স্বাক্ষৰিত হোৱা চুক্তিৰ ৩.১ দফাৰ বাস্তৱ ৰূপায়ণ কৰিবলৈ অসমৰ ৰাজ্যপাল আৰু অসম চৰকাৰে প্ৰাক্তন মুখ্য সচিব পিপি বাৰ্মা, বিটিচিৰ প্ৰশাসক ৰাজেশ প্ৰসাদ, নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ এবছুৰ প্ৰতিনিধি জয়ন্ত বসুমতাৰীৰ লগতে ওদালগুৰিৰ ডালিম বায়নক আয়োগৰ সদস্যৰূপে লৈ পাঁচজনীয়া এটি আয়োগ গঠন কৰি অনুমোদন জনোৱাৰ পাছত এই আয়োগে ছমাহৰ ভিতৰত গাঁও অন্তৰ্ভুক্তি বা কৰ্তনৰ দিশবোৰ পৰ্যালোচনা কৰি প্ৰতিবেদন দাখিল কৰাৰ কথা ২০২০ৰ ২৬ ছেপ্টেম্বৰত সংবাদ মাধ্যমত প্ৰকাশ পাইছিল। কিন্তু উক্ত আয়োগে প্ৰায় এবছৰ কাল ধৰি বিটিআৰৰ গাঁও কৰ্তন আৰু অন্তৰ্ভুক্তিকৰণৰ কামসমূহ কৰি থকা অৱস্থাত আয়োগৰ অধ্যক্ষ পিপি বাৰ্মাৰ আকস্মিক মৃত্যু হোৱাৰ তিনি মাহ পাছত পুনৰ বিটিআৰৰ অবড়ো জনগোষ্ঠীৰ আবেদন মৰ্মে অসম চৰকাৰৰ বড়োলেণ্ড কল্যাণ বিভাগে অসম সচিবালয়ৰ প্ৰিন্সিপাল ড° আশিষ কুমাৰ ভূটানীক বিটিআৰৰ পৰা গাঁও কৰ্তন আৰু গাঁও অন্তৰ্ভুক্তিকৰণৰ বাবে উক্ত আয়োগৰ অধ্যক্ষ নিযুক্ত কৰে। নিযুক্তি পোৱাৰ আঠ-ন মাহ পাৰ হোৱাৰ পাছতো গাঁও কৰ্তন আৰু অন্তৰ্ভুক্তিৰ কাম কিমানখিনি সম্পন্ন কৰা হ'ল তাক আজিলৈকে ৰাজহুৱা নকৰাত অবড়ো দল-সংগঠনে অনিশ্চয়তাত দিন কটাবলগীয়া হৈছে বুলি এক প্ৰেছ বিজ্ঞপ্তিযোগে জানিবলৈ দিয়ে সংগঠনটোৱে। বিটিআৰ চুক্তি সম্পাদন কৰা ইতিমধ্যে দুবছৰ অতিক্ৰম হ'ল যদিও গাঁও কৰ্তনৰ প্ৰতিবেদন আজিলৈকে ৰাজহুৱা নকৰাত অবড়ো সুৰক্ষা সমিতি অসমে গভীৰ উদ্বেগ প্ৰকাশ কৰে। অবড়ো সুৰক্ষা সমিতি অসমৰ এটি জৰুৰী কাৰ্যনিৰ্বাহক সভা আজি পুৱা ১১ বজাত এডভোকেট ছুৰৎ জামান সৰকাৰৰ পৌৰোহিত্যত হাউলী ক্লাব প্ৰাংগণত অনুষ্ঠিত সভাত বিটিআৰৰ পৰা অবড়ো সংখ্যাগৰিষ্ঠ গাঁওসমূহ কৰ্তন কৰি বিটিচি গঠনৰ পূৰ্বে উক্ত গাঁওসমূহ যি যি জিলাত আছিল সেই জিলাবোৰৰ লগত সংলগ্ন কৰা আৰু এই সংক্ৰান্তীয় যাৱতীয় ব্যৱস্থাৱলীৰ প্ৰতিবেদনখন ৰাজহুৱা কৰাৰ দাবী জনায়। অন্যথা সমিতিয়ে আইনৰ দ্বাৰস্থ হ'ব বুলি উল্লেখ কৰি সংবাদ মাধ্যমৰ যোগেদি অসম চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰাৰ লগতে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ দাবী জনাই সৰ্বসন্মত এটি প্ৰস্তাৱ গ্ৰহণ কৰে সংগঠনটিয়ে। সভাত অবড়ো সুৰক্ষা সমিতি অসমৰ কাৰ্যকৰী সভাপতি ভাৰত বৰ্মন, উপ-সভাপতি দেৱান আব্দুছ ছাহেদৰ লগতে শ্বাহাদত হুছেইন সৰকাৰ, জয়পতি ১৩ পৃষ্ঠাত চাওক

# তেজপুৰত বিশ্ব আত্মহত্যা প্ৰতিৰোধী দিৱস উদ্‌যাপন



ষ্টাফ ৰিপৰ্টাৰ

**তেজপুৰ, ১০ ছেপ্টেম্বৰ ঃ** তেজপুৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত আজি উদ্‌যাপন কৰা হয় বিশ্ব আত্মহত্যা প্ৰতিৰোধী দিৱস। এই দিৱস তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু মানসিক স্বাস্থ্য প্ৰতিষ্ঠানৰ 'য়ুথ ৱেলনেছ হাব' উদ্যোগত উদ্‌যাপিত হয়। সেই উদ্দেশ্যে কমিউনিটি চাইকিয়াট্ৰিৰ অধীনত তেজপুৰৰ পাঁচমাইল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰায় এশৰো অধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত আত্মহত্যা প্ৰতিৰোধ সজাগতা সম্পৰ্কে বিভিন্ন অনুষ্ঠান ৰূপায়ণ কৰা হয়। মানসিক চিকিৎসা প্ৰতিষ্ঠানত তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা ৰূপায়িত অনুষ্ঠানত তেজপুৰ মহাবিদ্যালয়কে ধৰি প্ৰতিষ্ঠানৰ বিভিন্ন বিভাগৰ কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু বিভিন্ন বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকলেও অংশগ্ৰহণ কৰে। আন্তঃৰাষ্ট্ৰীয় আত্মহত্যা প্ৰতিৰোধ সংস্থাৰ সহযোগিতাৰে বিশ্ব স্বাস্থ্য সংস্থাৰ অনুমোদন সাপেক্ষে ২০০৩ৰ পৰা এই এই দিৱস উদ্‌যাপন কৰি অহা হৈছে ঘাইকৈ সমাজত আত্মহত্যা সম্পৰ্কীয় সজাগতামূলক শিক্ষা, আত্মহত্যা যে প্ৰতিৰোধ কৰিব পাৰি সেই দীক্ষা লগতে আত্মহত্যাৰ ক্ষেত্ৰত জড়িত কাৰকসমূহ নিৰ্মূলৰ চেষ্টাই হৈছে এই দিৱসৰ মূল কথা। প্ৰতিষ্ঠানৰ চাইকিয়াট্ৰিক নাৰ্ছিং বিভাগে ৰোগী আৰু আত্মীয়ৰ বাবে সজাগতামূলক অনুষ্ঠান, চাইকিয়াট্ৰিক ছ'চিয়েল ৱৰ্ক বিভাগৰ উদ্যোগত সজাগতা সভা আদি অনুষ্ঠিত কৰা হয়। সভাত প্ৰতিষ্ঠানৰ বিভিন্ন বিভাগৰ কৰ্মচাৰীসকলেও অংশগ্ৰহণ কৰে।

# জিকিৰ-জাৰীক বিশ্ব দৰবাৰলৈ নিয়াৰ সংকল্প প্ৰতিগৰাকী শিল্পীৰ

## যোৰহাটত ৰাজ্যৰ জিকিৰ শিল্পীৰ মত বিনিময় অনুষ্ঠান আৰম্ভ



ষ্টাফ ৰিপৰ্টাৰ

**যোৰহাট, ১০ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন ঠাইৰ জিকিৰৰ অনাতাঁৰ শিল্পীৰ লগতে জিকিৰ গায়কক লৈ যোৰহাটত দুদিনীয়াকৈ মত বিনিময় অনুষ্ঠানৰ আজি আৰম্ভ হয়। যোৰহাটৰ আচিয়ানা ভৱনত অনুষ্ঠিত মত বিনিময় অনুষ্ঠানৰ আজি প্ৰথম দিনা বিভিন্ন জিলাৰ ৩০ গৰাকীৰো অধিক জিকিৰ-জাৰী শিল্পীয়ে অংশগ্ৰহণ কৰে। হজৰত আজান পীৰ (ৰঃ) দৰগাহ পৰিচালনা সমিতি (তদৰ্থ)ৰ উদ্যোগত আয়োজিত এই মত বিনিময় অনুষ্ঠানত প্ৰথমবাৰৰ বাবে একেখন মঞ্চত একলগ হৈ আপোনহাৰাই নহয় নিজৰ অনুভৱ আৰু জিকিৰ-জাৰী পৰিৱেশন কৰি জীপাল কৰি তোলে আচিয়ানা ভৱন। উল্লেখ্য যে আজান পীৰ চাহাবৰ জিকিৰসমূহ বিভিন্ন অনাতাঁৰ শিল্পী তথা জিকিৰ চৰ্চা কৰা সকলে তেওঁলোকৰ নিজাববীয়া প্ৰচেষ্টাত প্ৰচাৰ আৰু প্ৰসাৰ কৰি আহিছে যদিও বৰ্তমান পৰ্যন্ত এই শিল্পীসকলে একেলগ হৈ মত বিনিময় ১৩ পৃষ্ঠাত চাওক

# গোৱালপাৰা বিদ্যুৎ উপভোক্তা সমিতিৰ গুৰুত্বপূৰ্ণ সভা

## স্মাৰ্ট মিটাৰ উঠাই নল'লে জিলা বন্ধৰ হুংকাৰ



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১০ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা বিদ্যুৎ উপভোক্তা সমিতিৰ সভাপতি ননী দাসৰ পৌৰোহিত্যত গোৱালপাৰা চহৰৰ মৰিয়ম নগৰস্থিত গ্ৰীণভেলী ক্লাবৰ খেল পথাৰত আজি আবেলি বিদ্যুৎ ১৩ পৃষ্ঠাত চাওক

# সৰুপথাৰত জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত নাগৰিক সভা



**উৰিয়ামঘাট, ১০ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলা ধনশিৰি মহকুমাৰ ছহিদ কুশল কোঁৱৰ জাতীয় বিদ্যালয় প্ৰাংগণত জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ জিলা সভাপতি পল্লৱ বৰবৰাৰ সভাপতিত্বত প্ৰায় পাঁচশতাধিক ৰাইজৰ উপস্থিতিত এখন নাগৰিক সভা অনুষ্ঠিত হয়। সভাত অসম চৰকাৰে ইতিমধ্যে ঘোষণা কৰা, অসমৰ মাতৃভাষা মাধ্যমৰ চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়ত তৃতীয় শ্ৰেণীৰ পৰা বিজ্ঞান আৰু গণিত বিষয় দুটা ইংৰাজী মাধ্যমত পাঠদান কৰোৱা, সম্প্ৰতি প্ৰচলিত সমাজ বিজ্ঞান বিষয়ৰ পৰিৱৰ্তে বুৰঞ্জী আৰু ভূগোল বিষয় দুটা প্ৰচলন কৰিব বিচৰা, নতুন শিক্ষা নীতি আদি বিষয় সন্দৰ্ভত এক আলোচনা অনুষ্ঠিত হয়। গোলাঘাট জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ অন্তৰ্গত ধনশিৰি মহকুমাৰ বিভিন্ন বিদ্যালয়ৰ শিক্ষক-অভিভাৱক উপস্থিত থকা সভাখনত উপস্থিত থাকে গুৱাহাটীৰ অসম জাতীয় বিদ্যালয় সমন্বয় সমিতিৰ বিষয়া আৰু জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱা, অঞ্চলটোৰ বিশিষ্ট শিক্ষাবিদ ৰবীন চেতিয়া, জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতি গোলাঘাট জিলা সম্পাদক সঞ্জীৱ চাৰিঙীয়া, সাহিত্য সভা সৰুপথাৰ শাখাৰ সভাপতি সূৰ্য গগৈ, অধ্যাপক ড° নয়নমণি মেধি, লীলা বৰা, ভূৱন কোঁৱৰ, বলিন বৰা, ৰঞ্জন মহন্ত, গণতান্ত্ৰিক যুৱ ফেডাৰেছনৰ জিলা সভাপতি ১৩ পৃষ্ঠাত চাওক

# দেৰগাঁৱত মন্দিৰা ঠাকুৰ স্মৃতি ন্যাস-জিতেন শৰ্মা তামুলী, অমূল্য-দেৱী সোঁৱৰণী শৈক্ষিক বঁটা প্ৰদান

**দেৰগাঁও, ১০ ছেপ্টেম্বৰ ঃ** দেৰগাঁও বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰতি বছৰে অনুষ্ঠিত হৈ অহা মন্দিৰা ঠাকুৰ স্মৃতি ন্যাসৰ বঁটা আৰু জিতেন শৰ্মা তামুলী, অমূল্য দেৱী সোঁৱৰণী শৈক্ষিক বঁটা প্ৰদান অনুষ্ঠানটো আজি বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে একালৰ মেধাৱী ছাত্ৰী, প্ৰয়াত মন্দিৰা ঠাকুৰ আৰু জিতেন শৰ্মা তামুলী, অমূল্য দেৱীৰ প্ৰতিচ্ছবিৰ আগত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰি অৱসৰপ্ৰাপ্ত সঞ্চালক পৰ্যায়ৰ বিজ্ঞানী ড° চৌধুৰী নাথ শইকীয়াই সাৰগৰ্ভ ভাষণ দিয়ে। ইয়াৰ পাছতে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° যোগেশ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হয় মূল বঁটা প্ৰদান সভা। মন্দিৰা ঠাকুৰ স্মৃতি ন্যাসৰ দাতা, বিশিষ্ট শিক্ষাবিদ ড° পৰাগ কুমাৰ ঠাকুৰে উদ্দেশ্য ব্যাখ্যা কৰা সভাত ৰাজ্যিক কৃতী শিক্ষকৰ বঁটাপ্ৰাপ্ত অধ্যক্ষ চিদানন্দ পাঠকে আদৰণি ভাষণ আগবঢ়ায়। বঁটা প্ৰদান অনুষ্ঠানৰ লগত সংগতি ১৩ পৃষ্ঠাত চাওক

# ডংকামোকামত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**ডংকামোকাম, ১০ ছেপ্টেম্বৰ ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ কৰিড'ৰ নগৰ ডংকামোকামৰ নাতি দূৰৈত অৱস্থিত ইংলেংগাঁৱত আজি পুৱাই এটা পুৰুষৰ মৃতদেহ উদ্ধাৰ হয়। পুৱাই গাঁওখনৰে এগৰাকী মহিলাই নিজৰ গৰু এৰাল দিবলৈ যাওঁতেই হঠাৎ অহা দুৰ্গন্ধৰ আঁত ধৰিয়েই মৃতদেহটো প্ৰত্যক্ষ কৰে। পিছে ৰাইজে ঘটনাৰ সংক্ৰান্তত ডংকামোকাম আৰক্ষীক খবৰ দিয়াত এই অচিনাক্ত অৰ্ধগলিত মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে ইতিমধ্যে প্ৰেৰণ কৰে।

# দুৰাৰোগ্য ৰোগত আক্ৰান্ত মেৰাপানীৰ পূৰ্ণিমা বৰা

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ১০ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ মেৰাপানীৰ দৈয়াং গাঁও পঞ্চায়তৰ বিজয়পুৰ গাঁৱৰ পূৰ্ণিমা বৰা (৩০) নামৰ মহিলাগৰাকী দীৰ্ঘদিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ দিন কটাবলগীয়া হৈছে। এই দৰিদ্ৰ পৰিয়ালটিয়ে স্বামী আৰু পত্নীয়ে দিন হাজিৰা কৰি এটি কন্যা সন্তান সহিতে পৰিয়াল পোহপাল দি ঘৰখন চলাই আছিল যদিও তাৰ মাজতে পত্নী পূৰ্ণিমা বৰাৰ হাত-ভৰি বিকল হৈ যোৱাৰ উপৰি গা-মূৰ ফুলি যোৱাত পৰিয়ালটোলৈ ঘোৰ অমানিশা নামি আহিছে। ডিব্ৰুগড়, গুৱাহাটীত পৰিয়ালটোৱে আঠ-নবছৰ ধৰি চিকিৎসা কৰাই মাটি-বাৰী বিক্ৰী কৰি সৰ্বস্বান্ত হ'ব লগা হৈছে। মাহেকত দুই-চাৰিবাৰ চিকিৎসালয়লৈ নিব লগাৰ উপৰি দুবাৰকৈ তেজ দিব লগা হয়। সেয়ে পূৰ্ণিমা বৰাৰ পৰিয়াল তথা স্বামী মন বৰাই গোলাঘাট সমষ্টিৰ বিধায়িকা অজন্তা নেওগ, স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত আৰু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক মহিলাগৰাকীক চিকিৎসাৰ কাৰণে আৰ্থিক সাহায্য আগবঢ়াবলৈ পূৰ্ণিমাৰ স্বামী মন বৰাই কাতৰ আহ্বান জনাইছে।

# ঔপন্যাসিক জুৰি বৰা বৰগোহাঞিলৈ 'লেখিকা সমাৰোহ সাহিত্য বঁটা'

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ১০ ছেপ্টেম্বৰ ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে আগন্তুক ঊনত্ৰিংশতিতম প্ৰদান কৰিবলগীয়া বঁটাসমূহৰ বাবে এখন উচ্চ পৰ্যায়ৰ বঁটা বাছনি সমিতিৰ যোগেদি সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ 'লেখিকা সমাৰোহ সাহিত্য বঁটা-২০২০'ৰ বাবে বিশিষ্ট ঔপন্যাসিক, গল্পকাৰ জুৰী বৰা বৰগোহাঞিক মনোনীত কৰিছে। ক্ষেত্ৰ অধ্যয়নৰ মাধ্যমেৰে উপন্যাস ৰচনাত এক নিজস্ব শক্তিশালী ধাৰা সৃষ্টি কৰা জুৰী বৰা বৰগোহাঞিলৈ এই সন্মান তেওঁৰ সাহিত্যৰাজিৰ বাবে আগবঢ়োৱা হৈছে। 'লেখিকা সমাৰোহ সাহিত্য বঁটা' বিগত সময়ত প্ৰসিদ্ধ লেখিকা অৰূপা পটংগীয়া কলিতা, অনুৰাধা শৰ্মা পূজাৰী আদিলৈ আগবঢ়োৱা হৈছিল। 'লেখিকা সমাৰোহ সাহিত্য বঁটা-২০১৯' আগবঢ়োৱা হৈছে এগৰাকী সফল মাতৃ হিচাপে পৰিচিত বিশিষ্ট ঔপন্যাসিক ড° নিৰুপমা মহন্তলৈ তেওঁৰ সাহিত্য কৃতিৰ বাবে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ বঁটা বাছনি সমিতিৰ যোগেদি 'লেখিকা সমাৰোহ সাহিত্য বঁটা'কে ধৰি এইবাৰ বিভিন্ন শিতানৰ বঁটাৰ বাবে মুঠ ১২ গৰাকী বিশিষ্ট লেখিকা, সাংবাদিক আৰু শিল্পীক মনোনীত কৰা হৈছে। আজি নগাঁৱত অনুষ্ঠিত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ কাৰ্যনিৰ্বাহক সভাই বঁটাপ্ৰাপকসকলৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। অহা ১৩ৰ পৰা ১৬ অক্টোবৰলৈ ইতিহাস প্ৰসিদ্ধ শিৱসাগৰ জিলাৰ 'সৰস্বতী নিৰ্মলপ্ৰভা বৰদলৈ সোঁৱৰণী ক্ষেত্ৰ'ত অনুষ্ঠিত হ'ব সদৌ অসম লেখিকা সমাৰোহৰ শিৱসাগৰ অধিবেশন। অধিবেশনৰ ১৬ অক্টোবৰৰ মুকলি সভাৰ স'তে সংগতি ৰাখি বিয়লি আয়োজন কৰা বঁটা প্ৰদান অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হ'ব। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ড° চাৰু চহৰীয়া নাথ, প্ৰধান সম্পাদিকা ড° থুনু কলিতা আৰু ঊনত্ৰিংশতিতম দ্বি-বাৰ্ষিক শিৱসাগৰ অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভানেত্ৰী অপৰাজিতা ভূঞা, ১৩ পৃষ্ঠাত চাওক

# বোকাখাত শিল্পী সমাজৰ সুধাকণ্ঠৰ ওপজা দিন উদ্‌যাপন



অগ্ৰদূত বাৰ্তা

**বোকাখাত, ১০ ছেপ্টেম্বৰ ঃ** বোকাখাত শিল্পী সমাজৰ উদ্যোগত ৯৬ সংখ্যক সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্মদিন পালন কৰা হয়। যোৱা আঠ ছেপ্টেম্বৰত বোকাখাত চাৰিআলিৰ চিকন আতা থানৰ তোৰণৰ কাষত ড° হাজৰিকাৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন কৰে বোকাখাত শিল্পী সমাজৰ সভাপতি বিজয় শৰ্মা আৰু বোকাখাত থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিতোপন ১৩ পৃষ্ঠাত চাওক

# চতিয়াৰ মেধাৱী ছাত্ৰী হিমাদ্ৰী বৰুৱাক 'গংগোত্ৰী গোস্বামী সোঁৱৰণী বঁটা' প্ৰদান

**বিশিষ্ট বিজ্ঞান লেখক ড° ৰমেশ চন্দ্ৰ গোস্বামী, সমাজকৰ্মী পংকজ বৰুৱাক বিশেষ সম্বৰ্ধনা**



ষ্টাফ ৰিপৰ্টাৰ

**তেজপুৰ, ১০ ছেপ্টেম্বৰ ঃ** এক শোকাবহ পথ দুৰ্ঘটনাত ২০১৫ৰ ১৬ ডিচেম্বৰত অকাল মৃত্যুক সাবটি লোৱা বহুমুখী প্ৰতিভাৰ মেধাৱী ছাত্ৰী তেজপুৰৰ গংগোত্ৰী গোস্বামীৰ সোঁৱৰণত আজি বিয়লি অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত চতিয়াৰ আৰ্থিকভাৱে পিছপৰা মেধাৱী ছাত্ৰী হিমাদ্ৰী বৰুৱাক 'গংগোত্ৰী গোস্বামী সোঁৱৰণী বঁটা' প্ৰদান কৰা হয়। উল্লেখ্য যে ১৩ পৃষ্ঠাত চাওক

# নগাঁওবাসী কলিয়াবৰীয়াৰ সভা সম্পন্ন ঃ সমিতি গঠন

বিশেষ সংবাদদাতা

**নগাঁও, ১০ ছেপ্টেম্বৰ ঃ** নগাঁও চহৰত বসবাস কৰা কলিয়াবৰৰ লোকসকলৰ এখন সাধাৰণ সভা নগাঁও জিলা সাহিত্য সভা ভৱনত আজি অনুষ্ঠিত হয়। অধ্যাপক গুণধৰ গগৈৰ সভাপতিত্বত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বলিন চন্দ্ৰ মহন্তই। বুবুল বৰা আৰু পল্লৱ জ্যোতি মহন্তই আঁত ধৰা সভাখনত অংশগ্ৰহণ কৰি প্ৰাক্তন মন্ত্ৰী গুণীন হাজৰিকাই কয়, 'সাহিত্য-সংস্কৃতিকে ধৰি সকলো ক্ষেত্ৰতে কলিয়াবৰৰ এক সুকীয়া ঐতিহ্য আছে। আমি য'তেই বসবাস নকৰো, কিন্তু আমাৰ মূল শিপাডাল কলিয়াবৰ। এই কথাটো আমি সকলোৱে গুৰুত্ব দিয়া উচিত। নগাঁও চহৰত বসবাস কৰা কলিয়াবৰৰ লোকসকল একত্ৰিত হ'ব বিচৰাটো এটা ভাল খবৰ।' সভাত জ্যেষ্ঠ অধিবক্তা শৰৎ খাউণ্ড, চিকিৎসক ডাঃ বিৰিঞ্চি কুমাৰ বৰা, ডাঃ বীণাপানি নেওগ, সমাজকৰ্মী প্ৰভাত বৰা, কমলেশ্বৰ বৰুৱাৰ লগতে মৃণাল হাজৰিকা, ইন্দ্ৰ নাৰায়ণ মহন্ত, প্ৰদীপ ভট্টাচাৰ্য, কৃষ্ণ শইকীয়া, পদ্ম গোস্বামী, গোপাল ভূঞা, অমৰজিৎ গোস্বামী, প্ৰদীপ হাজৰিকা আদিকে ধৰি বহুকেইজন কলিয়াবৰীয়াই ১৩ পৃষ্ঠাত চাওক

# অধ্যক্ষ-শিক্ষক-শিক্ষয়িত্ৰীক ৰাজহুৱাকৈ ককৰ্থনা বিধায়কৰ

অগ্ৰদূত বাৰ্তা

**মৰিয়নি১০ ছেপ্টেম্বৰ ঃ** মৰিয়নিৰ অগ্ৰণী আৰু সম্ভ্ৰান্ত শিক্ষানুষ্ঠান হিচাপে জনাজাত আগশাৰীৰ শিক্ষানুষ্ঠান মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কালি মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ 'ভিজিটে' বিশেষ তাৎপৰ্য বহন কৰিছে। দুপৰীয়া বিধায়ক ৰূপজ্যোতিয়ে শিক্ষানুষ্ঠানখনলৈ গৈ অধ্যক্ষ আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক সন্মুখত বহুৱাই লৈ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বিদ্যালয়খনৰ ক্ৰমবৰ্ধমান বেয়া ফলাফল আৰু শেহতীয়াকৈ গুণোৎসৱত লাভ কৰা 'ডি' গ্ৰেডৰ বাবে সকলোকে জবাবদিহি কৰাৰ লগতে এনে বেয়া ফলাফলৰ বাবে ককৰ্থনা কৰে। লক্ষ্যণীয় যে হাইস্কুল শিক্ষান্ত পৰীক্ষাত এইবাৰ বিদ্যালয়খনৰ উত্তীৰ্ণৰ হাৰ আছিল প্ৰায় ৪১ শতাংশ। আনহাতে, উচ্চতৰ মাধ্যমিকৰ বাণিজ্য শাখাৰ মাত্ৰ দুজন পৰীক্ষাৰ্থীৰ ভিতৰত এজনহে উত্তীৰ্ণ হয়। তাকো তৃতীয় বিভাগত। বৰ্তমানেও চৰকাৰীকৰণ নোহোৱা কলা শাখাত ৩৭ জন পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল আৰু তাৰ ভিতৰত এগৰাকী প্ৰথম, এগৰাকী দ্বিতীয় আৰু ১০ গৰাকী তৃতীয় বিভাগসহ মুঠ ১২ গৰাকী পৰীক্ষাৰ্থীহে উত্তীৰ্ণ ১৩ পৃষ্ঠাত চাওক

# দলুৱা বিষ্ণুজ্যোতি হাইস্কুলত চুৰিকাণ্ড

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১০ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ থানাৰ অন্তৰ্গত দলুৱাস্থিত বিষ্ণুজ্যোতি হাইস্কুলত যোৱা নিশা দুৰ্বৃত্তই চুৰি কাৰ্য সংঘটিত কৰি শিক্ষানুষ্ঠানখনৰ এটা কোঠাত স্থাপন কৰা পানী উত্তোলক পাম্পছেটটো লৈ যায়। ইয়াৰ উপৰি দুৰ্বৃত্তই পানী পৰিবাহী বহুকেইডাল পাইপো লণ্ড-ভণ্ড কৰি থৈ যায়। কোঠালিটোৰ খিৰিকীৰ ৰড ভাঙি চুৰিকাণ্ড সংঘটিত কৰে। চুৰি হোৱা পাম্পছেটটো আৰু লণ্ড-ভণ্ড পাইপখিনিৰ মূল্য প্ৰায় ৫০ হেজাৰ টকা হ'ব। ঘটনা সন্দৰ্ভত বিদ্যালয়খনৰ প্ৰধান শিক্ষক প্ৰদীপ কুমাৰ দাসে ঘগ্ৰাপাৰ থানাত এখন এজাহাৰ দাখিল কৰিছে। ইতিমধ্যে আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে বিদ্যালয়খনত এটা কম্পিউটাৰ কক্ষ আছে যদিও এইটোও সম্প্ৰতি নিৰাপদ নহয় বুলি শিক্ষানুষ্ঠানখনৰ পৰিয়ালবৰ্গই জনাইছে।

# প্ৰত্যেকজন ব্যক্তিৰ কাৰণে সমাজত এটা সুকীয়া সন্মানজনক ঠাই আছে

## মহেন্দ্ৰনাথ শইকীয়া-বসুন্ধৰা শইকীয়া শৈক্ষিক ন্যাসৰ বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন

**তিতাবৰ, ১০ ছেপ্টেম্বৰ ঃ** 'প্ৰত্যেকজন ব্যক্তিৰ কাৰণে সমাজত এটা সুকীয়া আৰু সন্মানজনক ঠাই আছে। এগৰাকী মেধাৱী ছাত্ৰ অথবা ছাত্ৰীৰ বাবে যিদৰে নিৰ্দিষ্ট স্থান আছে ঠিক একেদৰে মধ্যমবৰ্গৰ ছাত্ৰ অথবা ছাত্ৰীগৰাকীৰ বাবেও সুকীয়া স্থান আছে। মাত্ৰ শিক্ষাৰ্থীসকলে সময়ক মৰ্যাদা প্ৰদান কৰি পৰিকল্পিতভাৱে নিজৰ অধ্যয়ন আগবঢ়াই নিব লাগে।' বিশিষ্ট শিক্ষাবিদ তথা যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপক ড° বলিন হাজৰিকাই এই মন্তব্য কৰে। তিতাবৰৰ শৈক্ষিক আৰু সামাজিক ক্ষেত্ৰখনৰ দুগৰাকী পুৰুধা ব্যক্তিত্ব মহেন্দ্ৰনাথ শইকীয়া আৰু বসুন্ধৰা শইকীয়া শৈক্ষিক ন্যাসৰ আজি পঞ্চম বাৰ্ষিক বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথিৰূপে ভাষণ প্ৰদান কৰি শিক্ষাবিদজনে কয় যে বৰ্তমান আমাৰ সমাজত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন কাৰকৰ বাবে



বিভিন্ন সময়ত বিভিন্ন ধৰণৰ হতাশাই আগুৰি ধৰিছে। 'নেছনেল ক্ৰাইম ব্যুৰ'ৰ উদ্ধৃতি দাঙি ধৰি তেওঁ আৰু কয় যে বিশেষকৈ অসমত এই হতাশাৰ ফলত সৃষ্টি হোৱা পৰিৱেশ অতি ভয়ানক। কিন্তু সমগ্ৰ দেশজুৰি প্ৰচলিত হ'ব লগা নতুন শিক্ষা নীতিয়ে সমাজলৈ এটা শুভবাৰ্তা কঢ়িয়াই আনিছে। এগৰাকী চিকিৎসক অথবা এগৰাকী অভিযন্তা সৃষ্টিৰ সমান মৰ্যাদাৰে এগৰাকী ইলেকট্ৰিচিয়ান, এগৰাকী প্লাম্বাৰক একে মৰ্যাদাৰে সৃষ্টি কৰি সেইসকলৰ বাবেও নিৰ্দিষ্ট পাঠ্যক্ৰম তৈয়াৰ কৰিছে। আধুনিক শিক্ষা ব্যৱস্থাৰ বাবে ই অতি শুভলক্ষণ বুলিও তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে। তিতাবৰ মিহিৰাম শইকীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নিৰদাবালা শইকীয়া সোঁৱৰণী প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত বঁটা প্ৰদান অনুষ্ঠানত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি ড° সুৰেশ ১৩ পৃষ্ঠাত চাওক

# বৰভাগ মহাবিদ্যালয়ৰ বিভিন্ন সমস্যাৰ ওপৰত স্মাৰকপত্ৰ যুৱ-ছাত্ৰ পৰিষদৰ



অগ্ৰদূত বাৰ্তা

**বৰভাগ, ১০ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ বৰভাগ অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ স্থান বৰভাগ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল বৰ্তমান সময়তো বিভিন্ন সমস্যাৰে জৰ্জৰিত হৈ আহিছে। বৰভাগ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মূল সমস্যাসমূহ ছাত্ৰ জিৰণি কোঠা, ছাত্ৰী জিৰণি কোঠা নিৰ্মাণ, ছাত্ৰ-ছাত্ৰীৰ বাবে পৰিষ্কাৰ শৌচাগাৰ আৰু প্ৰস্ৰাৱাগাৰ নিৰ্মাণ, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শ্ৰেণীসমূহ নথকা অৱস্থাত ছাত্ৰ-ছাত্ৰী জিৰণি কোঠাৰ লগতে ছাত্ৰ-ছাত্ৰীসকল মহাবিদ্যালয় চৌহদত কটাবলৈ নিৰ্দিষ্ট স্থানত সু ব্যৱস্থা কৰা, মহাবিদ্যালয়ৰ কেন্টিনখন পৰিষ্কাৰ, ডাঙৰ ১৩ পৃষ্ঠাত চাওক

# নতুন অসমীয়া ছবি নিৰ্মাণ

## অসম আন্দোলনৰ এক কৰুণ গাথাৰে নিৰ্মিত লালেটাপু



**কিছুদিন** পূৰ্বে মুক্তিলাভ কৰা এখন অসমীয়া চলচ্চিত্ৰৰ ট্ৰেইলাৰে নেটিজেনৰ মাজত তোলপাৰ লগাইছে। ছবিখনি জনপ্ৰিয় হিন্দী ছবি 'কাশ্মীৰ ফাইলছ্'ৰে তুলনা কৰিছে ইণ্টাৰনেট ব্যৱহাৰকাৰীসকলে। প্ৰথমে কৈ লওঁ ঘটনাটো এনেধৰণৰ— ১৯৮৩ চনৰ ২০ মাৰ্চৰ নিশা অসমৰ ব্ৰহ্মপুত্ৰৰ পাৰত সংঘটিত হোৱা লালেটাপুৰ যুদ্ধই আজিও অভিশপ্ত কৰি ৰাখিছে লালেটাপুক। সোণপুৰ গাঁৱৰ মৰম, ৰূপালী, যাদৱ, মাধৱহঁতৰ জীৱন সেই অভিশপ্ত ৰাতিটোৰ ঘটনাই কেনেকৈ সলনি কৰি থৈ গ'ল তাৰে আধাৰত আদিত্যম শইকীয়াৰ কাহিনী তথা পৰিচালনাৰে নিৰ্মিত হৈছে 'লালেটাপু ১৯৮৩' নামৰ এখন অসমীয়া চলচ্চিত্ৰ। অলপতে ছবিখনিৰ পোষ্টাৰ আৰু ট্ৰেইলাৰ মুকলি কৰা হৈছে। ছবিখনিৰ ট্ৰেইলাৰ মুক্তিৰ পাছতে সকলোৰে অসমতো যে 'কাশ্মীৰ ফাইলছ্'ৰ দৰে ঘটনা আছে তথা নৱপ্ৰজন্মই বলীউডী ষ্টাইলেৰে ছবি নিৰ্মাণ কৰি আছে তাকে লৈ সামাজিক মাধ্যমত আলোচিত হৈছে। বি আৰ চি চিনে প্ৰডাকচনৰ বেনাৰত ছবিখনি প্ৰযোজনা কৰিছে অৰুণ কুমাৰ ৰায় আৰু অজয় কুমাৰ ৰায়ে। মুখ্য সহকাৰী পৰিচালক ধনজিৎ দাস আৰু মৃণাল ডেকা। সহকাৰী পৰিচালক বিবেক বৰা। চিত্ৰগ্ৰহণ কৰিছে কৃষ্ণ শ্বাহে। শব্দ সম্পাদনা আৰু সংমিশ্ৰণ কৰিছে অমৃত প্ৰীতমে। আৰহ সংগীতো কৰিছে অমৃত প্ৰীতমে। সম্পাদনা কৰিছে ৰণ্টু চেতিয়াই। "লালেটাপু ১৯৮৩"ৰ বিভিন্ন চৰিত্ৰত অভিনয় কৰিছে ক্ৰমে— আইমী বৰুৱা, গুঞ্জণ ভৰদ্বাজ,



ৰিম্পী দাস, বিবেক বৰা, কল্পনা কলিতা, ভগিৰথী, এলিম্মিতাকে আদি কৰি বহুতো ন-পুৰণি শিল্পীয়ে।

# 'মেড ইন নলবাৰী'

**অসমীয়া** চলচ্চিত্ৰৰ ক্ৰমবৰ্ধমান ফুলৰ থোপাৰে আন এক শেহতীয়া প্ৰসাদ 'মেড ইন নলবাৰী'য়ে গুৱাহাটীৰ ফিল্মক্ৰাফ্ট ষ্টুডিঅ'ত পোষ্টাৰ মুকলি কৰিলে । এই ছবিখন চলিত বৰ্ষৰ দুই ডিচেম্বৰৰ পৰা সকলো ছবিগৃহত প্ৰদৰ্শিত হ'ব। প্ৰতিশ্ৰুতি সম্পন্ন চলচ্চিত্ৰ নিৰ্মাতা তনুজ নাথৰ চিত্ৰনাট্য আৰু পৰিচালনাৰ ছবিখন সম্পাদনা কৰিছে 'নদী মাথোঁ বয়' খ্যাত ৰাষ্ট্ৰীয় বঁটা বিজয়ী চলচ্চিত্ৰ নিৰ্মাতা ঝুলন কৃষ্ণ মহন্তই । জীৱনৰ বিভিন্ন পৰ্যায়ত থকা তিনিজন পুৰুষৰ মাজত এখন ৰোড ড্ৰামাক কেন্দ্ৰ কৰি ছবিখন আগবাঢ়িছে। যিয়ে এটা টেক্সি ভ্ৰমণত নিজক বিচাৰি পায় আৰু সিয়েই তেওঁলোকৰ জীৱন আদৰ্শ সলনি কৰি দিয়ে। তেনে এখন মন-হৃদয় স্পৰ্শ কৰা বিনোদনধৰ্মী কাহিনীৰে সমৃদ্ধ 'মেড ইন নলবাৰী'ৰ কাহিনীভাগ । উক্ত চিনেমাখনত অভিনয় কৰিছে প্ৰবীণ অভিনেতা অৰুণ নাথ, বিভূতি ভূষণ হাজৰিকা আৰু জিন্টু কুমাৰ কাশ্যপে। ইয়াৰ উপৰি স্বাগতা ভৰালী, ডলি কলিতা, নৰ্মদা দাস, অক্ষিত, বেদান্ত, চিৰঞ্জীৱ, জয়শ্ৰী, বৰষা আদি ন-পুৰণি শিল্পীয়ে সহযোগ কৰিছে । 'মেড ইন নলবাৰী'ৰ চিত্ৰগ্ৰহণ কৰিছে প্ৰাগ চিনে এৱাৰ্ডৰ শ্ৰেষ্ঠ কেমেৰামেনৰ বঁটা বিজয়ী চন্দ্ৰ কুমাৰ দাসে আৰু আৰহ সংগীতেৰে সজাইছে প্ৰখ্যাত অসমীয়া প্লেবেক গায়িকা তথা ৰাষ্ট্ৰীয় বঁটা বিজয়ী তৰালি শৰ্মাই। ছাউণ্ড ডিজাইন দেৱজিত গায়নৰ। ছবিখনৰ সংগীত পৰিচালনা কৰিছে পাৰ্থ শইকীয়া আৰু তনুজ নাথে।





শৈশৱৰে পৰাই চিনেমা অনুৰাগী তনুজ নাথে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গণসংযোগ বিভাগৰ সহকাৰী অধ্যাপক হিচাপে কাম কৰি আছে। পৰিচালকে জনোৱা মতে ছবিখনৰ চৰিত্ৰসমূহৰ মাজত দৰ্শকে নিজকে নিজে বিচাৰি পাব। অহা দুই ডিচেম্বৰত সমগ্ৰ অসমৰ চিনেমা হ'লতে মুক্তি লাভ কৰিবলগীয়া এই ছবিখন ৰাইজে আঁকোৱালি ল'লে চিনেমাখনৰ লগত জড়িত সকলোৰে সফল হ'ব। পৰিচালক তনুজ নাথৰ 'মেড ইন নলবাৰী'য়ে ক্ৰমবৰ্ধমান আঞ্চলিক চলচ্চিত্ৰ উদ্যোগত এক নতুন সংযোজন ঘটাৰ প্ৰতিশ্ৰুতি বহন কৰিব বুলি আশা কৰিব পাৰি ।

# ১৬ ছেপ্টেম্বৰৰ পৰা চিত্ৰগৃহত বিশ্বজিৎ বৰাৰ বুম্বা ৰাইড

**বিশ্বজিৎ** বৰাৰ পৰিচালনাত নিৰ্মিত তথা দেশ-বিদেশৰ কেইবাখনো চলচ্চিত্ৰ মহোৎসৱত অংশ লৈ বিভিন্ন স্তৰৰ দৰ্শক তথা সমালোচকৰ পৰা উচ্চ প্ৰশংসা আদায় কৰিবলৈ সক্ষম হোৱা 'বুম্বা ৰাইড' নামৰ চলচ্চিত্ৰখনে অহা ১৬ চেপ্তেম্বৰত চিত্ৰগৃহত মুক্তি লাভ কৰিব। ছবিখন এইবছৰ মে' মাহত ফ্ৰান্সত অনুষ্ঠিত 'কাঁ আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ'ত প্ৰদৰ্শিত হোৱাৰ লগতে গোৱা, পুণে, ঢাকা, নিউয়ৰ্ক, ভিয়েটনাম, মেলবৰ্ণ আদিৰ চলচ্চিত্ৰ মহোৎসৱতো সগৌৰৱে প্ৰদৰ্শিত হৈছিল।



'বুম্বা ৰাইড'ত অসমৰ গ্ৰামাঞ্চলৰ একাংশ চৰকাৰী বিদ্যালয়ৰ দুৰৱস্থাৰ ছবিখন স্পষ্ট ৰূপত দেখুওৱা হৈছে। আজিকালি চৰকাৰী বিদ্যালয়সমূহত অভিভাৱকসকলে নিজৰ সন্তানক পঢ়ুৱাবলৈ অনিহা প্ৰকাশ কৰাৰ বাবেই এনে বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা উদ্বেগজনকভাৱে কমি আহিছে। মূলতঃ শিক্ষকসকলৰ অমনোযোগিতা, শিক্ষাদানৰ প্ৰতি অনিহা, অনিয়মীয়া উপস্থিতি আদিৰ বাবে চৰকাৰী বিদ্যালয়ত উপযুক্ত শিক্ষা নাপাব বুলি ভাৱিয়েই অভিভাৱকসকলে নিজৰ সন্তানক বেচৰকাৰী বিদ্যালয়ত পঢ়ুৱাবলৈ লৈছে। কিন্তু ইয়াৰ বিপৰীতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দ্ৰুতগতিত হ্ৰাস পালেও চৰকাৰে হেজাৰ হেজাৰ শিক্ষকক নিযুক্তি দিয়েই আছে। ফলত কোনো কোনো বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ তুলনাত শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যাহে অধিক হৈছেগৈ। সেয়েহে ছাত্ৰ-ছাত্ৰীৰ অভাৱত একাধিক বিদ্যালয় বন্ধ হ'বলৈ ধৰিছে অথবা নগণ্য সংখ্যক ছাত্ৰ-ছাত্ৰীৰে কিছু সংখ্যক বিদ্যালয় কোনোমতে চলি আছে।

'বুম্বা ৰাইড'তো আছে এনে এখন চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ কাহিনী য'ত ছাত্ৰ মাথো এজন, কিন্তু শিক্ষক-শিক্ষয়িত্ৰী একাধিক। 'বুম্বা' নামৰ সেই ল'ৰাজন বিদ্যালয়লৈ নিয়মীয়াকৈ আহে কিয়নো সি জানে যে সি ছাত্ৰ হিচাপে থকাৰ বাবেহে বিদ্যালয়খন সূচাৰুৰূপে চলি আছে। তেনেদৰে শিক্ষকসকলেও বুম্বাক অধিক গুৰুত্ব দিয়ে কিয়নো সেই একমাত্ৰ ছাত্ৰজনক পঢ়ুৱাৰ নামতে তেওঁলোকে নিয়মীয়াকৈ মাহেকীয়া দৰমহাখিনি লৈ থাকিব পাৰিছে। ইয়াৰ সমান্তৰালভাৱে বিদ্যালয়লৈ মধ্যাহ্ন ভোজনৰ নামত অহা খাদ্য-সামগ্ৰী তথা অন্যান্য বিত্তীয় সাহাৰ্য হৰলুকি কৰি তেওঁলোকে নিজৰ ধনৰ ভড়াঁলটোও শকত কৰি তুলিব পাৰিছে। কিন্তু মৃত্যুমুখী এখন চৰকাৰী বিদ্যালয়ক একমাত্ৰ ছাত্ৰৰ উপস্থিতিৰে জীয়াই ৰখা বুম্বাৰ ভৱিষ্যতটো কি হ'বগৈ ? তাৰোতো এটা সপোন আছে, সফলতাৰ আকাংখ্যা আছে . . . । গতিকে সেইখন বিদ্যালয়ত পঢ়ি পাৰিবনে সি ভৱিষ্যতে নিজকে এজন সুশিক্ষিত তথা সুপ্ৰতিষ্ঠিত নাগৰিক হিচাপে গঢ়ি তুলিবলৈ ? এনেদৰে চৰকাৰী বিদ্যালয়ত বুম্বাৰ শৈক্ষিক যাত্ৰাৰ আলম লৈয়েই আগবাঢ়িছে ছবিখনৰ কাহিনীভাগ।

'বুম্বা ৰাইড'ৰ প্ৰায়খিনি শিল্পীয়েই নতুন। ইয়াৰ মূল চৰিত্ৰত অভিনয় কৰিছে ইন্দ্ৰজিৎ পেগুৱে। তেনেদৰে অন্যান্য চৰিত্ৰত আছে হিৰণ্য কুমাৰ পেগু, সদাগৰ দাৰ, দিপালী পেগু, বিনোদলাল দাস, ললিতা দলে আদি। ছবিখন প্ৰযোজনা কৰিছে লুইত কুমাৰ বৰ্মন, কৌশিক হাজৰিকা, বিশ্বজিৎ বৰা আৰু বিনোদলাল দাসে। কাৰ্যবাহী প্ৰযোজক অসীম শইকীয়া। 'এম.এল. এন্টাৰটেইনমেন্ট'ৰ বেনাৰত 'কোৱাটাৰ মুন প্ৰডাকচন'ৰ দ্বাৰা নিৰ্মিত এই ছবিখনৰ সংগীত ব্যৱস্থাপনা নয়নমণি বৰ্মনৰ আৰু কাহিনী, চিত্ৰনাট্য, সংলাপ আৰু পৰিচালনা বিশ্বজিৎ বৰাৰ। সাজসজ্জা লোপামুদ্ৰা গগৈ বৰাৰ আৰু শব্দ জ্যোতি চেতিয়াৰ। মিছিং ভাষাত নিৰ্মিত ৭৫ মিনিট দৈঘ্যৰ এই ছবিখনৰ চিত্ৰগ্ৰহণ যোৱা বছৰ গোলাঘাটৰ বিভিন্ন মনোৰম স্থানত সম্পন্ন কৰা হৈছিল। পৰিচালকৰ পৰা জানিব পৰা মতে, আমেৰিকাৰ এটা কোম্পানীয়েও ছবিখনৰ স্বত্ব সাত বছৰৰ বাবে ক্ৰয় কৰিছে। অৰ্থাৎ 'বুম্বা ৰাইড' কেৱল আমাৰ দেশতে নহয়, আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ চলচ্চিত্ৰ গৃহতো প্ৰদৰ্শিত হ'ব । এয়া নিঃসন্দেহে অসমৰ চলচ্চিত্ৰ জগতৰ বাবে এক গৌৰৱ তথা আনন্দৰ বতৰা।

# কলাক্ষেত্ৰত ডাঃ অঞ্জনাময়ী শইকীয়াৰ ওডিচি নৃত্য পৰিৱেশন

**অসম** ওডিচি ফ'ৰাম আৰু ওডিচি ইণ্টাৰনেচনেল ফ'ৰামে শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰ সমাজৰ সহযোগত গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত তিনি আৰু চাৰি ছেপ্টেম্বৰত দুদিনীয়াকৈ আয়োজন কৰা 'গুৱাহাটী ওডিচি উৎসৱ-২০২২ ত অসমৰ এগৰাকী যশস্বী নৃত্যপটীয়সী ডাঃ অঞ্জনাময়ী শইকীয়াই উৎসৱৰ আৰম্ভণিৰ দিনা তিনি ছেপ্টেম্বৰত পৰিবেশন কৰা ওডিচি নৃত্যই উপস্থিত দৰ্শকৰ ভূয়সী প্ৰশংসা লাভ কৰে। এই 'গুৱাহাটী ওডিচি উৎসৱ'ত ভাৰতৰ এক জনপ্ৰিয় শাস্ত্ৰীয় নৃত্য ওডিচি নৃত্য পৰিৱেশনত বিশেষ পাৰদৰ্শিতা অৰ্জন কৰা অসমৰ ডাঃ শইকীয়াই গুৰু কেলুচৰণ মহাপাত্ৰৰ নৃত্য সংৰচনাত পৰিবেশন কৰে 'অষ্টপদী-সখী হে' শীৰ্ষক এটি নৃত্য। ভক্তি কবি জয়দেৱৰ গীত গোবিন্দমৰ পৰা লোৱা তথা ৰাধা-কৃষ্ণৰ পবিত্ৰ প্ৰেম গাথাক ভিত্তি কৰি সংৰচনা কৰা অষ্টপদীৰ নৃত্যশৈলীক দৰ্শকে ভূয়সী প্ৰশংসা কৰে। অঞ্জনাময়ী শইকীয়াই পৰিৱেশন কৰা অষ্টপদীৰ সংগীত পৰিচালনা আছিল পণ্ডিত ভুৱনেশ্বৰ মিশ্ৰৰ। গুৱাহাটীত



দৰ্পণ ডেন্স একাডেমী প্ৰতিষ্ঠা কৰি আগ্ৰহীসকলক ওডিচি নৃত্যৰ প্ৰশিক্ষণ দি অহা ডাঃ শইকীয়াৰ সত্ৰীয়া নৃত্যশিল্পী হিচাপেও সুনাম আছে। বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ কমিউনিটি মেডিচিন বিভাগৰ প্ৰৱক্তা হিচাপে কৰ্মৰত ডাঃ শইকীয়াই ভাৰতৰ ভিন্ন ৰাজ্যৰ আগশাৰীৰ নৃত্য মহোৎসৱত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা, ডেনমাৰ্ক, পতুৰ্গাল আদি বিদেশী ৰাষ্ট্ৰৰ অনুষ্ঠানতো নৃত্য পৰিবেশন কৰাৰ লগতে ওডিচি আৰু সত্ৰীয়া দুয়োবিধ নৃত্যতে দূৰদৰ্শনৰ পৰা এ গ্ৰেডৰ শিল্পীৰূপে স্বীকৃতি লাভ কৰিছে। ডাঃ শইকীয়াৰ নৃত্যশিল্পী হিচাপে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো যথেষ্ট সুনাম আছে। উল্লেখ্য যে দুদিনীয়াকৈ আয়োজন কৰা এই উৎসৱত সদ্যপ্ৰয়াত নৃত্যগুৰু গৰিমা হাজৰিকাক সোঁৱৰণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। চাৰি ছেপ্টেম্বৰৰ সন্ধিয়া দৰ্পণ ডান্স একাডেমীৰ শৰ্মিষ্ঠা চৌধুৰী, ৰূপচন্দা শৰ্মা, নীলম দাস, ঈষিকা ভট্টাচাৰ্য,অংকিতা চেতিয়া, ৰিম্পী নাথ আৰু চাইবি শিৰে আকৰ্ষণীয়কৈ 'গুৰুবন্দনা আৰু বটু', 'আৰৱী-পল্লৱী' আৰু এটি একক নৃত্যৰে আন তিনিটা ওডিচি নৃত্যৰ অনুষ্ঠান পৰিৱেশন কৰিও দৰ্শক ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হয়।

# ২০২২-২৩ দ্বাদশ বৰ্ষত নটৰাজ এমেচাৰ গ্ৰুপ (যাত্ৰাদল)



**যুগ** স্পৰ্শৰ গৌৰৱ উজ্জ্বল সন্ধিক্ষণত অভিজাত প্ৰযোজনা আৰু ব্যয়বহুল প্ৰস্তুতিৰে নলবাৰী জিলাৰ বগলচ্ ৰোডৰ অনুপম শৰ্মা প্ৰযোজিত নটৰাজ এমেচাৰ গ্ৰুপৰ চলিত ২০২২-২৩ নাট্যবৰ্ষতো গৌৰৱোজ্জ্বল দ্বাদশ বৰ্ষ। ইতিমধ্যে নাট্যদলটোৱে সকলো ধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি বৰ্তমানে নাট্যদলটোৱে চলাই আছে চলিত বৰ্ষৰ নাটক, নৃত্যৰ আখৰা। এই বৰ্ষত নটৰাজ এমেচাৰ গ্ৰুপে মঞ্চায়ন কৰিব দুখন ভিন্ন স্বাদৰ ভিন্ন পটভূমিৰ নাটক। নাটক দুখন হ'ল অনুপম শৰ্মা ৰচিত আৰু আজাদ হুচেইন পৰিচালিত 'কাৰাৰুদ্ধ জোনাক' আৰু 'দেৱভূমি'। এই বেলি নাট্যদলটোৰ মঞ্চত অভিনয় কৰিব— অনুপম শৰ্মা, অৰূপ শৰ্মা, কন্দৰ্প শৰ্মা, মুকুল বৈশ্য, বিপুল শৰ্মা, সৰ্বেশ্বৰ ডেকা, মুকুল বৈশ্য, মহেন্দ্ৰ ডেকা, স্বৰ্ণলতা দাস, জয়শ্ৰী কলিতা আৰু বনশ্ৰী কলিতাই। নাট্যদলটোৰ সংগীত সজাব সন্তোষ চক্ৰৱৰ্তী আৰু দ্বীপেন মেধিয়ে।

দলটোৰ পৰিকল্পনা কন্দৰ্প শৰ্মাৰ তত্বাৱধক দামোদৰ শৰ্মা, সচেতক মহেন্দ্ৰ ডেকা সম্পাদক তপন মহন্ত, প্ৰতিনিধি ভাৰত পাঠক, বিপুল বিকাশ আৰু মুকুল বৈশ্য। পৃষ্ঠপোষক প্ৰণৱ শৰ্মা (ধন) আৰু দিগন্ত বৰা। চলিত মাহৰ শেষৰ পৰা নটৰাজ এমেচাৰ গ্ৰুপে দৰ্শকৰ ওচৰত নাট প্ৰদৰ্শন কৰিব।

# এইবাৰ কাঠপুতলা লৈ ৰূপালী পৰ্দাত অক্ষয়



**এনে** এটা সময় আছিল, যেতিয়া অক্ষয় কুমাৰৰ ছবি মানেই বক্স অফিচত ধুমুহা। অকলেই এখন ছবিক এশ কোটিৰ ক্লাবত উপস্থিত কৰাইছিল। অৱশ্যে সেই দিন এতিয়া অতীত। 'বেলবটম', 'বচ্চন পাণ্ডে', 'পৃথ্বীৰাজ' আৰু সম্প্ৰতি 'ৰক্ষা বন্ধন' ছবিয়ে বক্স অফিচত আশাপ্ৰদ ফলাফল লাভ কৰিব নোৱৰাত অনুৰাগীসকল স্বাভাৱিকতে চিন্তিত। অৱশ্যে হতোদ্যম হোৱা নাই বলিউদৰ খিলাড়ী কুমাৰ। তেওঁ বদ্ধপৰিকৰ যে হিট ছবি উপহাৰ দিবই লাগিব। সেই বাবেই ইখনৰ পাছত সিখন ছবি উপহাৰ দি আছে অক্ষয়ে। এইবাৰ অৱশ্যে ৰূপালী পৰ্দাৰ পৰিৱৰ্তে অ'টিটি প্লেটফৰ্মত এখন নতুন ছবি লৈ উপস্থিত হ'ব খিলাড়ী কুমাৰ। প্ৰকাশলৈ আহিল অক্ষয়ৰ নতুন ছবি 'কাঠপুতলি'ৰ টিজাৰ।

'কাঠপুতলি' ছবিত অক্ষয়ক এজন আৰক্ষী বিষয়াৰ ভূমিকাত দেখা যাব। এজন চতুৰ ছিৰিয়েল কিলাৰক কৰায়ত্ত কৰাৰ বাবে অক্ষয়ে নিজৰ মস্তিষ্ক ব্যৱহাৰ কৰিব। তেওঁৰ লগত দেখা যাব অভিনেত্ৰী ৰাকুলপ্ৰীত সিঙক। অহা দুই ছেপ্টেম্বৰত ছবিখনে ডিজনী-হটষ্টাৰত মুক্তিলাভ কৰিব।

উল্লেখ্য যে অক্ষয় সম্প্ৰতি মাইনিং ইঞ্জিনীয়াৰ যশৱন্ত সিং গিলৰ জীৱনৰ আধাৰত নিৰ্মিত এখন ছবিৰ চিত্ৰগ্ৰহণত ব্যস্ত হৈ আছে। ১৯৮৯ত এটা কয়লাখনিত আবদ্ধ হৈ পৰা ৬৫জন শ্ৰমিকক উদ্ধাৰকাৰ্যত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ২০১৯ত গিলৰ মৃত্যু হয়।

# বলিউদত পুনৰ হ'ব 'গোলমাল'



## ফ্ৰেঞ্চাইজিৰ পঞ্চম ছবিৰ কথা ঘোষণা পৰিচালক ৰোহিতৰ

**বলিউদত** পুনৰ লাগিব 'গোলমাল'। এই কথা সদৰী কৰিছে পৰিচালক ৰোহিত ছেট্টীয়ে। ৰূপালী পৰ্দাৰ অন্যতম সফল পৰিচালকজনে সম্প্ৰতি অ'টিটি মঞ্চতো ভৰি দিছে। ৱেবত তেওঁৰ প্ৰথম ছবি 'ইণ্ডিয়ান পুলিচ ছাৰ্ভিচ' শীঘ্ৰেই মুক্তি পাব। ইয়াৰ মাজতে ৰোহিতে ঘোষণা কৰিলে যে তেওঁৰ কমেডী ফ্ৰেঞ্চাইজি 'গোলমাল'ৰ পঞ্চম সংস্কৰণে মতুন কাহিনী লৈ দৰ্শকৰ মাজলৈ শীঘ্ৰেই আহিব।

'গোলমাল'ৰ প্ৰতিখন ছবিৰ কাহিনীয়ে দৰ্শকক আমোদ দি আহিছে। সম্প্ৰতি মুম্বাইত এক সাক্ষাৎকাৰত পৰিচালকজনে কয়, 'আকৌ আহিব 'গোলমাল'ৰ নতুন ছিজন। হয়তো এবছৰৰ পাছত। অৱশ্যে এই ছবি নিৰ্মাণ কৰিবলৈ মই বৰ ভাল পাওঁ। যিমান দিনলৈ মই ছবি পৰিচালনা কৰি থাকিম, সিমান দিনলৈ 'গোলমাল'ৰ কাহিনীক আগুৱাই নিম।' এই ধৰণৰ ছবি নিৰ্মাণ কৰি তেওঁ বৰ ভাল পায় বুলিও কয়। সেয়ে ইমান বছৰৰ পাছতো ছবি নিৰ্মাণৰ প্ৰক্ৰিয়াত কোনো পৰিৱৰ্তন অনা নাই। যদিও ছবি উদ্যোগটোত বহু পৰিৱৰ্তন আহিছে।

ৰোহিতে কয় যে, 'গোলমাল'ৰ কাম তেওঁ বহু আগতেই নিৰ্মাণ কৰিব পাৰিলেহেঁতেন। ক'ভিড পৰিস্থিতিৰ বাবেহে কৰি থকা কামবোৰ শেষ কৰাৰ পলম হ'ল। সকলো থকা কামবোৰ শেষ কৰাত পলম হ'ল। সকলো ঠিকে থাকিলে এই বছৰৰ শেষ ভাগতে 'গোলমাল'ৰ চিত্ৰগ্ৰহণ আৰম্ভ হ'ব বুলিও ৰোহিতে ইংগিত দিয়ে। উল্লেখ্য যে ৰোহিতৰ আন এক ফ্ৰেঞ্চাইজি 'সিংঘম'ৰ তৃতীয়খন ছবিৰ কামো তেওঁ শীঘ্ৰেই আৰম্ভ কৰাৰ কথা। এতিয়া কোনখন ছবি ৰোহিতে আগতে নিৰ্মাণ কৰিব সেয়া স্থিৰ হোৱা নাই।

# বৰপেটাত ৰুদ্ৰ বৰুৱাৰ গীতৰ প্ৰশিক্ষণ শিবিৰ

**লুইত** কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ প্ৰতিটো গীতেই হ'ল অসমৰ মাটিৰ গোন্ধেৰে জীপাল। প্ৰতিটো গীতেই চিৰসেউজ। পকা ধানৰ মাজে মাজে, অ' তুলতুল অ' বুল বুল, তাঁতৰ কোৰে পতি অজি গীতসমূহ অসমীয়া প্ৰতিজন সংগীত প্ৰেমীৰ অতি চিনাকি। প্ৰয়াত শিল্পীজনৰ গীতসমূহ অধিক প্ৰসাৰ তথা প্ৰচাৰৰ উদ্দেশ্যে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত আৰু লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ সোঁৱৰণী সন্থা, বৰপেটা শাখাৰ উদ্যোগত যোৱা ২৮ আগষ্টৰ পৰা আৰম্ভ হোৱা এক বিনামূলীয়া প্ৰশিক্ষণ সমাপ্ত হৈছে। প্ৰধানকৈ ১০ বছৰৰ ওপৰৰ নতুন প্ৰজন্মক প্ৰাধান্য দিয়া এই প্ৰশিক্ষণ ১৫ দিনীয়াকৈ অনুষ্ঠিত হৈছে। ইয়াত প্ৰশিক্ষণ প্ৰদান কৰিছে ৰুদ্ৰ বৰুৱাৰ গীতৰ যশস্বী শিল্পীদ্বয় হেমেন দাস আৰু গীতাঞ্জলি গায়নে? প্ৰায় ৫০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে যোগদান কৰে এই প্ৰশিক্ষণ শিবিৰ উদ্বোধন কৰে শাস্ত্ৰীয় সংগীতৰ বিশিষ্ট শিল্পী প্ৰদীপ মিশ্ৰই। উদ্বোধনী ভাষণত মিশ্ৰই কয় যে ৰুদ্ৰ বৰুৱাৰ গীতৰ মাজেৰে অসম আৰু অসমীয়াৰ এখন জীৱন্ত ছবি চাব পাৰি। এই গীতসমূহৰ প্ৰসাৰ আৰু প্ৰচাৰ অসমীয়া সংগীত জগতৰ বাবে মহৎ কাৰ্য। উদ্বোধনী অনুষ্ঠানত শিল্পী হৰিদেৱ দাস, অধিবক্তা ৰাণা দাস আদিও উপস্থিত থাকে।



ৰুদ্ৰ বৰুৱাৰ প্ৰতিটো গীতেই হ'ল অসমৰ মাটিৰ গোন্ধেৰে জীপাল। প্ৰতিটো গীতেই চিৰসেউজ। পকা ধানৰ মাজে মাজে, অ' তুলতুল অ' বুল বুল, তাঁতৰ কোৰে পতি অজি গীতসমূহ অসমীয়া প্ৰতিজন সংগীত প্ৰেমীৰ অতি চিনাকি।

# মন্দিৰা গগৈলৈ 'প্ৰাগ চিনে এৱাৰ্ড-শ্ৰেষ্ঠ সাজসজ্জাৰ নিৰ্দেশক বঁটা



**সাহিত্য** আৰু সাংবাদিকতাৰ দুয়োখন ক্ষেত্ৰৰ লগত জড়িত হৈ অভিজ্ঞতাৰে পুষ্ট মন্দিৰা গগৈলৈ 'প্ৰাগ চিনে এৱাৰ্ড- ২০২২' একেলগে দুবছৰৰ শ্ৰেষ্ঠ সাজসজ্জাৰ নিৰ্দেশক বঁটা আগবঢ়োৱা হৈছে । উল্লেখ্য যে ক'ভিড পৰিস্থিতিৰ বাবে এইবছৰ উক্ত বঁটা অনুষ্ঠান দুবছৰৰ চলচ্চিত্ৰক সামৰি অনুষ্ঠিত কৰা হৈছিল। বিশিষ্ট পৰিচালক ৰূপক গগৈৰ পৰিচালিত 'তুমি মালালা' আৰু হেমন্ত কুমাৰ দাসৰ পৰিচালনাৰ 'তমস্বিনী' শীৰ্ষক কথাছবিৰ বাবে এই বৰ্ষত শিলচৰৰত অলপতে অনুষ্ঠিত হৈ যোৱা 'প্ৰাগ চিনে এৱাৰ্ড - ২০২২ ৰ তৰফৰ পৰা তেওঁলৈ এই বঁটা আগবঢ়োৱা হয়। উল্লেখ্য যে সাত বছৰ কাল সাংবাদিকতাৰ শিক্ষক হিচাপে এসময়ত কৰ্মৰত মন্দিৰা গগৈৰ দুখনকৈ কাব্য গ্ৰন্থ 'তেওঁক লগ পোৱাৰে পৰা' আৰু 'পানীৰ চাং' প্ৰকাশ পাইছে। ধাৰাবাহিকভাৱে অসমৰ কাকত আলোচনীত গল্প/কবিতা প্ৰকাশ হৈ থকা মন্দিৰা গগৈ এগৰাকী কছটিউম ডিজাইনাৰ হিচাপেও অসমৰ ৰাইজৰ পৰিচিত। কে'বাখনো অসমীয়া কথাছবি, ছিৰিয়েল, বিজ্ঞাপনত কছটিউম ডিজাইনাৰ হিচাপে কাম কৰি অহা মন্দিৰা গগৈ অভিনয়ৰ স'তে জড়িত। বহুকেইখন চুটি ছবিৰ লগতে ইতিমধ্যে নাম স্থিৰ নোহোৱা এখন ছিৰিয়াছ কথাছবিৰ এটা গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰিছে তেওঁ । বৰ্তমান তেওঁ Organicspaces.in নামৰ Design and cloth company এটাৰ অফিচিয়েল ডিজাইনাৰ হিচাপে কৰ্মৰত। উল্লেখ্য যে এইগৰাকী প্ৰতিভাৱান কবি, ডিজাইনাৰ, অভিনেত্ৰী লৈ বিভিন্ন অনুষ্ঠানৰ লগতে কবিতা প্ৰডাকচনে আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে ।

# অসমীয়া এনিমেচন ছবি 'মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ'লৈ আন্তঃৰাষ্ট্ৰীয় সন্মান



**অসমীয়া** এনিমেচন চলচ্চিত্ৰ জগতৰ বাবে এক সুখবৰ। 'মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ' শীৰ্ষক এখন অসমীয়া এনিমেচন চলচ্চিত্ৰই শেহতীয়াকৈ বিশ্বজুৰি বিভিন্ন ঠাইত অনুষ্ঠিত চলচ্চিত্ৰ মহোৎসৱত উচ্চ প্ৰশংসা আৰু সমালোচনামূলক দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। ৰমণী চিত্ৰম মেম'ৰিয়েল ট্ৰাষ্টৰ দ্বাৰা প্ৰযোজিত এই চলচ্চিত্ৰখনৰ পৰিকল্পনা, চিত্ৰনাট্য আৰু পৰিচালনা প্ৰসিদ্ধ সত্ৰীয়া সংস্কৃতিৰ সংৰক্ষক, প্ৰচাৰক আৰু সমাজহৈতেষী প্ৰয়াত ডালিম পাঠকৰ। চলচ্চিত্ৰখনৰ চিত্ৰনাট্য, সংলাপ আৰু গৱেষণাৰ কাম কৰিছে প্ৰভাত চন্দ্ৰ দাসে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু তেওঁৰ প্ৰিয় শিষ্য তথা 'নামঘোষা'ৰ স্ৰষ্টা শ্ৰীশ্ৰী মাধৱদেৱৰ দৰ্শন প্ৰসাৰ আৰু প্ৰচাৰৰ ক্ষেত্ৰত প্ৰয়াত ডালিম পাঠকে আগৰে পৰাই অগ্ৰণী ভূমিকা লৈ আহিছে। এই চলচ্চিত্ৰখনে যোৱা জানুৱাৰীত অনুষ্ঠিত সন্মানীয় এথেন্স আন্তঃৰাষ্ট্ৰীয় মাহেকীয়া চলচ্চিত্ৰ মহোৎসৱ ২০২২ত শ্ৰেষ্ঠ এনিমেচন চলচ্চিত্ৰ বঁটা আৰু টকিঅ' আন্তঃৰাষ্ট্ৰীয় মাহেকীয়া চলচ্চিত্ৰ মহোৎসৱ ২০২২ত সংগীতৰ বাবে বিশেষ বঁটা লাভ কৰিছে। তদুপৰি এই চলচ্চিত্ৰখনে বুডাপেষ্ট চলচ্চিত্ৰ মহোৎসৱত চূড়ান্ত মনোনীত হোৱাৰ উপৰি কুৰেটো আন্তঃৰাষ্ট্ৰীয় এনিমেচন চলচ্চিত্ৰ মহোৎসৱ (KIAFF), দাৰ এছ ছালাম, তাঞ্জানিয়া, ইটালীৰ চিচিলিত অনুষ্ঠিত ফেষ্টিভেল ডেল চেফালু, লিফ্ট অৱ ফিল্মমেকাৰ ছেচন @ Pinewood Studios ৰ বাবে নিৰ্বাচিত কৰা হৈছে। চলচ্চিত্ৰখনে এইসমূহ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰত বিভিন্ন দেশৰ দৰ্শকসকলৰ পৰা যথেষ্ট প্ৰশংসা আৰু সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে আৰু ইয়ে অসমত এনিমেচন চলচ্চিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত এক আশাৰ সঞ্চাৰ কৰিছে।

চলচ্চিত্ৰখনে মহাপুৰুষ মাধৱদেৱৰ বৌদ্ধিক, আধ্যাত্মিকতা আৰু তেওঁৰ পদাংক যাতে নতুন প্ৰজন্মই অনুসৰণ কৰি পৰম্পৰাগত মূল্যবোধ বজাই ৰাখিবলৈ চেষ্টা কৰে তাৰ এটা বাৰ্তা দিবলৈ চেষ্টা কৰা হৈছে। 'মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ'ৰ সংগীত ৰচনা কৰিছে প্ৰসিদ্ধ সত্ৰীয়া শিল্পী গুণীন্দ্ৰ নাথ ওজাই। কণ্ঠদান কৰিছে শাস্ত্ৰীয় কণ্ঠশিল্পী জিতেন বসুমতাৰী আৰু প্ৰসিদ্ধ গায়ক হেমেন দাসে। আনহাতে গীতবোৰ পৰিৱেশন কৰে বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া বশিষ্ঠ দেৱ শৰ্মা, বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া প্ৰয়াত নৱজিৎ দাস পাঠক, গুণীন্দ্ৰ নাথ ওজা, হেমেন দাস, জীতেন বসুমতাৰী, মধুস্মিতা ভট্টাচাৰ্য, ক্ৰান্তিকা সান্দিল্য, জোনালী ওজা বসুমতাৰী, ৰবীন্দ্ৰ নাথ দাস আৰু দীনেশ দাসে। আৰহ সংগীত সমীৰ সৰকাৰ আৰু মানৱজ্যোতি দাস Animation Master নামৰ এনিমেটৰৰ এটা দলে অশেষ কষ্ট কৰি এই চলচ্চিত্ৰখনত এনিমেটেড দৃশ্য আৰু কাৰিকৰী প্ৰযুক্তি প্ৰয়োগ কৰি মহাপুৰুষজনাৰ জীৱন পৰিক্ৰমা সঠিকভাৱে প্ৰতিফলন কৰাত সফল হৈছে। ছবিখনৰ সহযোগী পৰিচালক হৈছে অবনী ৰঞ্জন পাঠক। সহকাৰী পৰিচালক দীপমনি চুতীয়া। 'মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ' চলচ্চিত্ৰখনত সন্নিবিষ্ট হৈছে কে'বাটাও গভীৰভাৱে গতিশীল পৰম্পৰাগত বৰগীত আৰু ঘোষা। এইসমূহৰ ভিতৰত আছে 'আলো ভাই চলো আইস', 'আলো মই কি কহব দুখ', 'মই দুৰাচাৰ', 'মোকে এবাৰ কৰোনা', 'নাৰায়ণ কাহে ভকতি কৰো', 'পাৰে পৰি হৰি', 'পামৰো মন ৰাম চৰণে' ইত্যাদি। ছবিখনৰ বিভিন্ন চৰিত্ৰৰ সংলাপত কণ্ঠ নিগৰাইছে ৰঞ্জন বেজবৰুৱা (মুখ্য চৰিত্ৰ), নিপন গোস্বামী, প্ৰয়াত সাধন হাজৰিকা, দীনেশ দাস, অসীম কান্ত বৰুৱা, চৈয়দ চাদুল্লা, সুৰঞ্জিত মালাকাৰ, আৰতি কলিতা, অনামিকা বৰদলৈ, জয়ন্ত ভাগৱতী, অৱনী বৰা, নয়ন প্ৰসাদ, নিকুমণি বৰুৱা আদিয়ে। এই এনিমেচন ছবিখনত শ্ৰীশ্ৰী মাধৱদেৱৰ জীৱনশৈলী সঠিকভাৱে তথা শুদ্ধভাৱে যাতে উপস্থাপন হয় তাৰ বাবে নতুন কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ প্ৰয়াত নাৰায়ণ চন্দ্ৰ গোস্বামী আৰু বৰংগাজুলি সত্ৰৰ সত্ৰাধিকাৰ প্ৰয়াত হৰেকৃষ্ণ মহন্তই তেওঁলোকৰ অমূল্য জ্ঞান আৰু নিৰ্দেশনা প্ৰদান কৰিছিল।



ৰ'ড ছেফটি ক্ৰিকেটত সুৰেশ ৰাইনা।

# গুৱাহাটী ছিনিয়ৰ ৰাষ্ট্ৰীয় সাঁতোৰ চেম্পিয়নশ্বিপত অভিলেখ গঢ়ি সোণ অৰ্জন অসম কন্যা শিৱাংগীৰ

**গুৱাহাটী, ১০ ছেপ্টেম্বৰ ঃ** অসমৰ ক্ৰীড়াক্ষেত্ৰলৈ আন এক সুখবৰ। গুৱাহাটীত চলি থকা ছিনিয়ৰ ৰাষ্ট্ৰীয় সাঁতোৰ চেম্পিয়নশ্বিপত আজি অসমৰ আন এগৰাকী তাৰকা খেলুৱৈয়ে ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি সোণ লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ড০ জাকিৰ হুছেইন একুৱেটিক প্ৰকল্পত চলি থকা ৭৫ সংখ্যক ছিনিয়ৰ ৰাষ্ট্ৰীয় জলক্ৰীড়া প্ৰতিযোগিতাত ইতিহাস সৃষ্টি কৰি অসমৰ শিৱাংগী শৰ্মাই ১০০ মিটাৰ ফ্ৰীষ্টাইলত সোণৰ পদক জয় কৰিছে। প্ৰতিযোগিতাত এয়া অসমৰ দ্বিতীয়টো গৌৰৱময় ঐতিহাসিক সফলতা। ইয়াৰপূৰ্বে অসমৰ আস্থা চৌধুৰীয়ে মহিলাৰ ১০০ মিটাৰ বাটাৰফ্লাইত নতুন ৰাষ্ট্ৰীয় অভিলেখ স্থাপন কৰি সোণ লাভ কৰিছিল। কালি আস্থাই ১৩ বছৰীয়া ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰে। ইফালে, আস্থা চৌধুৰীয়ে আজিও সোণ অৰ্জন কৰে ২০০ মিটাৰ বাটাৰফ্লাইত। ইয়াৰপূৰ্বে প্ৰতিযোগিতাখনত ৰাজ্যখনৰ আগশাৰীৰ মহিলা সন্তৰণবিদ শিৱাংগী শৰ্মাই দুটা ৰূপ আৰু পুৰুষ শাখাত বিক্ৰম চাংমায়ে এটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল। শিৱাংগীয়ে মহিলাৰ ২০০ মিটাৰ ফ্ৰিষ্টাইলত ৰূপৰ পদক অৰ্জন কৰে। তদুপৰি শিৱাংগীয়ে ৫০ মিটাৰ ফ্ৰিষ্টাইলতো ৰূপৰ পদক লাভ কৰে। ইফালে, অসমৰ বিক্ৰম চাংমাইয়ে পুৰুষৰ ১০০ মিটাৰ বাটাৰফ্লাইত ৰূপৰ পদক লাভ কৰে।



## ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ

## আজি কোৱাৰ্টাৰত মুম্বাই-চেন্নাইয়ান

**কলকাতা, ১০ ছেপ্টেম্বৰ ঃ** চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ কাইলৈ কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত হ'বলগা তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত মুখামুখি হ'ব আই এছ এলৰ দুই পূৰ্ব চেম্পিয়ন দল মুম্বাই চিটী এফ চি আৰু চেন্নাইয়ান এফ চি। উল্লেখ্য যে মুম্বাই চিটীয়ে গ্ৰুপ 'বি'ৰ পৰা শীৰ্ষ দল হিচাপে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আনহাতে, চেন্নাইয়ান এফ চিয়ে আৰম্ভণি দুৰ্বল কৰিলেও গুৰুত্বপূৰ্ণ মেচত জয়ী হৈ গ্ৰুপ 'চি'ৰ দ্বিতীয় দলৰূপে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। চেন্নাইয়ানে চাৰিখন মেচৰ দুখনত জয় তথা এখনত পৰাজয় আৰু এখন ড্ৰ খেলি সাত পইণ্ট লাভ কৰিছে। দলে নটা গ'ল কৰাৰ বিপৰীতে ছটা হজম কৰিছে। ইফালে, মেচৰ সমীকৰণ মুম্বাই দলৰো একেই। দুখনত জয় তথা এখনত পৰাজয় আৰু এখন ড্ৰ। কিন্তু দলে ১৩টা গ'ল কৰি সাতটা হজম কৰিছে।

## ছেমিফাইনেলত আৰিয়ান স্পৰ্টছ ক্লাব

**অগ্ৰদূত বাৰ্তা, বৰভাগ, ১০ ছেপ্টেম্বৰ ঃ** মুকালমুৱাৰ আৰিয়ান স্পৰ্টছ ক্লাবে চন্দন কলিতা, ব্ৰজনাথ বৈশ্য আৰু প্ৰাণেশ্বৰ ডাউকা সোঁৱৰণী দ্বিতীয় বাৰ্ষিক প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। জোনাক যুৱমঞ্চ বৰভাগৰ উদ্যোগত কৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা প্ৰতিযোগিতাৰ আজিৰ চতুৰ্থখন কোৱাৰ্টাৰত দলটোৱে কামৰূপৰ কেতেকীবাৰী জ্ঞানদা সংঘক ১-০ ত পৰাস্ত কৰে। আজিৰ খেলখন পৰিচালনা কৰে গকুল দাস, মণিপ্ৰিন্স হাজৰিকা, সুৰেশ দাস আৰু নৱজিৎ কলিতাই।

## অতুল-মনাই গগৈ ফুটবল

**চেপন, ১০ ছেপ্টেম্বৰ ঃ** চতুৰ্থ বাৰ্ষিক অতুল গগৈ আৰু মনাই গগৈ সোঁৱৰণি আমন্ত্ৰণমূলক প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ 'বি'ৰ প্ৰথম ৰাউণ্ডৰ দ্বিতীয়খন খেলত মৰাণ অইল ইণ্ডিয়া ফুটবল একাডেমীক পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। টিফুক নৱজ্যোতি যুৱ সংঘৰ উদ্যোগত আৰু চৰাইদেউ জিলা ক্ৰীড়া সন্থা তত্বাৱধানত টিফুক ৰাজহুৱা খেলপথাৰত চলি থকা প্ৰতিযেগিতাৰ আজি অনুষ্ঠিত খেলখনত বকতাই মৰাণ অইল ইণ্ডিয়াক একাডেমীক ৩-১ গলত ব্যৱধানত পৰাজিত কৰে। আজিৰ খেলখনত শ্ৰেষ্ঠ খেলুৱৈৰ বটাঁ লাভ কৰে বকতা ছীডফাৰ্মৰ ফ'ৰৱাৰ্ড বিৰাজ সন্দিকৈয়ে।

## বঙাইগাঁও এলেভেন ষ্টাৰ ফাইনেলত

**ছয়গাঁও, ১০ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত ছয়গাঁও মিনি ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা পঞ্চম বাৰ্ষিক তুলসীৰাম কলিতা সোঁৱৰণী আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাৰ আজি দ্বিতীয়খন ছেমিফাইনেল ছয়গাঁৱৰ হিটলাৰ ক্লাব আৰু বঙাইগাঁৱৰ এলেভেন ষ্টাৰৰ মাজত অনুষ্ঠিত আৰু খেলখনত ৩-২ গলৰ ব্যৱধানত বঙাইগাঁও এলেভেন ষ্টাৰ জয়ী হৈ ফাইনেলত প্ৰৱেশ কৰে। খেলৰ শুভ উদ্বোধন কৰে অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। অহা ১২ ছেপ্টেম্বৰত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু বঙাইগাঁও এলেভেন ষ্টাৰৰ মাজত ফাইনেল খেলখন অনুষ্ঠিত হব।

### ইডেন গাৰ্ডেনৰ উদ্বোধনী মেচত ভাৰতীয় মহাৰাজাৰ বিৰুদ্ধে বিশ্ব জায়েন্টছ

# ১৬ ছেপ্টেম্বৰৰ পৰা ভাৰতত লিজেণ্ডছ লীগ

**কলকাতা, ১০ ছেপ্টেম্বৰ ঃ** ভাৰতীয় ক্ৰিকেট দলৰ ব্যৰ্থতাৰ মাজতে দেশত আৰম্ভ হৈছে প্ৰাক্তন ক্ৰিকেটাৰক লৈ নতুন উৎসাহ। উল্লেখ্য যে অহা ১৬ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ'ব লিজেণ্ডছ লীগ ক্ৰিকেট। প্ৰতিযোগিতাখন আৰম্ভ হ'ব ইডেন গাৰ্ডেনত অনুষ্ঠিত হ'বলগীয়া এখন বিশেষ মেচেৰে। ভাৰতীয় মহাৰাজা আৰু বিশ্ব জায়েন্টছৰ মাজত অনুষ্ঠিত হ'বলগীয়া বেনিফিট মেচখনৰ নেতৃত্ব দিব ভাৰতৰ অন্যতম সফল অপেনাৰ বীৰেন্দ্ৰ ছেহৱাগ আৰু দক্ষিণ আফ্ৰিকাৰ অলৰাউণ্ডাৰ জেক কেলিছে। লিজেণ্ডছক পুনৰ খেলপথাৰত চোৱাৰ হেঁপাহৰ মাজতে টিকটৰ চাহিদা বৃদ্ধি পাইছে। কাৰণ অনুৰাগীসকলে তেওঁলোকৰ নায়কসকলে ২২ গজত আকৌ এবাৰ আধিপত্য বিস্তাৰ কৰাটো চাবলৈ সাজু হৈছে ক্ৰিকেটপ্ৰেমী। ইফালে, কলকাতাৰ পাছতে লীগৰ মেচ অনুষ্ঠিত হ'ব লক্ষ্ণৌ, নতুন দিল্লী, কটক আৰু যোধপুৰত। লিজেণ্ডছ লীগত অংশগ্ৰহণকাৰী চাৰিটা দলত আছে ভাৰতৰ লগতে বিশ্বৰ কেবাজনো তাৰকা প্ৰাক্তন ক্ৰিকেটাৰ। দলৰ খেলুৱৈসকল হ'ল ঃ **গুজৰাট জায়েন্টছ** (গৰাকী ঃ আদানি স্পৰ্টছলাইন ) ঃ বীৰেন্দ্ৰ ছেহৱাগ (অধিনায়ক), পাৰ্থিব পেটেল, ক্ৰিছ গেইল, এল্টন চিগুম্বুৰা, ক্ৰিছ ট্ৰেমলেট, ৰিচাৰ্ড লেভি, গ্ৰেম শ্বোৱান, যোগিন্দৰ শৰ্মা, অশোক ডিণ্ডা, ডেনিয়েল ভেট্টৰী, কেভিন অ'ব্ৰাইন, ষ্টুয়াৰ্ট বিন্নি, মিচেল মেকক্লেনাঘান, লেণ্ডল ছিমনছ, মনিন্দৰ বিছলা আৰু অজন্ত মেণ্ডিছ। **ইণ্ডিয়া কেপিটেলছ** (মালিক ঃ জি এম আৰ স্পৰ্টছ) ঃ গৌতম গম্ভীৰ (অধিনায়ক), ৰবি বোপাৰা, পাৰভিজ মহাৰুফ, মিচেল জনছন, জেক কালিছ, পংকজ সিং, ৰজ টেইলৰ, প্ৰছপাৰ উৎসেয়া, জন মুনী, মাছৰাফে মৰ্তাজা, হেমিল্টন মাছাকাডজা, ৰজত ভাটিয়া, লিয়াম প্লাংকেট, আছঘৰ আফগান, দীনেশ ৰামদিন আৰু প্ৰবীণ তাম্বে। **মণিপাল টাইগাৰ্ছ** (মালিক ঃ মণিপাল এডুকেচন এণ্ড মেডিকেল গ্ৰুপ ) ঃ হৰভজন সিং (অধিনায়ক), ব্ৰেট লী, এন্ড্ৰিউ ফ্লিণ্টফ, ভি আৰ ভি সিং, পাৰবিন্দৰ আৱানা, ৰিতিন্দৰ সিং সোধি, ৰমেশ কালুৱিথাৰানা, দিমিত্ৰী মাস্কাৰেনহাছ, লেন্স ক্লুচেনাৰ, ৰিয়ান চাইডবটম, মহম্মদ কাইফ, ফিল মাষ্টাৰ্ড, ক'ৰী এণ্ডাৰছন, ইমৰাণ তাহিৰ, ডেৰেন ছেমি আৰু মুথায়া মুৰলিধৰণ। **ভিলৱাৰা কিংছ** (মালিক ঃ ভীলৱাৰা গ্ৰুপ ) ঃ ইৰফান পাঠান (অধিনায়ক), ইউছুফ পাঠান, সুদীপ ত্যাগী, টিনো বেষ্ট, ওৱাইছ শ্বাহ, টিম ব্ৰেছনান, শ্বেন ৱাটছন, এছ শ্ৰীছান্থ, নিক কম্পটন, মেট প্ৰাইয়ৰ, সমীত পেটেল, ফিডেল এডৱাৰ্ডছ, উইলিয়াম পৰ্টাৰফিল্ড, নমন ওঝা আৰু মন্টি পানেছাৰ।




## আজিৰে পৰা উত্তৰ পূব শ্যুটিং প্ৰতিযোগিতা

**গুৱাহাটী, ১০ ছেপ্টেম্বৰ ঃ** উত্তৰ পূৰ্বাঞ্চলৰ শ্যুটিং ক্ষেত্ৰলৈ আমূল পৰিৱৰ্তন অনাৰ লক্ষ্যৰে অসম ৰাইফল আৰু শ্যুটিং সন্থাই আয়োজন কৰিছে নৰম উত্তৰ পূব মণ্ডল শ্যুটিং চেম্পিয়নশ্বিপ। কাহিলীপাৰাৰ চতুৰ্থ আৰক্ষী বেটেলিয়ানৰ আছাম স্পৰ্টছ শ্যুটিং ৰেঞ্জত সমাবেশ ঘটিছে অসমৰ উপৰি বিভিন্ন ৰাজ্যৰ পৰা অহা খেলুৱৈৰ। কাইলৈৰ পৰা প্ৰতিযোগিতাখন আৰম্ভ হ'ব। উল্লেখ্য যে মুঠ ২৫৭ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিবলগীয়া প্ৰতিযোগিতাখনৰ বাবে ইতিমধ্যে পঞ্জীয়ন কৰিছে খেলুৱৈসকলে । এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নগালেণ্ড আদিৰ ৰাজ্যৰ খেলুৱৈয়ে । ইয়াৰ উপৰি আৰ্মি মাৰ্কছমেনশ্বিপ গোট আৰু অসম ৰাইফল মাৰ্কছমেনশ্বিপ গোটেও প্ৰতিনিধিত্ব কৰিছে। এই প্ৰতিযোগিতাখনে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ শ্যুটিং ক্ষেত্ৰত এক জাগৰণৰ সৃষ্টি হ'ব বুলি আশাবাদী অসম ৰাইফল আৰু শ্যুটিং সন্থা ।



## পূৱ মণ্ডল জুনিয়ৰ এথলেটিকছত প্ৰথম দিনাই অসমৰ ১৭ টা পদক

**পাটলিপুত্ৰৰ পৰা ৰূপক বৈশ্য, ১০ ছেপ্টেম্বৰ ঃ** বিহাৰৰ পাটনাৰ পাটলিপুত্ৰ ক্ৰীড়া প্ৰকল্পত আজিৰে পৰা আৰম্ভ হৈছে পূৱ মণ্ডল জুনিয়ৰ এথলেটিকছ প্ৰতিযোগিতা। আজি প্ৰথম দিনটোতে অসমে লাভ কৰিছে পাঁচটা সোণ, তিনিটা ৰূপ আৰু নটা ব্ৰঞ্জৰ পদক। পদক বিজয়ী খেলুৱৈসকল ক্ৰমে সোণৰ পদক হেমাংগ বৰগোহাঁই (হাইজাম্প),অমিছা পেগু (চটপুত),ইণ্ডিভৰ হাজৰিকা (১৫০০মিটাৰ দৌৰ),মোছাদ্দিক হুছেইন (৬০মিটাৰ দৌৰ) আৰু পাহি কেওঁট (২০০০মিটাৰ দৌৰ)। ইফাল ৰূপৰ পদক লাভ কৰে শিখামণি বৰগোহাঁই ,সুভম ঘোস আৰু পিন্টু বৰঠাকুৰে। তদুপৰি ব্ৰঞ্জৰ পদক পায় পুলি দলে,কাদম্বৰী মুদিয়াৰ, প্ৰবাল কোঁৱৰ, ৰিমঝিম শইকীয়া, যুগান্ত চাংমাই, প্ৰমোদ হাগজাৰ,অভিষেক মহালী,চাংমিৰ টেৰনপি আৰু মেহদী হাচানে।

## স্বাধীনতা কাপত সঞ্জীৱনীৰ জয়

**অগ্ৰদূত বাৰ্তা, ধিং, ১০ ছেপ্টেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ সৌজন্যত আৰু ধিং ক্ৰীড়া সন্থাৰ ব্যৱস্থাপনাৰে ধিং ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত নগাঁৱৰ সঞ্জীৱনী সমাজ বিজয়ী হৈ প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। দলে ওদালগুৰিৰ দৈমালো ক্লাবক ৫-১ গলৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে। সঞ্জীৱনী সমাজৰ ধন দাসে হেট্ৰিক অৰ্জন কৰাৰ লগতে আকাশ সোনাৰ আৰু শোভম নাৰ্জাৰীয়ে একোটাকৈ গল দিয়ে। আজিৰ খেলখন পৰিচালনা কৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰিচালক নিৰ্মল ভট্টাচাৰ্যই। তেওঁক লাইনত সহায় কৰে চাজাহান আলী আৰু শৈলেন ভূঞাইয়ে। চতুৰ্থ ৰেফাৰী আছিল দেৱাশিস মজুমদাৰ।

## যোৰহাট টাউনৰ অগ্ৰগতি

**অগ্ৰদূত বাৰ্তা,বেবেজীয়া, ১০ ছেপ্টেম্বৰ ঃ** চলিত স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি কামপুৰৰ মেচত যোৰহাট টাউন ক্লাবে জলন্ধৰৰ আই টি বি পি দলক ২-১ গ'লত হৰুৱাই পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। যোৰহাট টাউন ক্লাবৰ হৈ ৰাহুল শইকীয়া আৰু গৌতম বৰুৱাই গল দুটা দিয়াৰ বিপৰীতে আই টি বি পিৰহৈ লাভপ্ৰিতে একমাত্ৰ গলটো দিয়ে। এইখন খেল পৰিচালনা কৰাত ৰেফাৰী জীৱন গগৈক সহায় কৰে ঘনশ্যাম দাস, ৰূপম বৰদলৈ আৰু অনামিকা ডেকাৰজাই। **জাজৰিত মাজগাঁও কোচিং ক্লাবৰ জয় ঃ** জাজৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত দলংঘাটৰ বৰমণিপুৰস্থিত সন্থাৰ নিজা খেলপথাৰত চলি থকা ফুটবল লীগ প্ৰতিযোগিতাৰ আজিৰ খেলত মাজগাঁও কোচিং ক্লাৱে মিলিজুলি ক্লাবক ৪-০ গ'লত পৰাজিত কৰে। মাজগাঁও কোচিং ক্লাবৰহৈ দীপাংকৰ কোৰঁৱে দুটা, পৰাগ বৰদলৈ আৰু চক্ৰ পাটৰে এটাকৈ গ'ল দিয়ে।



ইউ এছ অপেনৰ ডাবলছ চেম্পিয়ন ৰাজীৱ-জ' যুটি।

## এ ডিভিজন ফুটবল লীগ

**মৰিগাঁও,১০ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় ক্ষীৰোদ বৰুৱাৰ ষ্টেডিয়ামত চলি থকা আন্তঃ ক্লাব এ ডিভিজন ফুটবল লীগত আজি অনুষ্ঠিত হোৱা বলব'ম এফ চি আৰু মৰ্নিং ক্লাবৰ মাজৰ খেলখন গ'লশূন্যভাৱে সমাপ্তি ঘটে। ১১ ছেপ্টেম্বৰত খেল ঃ নৱজ্যোতি ক্লাব বনাম ভূৰবন্ধা আঞ্চলিক নৱজ্যোতি সংঘ মৰিগাঁও।

## আসাম ৰাইফল ছেমিফাইনেলত

**অগ্ৰদূত বাৰ্তা ,টংলা ,১০ ছেপ্টেম্বৰ ঃ** সদৌ বড়ো ছাত্ৰ সন্থা ভেৰগাঁও সমিতি আৰু ভেৰগাঁও ক্ৰীড়া সন্থাৰ যৌথ উদ্যোগত চলি থকাবড়োলেণ্ড শ্বহীদ সোঁৱৰণী মহিলা ফুটবল প্ৰতিযোগিতাৰ আজি খেলত আসাম ৰাইফল তেজপুৰ দলে পশ্চিম চম্পাৰণ বিহাৰ দলক ২-১ গ'লত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। ভেৰগাঁও উচ্চতৰ মাধ্যমিক খেলপথাৰত অনুষ্ঠিত খেলত আসাম ৰাইফল দলৰ হৈ ৰনী দেবী আৰু চাম্বা দেৱীয়ে এটাকৈ গ'ল দিয়ে। অহা সোমবাৰে কাৰ্বি আংলং কাচা এফচিয়ে ডিএফএ কালচিনি আলিপুৰ দুৱাৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।



## নৱেম্বৰত গুৱাহাটীত আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক ৰেংকিং টেনিছ

**গুৱাহাটী, ১০ ছেপ্টেম্বৰ ঃ** অসমৰ প্ৰতিভাবান দুই টেনিছ খেলুৱৈ পাৰ্থিব কলিতা আৰু চান্দোগ্য টি পাঠকে অইল-আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাত দ্বিমুকুট লাভ কৰি ৰাজ্যৰ টেনিছ ক্ষেত্ৰলৈ নতুন আশা লৈ আনিছে বুলি ব্যক্ত কৰিছে অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই। দুই জুনিয়ৰ খেলুৱৈৰ সফলতাই অনাগত সময়ত অসম টেনিছক অধিক সফলতা দিয়াত সহায় কৰিব বুলি তেওঁ লগতে কয়। উল্লেখ্য যে গুৱাহাটীত হোৱা ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাখনত পাৰ্থিবে ল'ৰাৰ ১৪ বছৰৰ অনূৰ্দ্ধৰ একক আৰু ডাবলছ শাখাৰ খিতাপ লাভ কৰাৰ বিপৰীতে চান্দোগ্যেই ল'ৰাৰ ১২ বছৰৰ অনূৰ্দ্ধৰ একক আৰু ডাবলছ শাখাৰ চেম্পিয়ন হয়। ইফালে, অসমৰ নায়ীন হুছেইনেও ছোৱালীৰ ১২ বছৰৰ অনূৰ্দ্ধৰ ডাবলচ শাখাৰ খিতাপ লাভ কৰিবলৈ সক্ষম হৈছে। ইফালে, অহা নৱেম্বৰত গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত অনুষ্ঠিত হ'ব ১৮ বছৰ অনূৰ্দ্ধ শাখাৰ ল'ৰা-ছোৱালীৰ আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক ৰেংকিং টেনিছ প্ৰতিযোগিতা। অৱশ্যে অসমত হ'বলগা এইখন আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাৰ দিন এতিয়াও আন্তৰ্জাতিক টেনিছ ফেডাৰেছনে ঘোষণা কৰা নাই বুলি কয় অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই। উল্লেখ্য যে সদৌ অসম টেনিছ সন্থাৰ সাংগঠনিক দক্ষতাৰ ওপৰত বিশ্বাস ৰাখি ভাৰতীয় টেনিছ ফেডাৰেছনে চলিত বছৰত মুঠ আঠখন ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ লগতে এখন আন্তৰ্জাতিক প্ৰতিযোগিতাও গুৱাহাটীত আয়োজনৰ দায়িত্ব অৰ্পন কৰিছে।

## উদ্বোধনী খেলত বৰভাগ ইউনাইটেড স্পৰ্টছৰ জয়

**অগ্ৰদূত বাৰ্তা, বাহাৰঘাট, ১০ ছেপ্টেম্বৰ ঃ** বৰভাগ ইউনাইটেড স্পৰ্টচ ক্লাবৰ উদ্যোগত আয়োজিত ডাঃ ৰামদত্ত বুজৰবৰুৱা আৰু ভূপেন শৰ্মা সোঁৱৰণী চলন্ত ট্ৰফী প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ আজিৰে পৰা আৰম্ভ হৈছে। ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত উদ্বোধনী খেলত বৰভাগ ইউনাইটেড স্পৰ্টছ ক্লাবে ২-১ গ'লত পৰাজিত কৰে বৰভাগ আঞ্চলিক ক্ৰীড়া সংঘক। প্ৰতিযোগিতা মুকলি কৰে প্ৰাক্তন খেলুৱৈ বিমল কুমাৰ চৌধুৰীয়ে। ক্লাবৰ পতাকা উত্তোলন কৰে সভাপতি ডাঃ অৰুণ শৰ্মাই,স্মৃতি তৰ্পণ কৰে অৱসৰপ্ৰাপ্ত কৃতি শিক্ষক বীৰেন্দ্ৰ নাথ শৰ্মা আৰু অভিশেষ শৰ্মাই। বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে বুবুল তালুকদাৰ, দীনমণি ভাণ্ডাৰ কায়স্থ, চন্দন তালুকদাৰ, তবিবৰ ৰহমান।



## মৰিয়নিত আজি সামৰণি পৰিব আন্তঃজিলা নেটবল

**অগ্ৰদূত বাৰ্তা, মৰিয়নি, ১০ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলা নেটবল সন্থাৰ উদ্যোগত আৰু নেটবল সন্থা অসমৰ তত্বাৱধানত মৰিয়নিৰ বাপুজী ষ্টেডিয়ামত চলি থকা মনিৰাম মহন-নিৰু মহন আৰু মানিক চন্দ্ৰ মহন্ত আৰু ক্ষীৰদা মহন্ত সোঁৱৰণী সদৌ অসম আন্তঃজিলা জুনিয় আৰু ছাব-জুনিয়ৰ প্ৰতিযোগিতাৰ ল'ৰা আৰু ছোৱালী উভয় শাখাৰে ছেমিফাইনেলৰ লাইন আপ নিৰ্ণয় হৈছে। ছাব-জুনিয়ৰৰ ছোৱালীৰ শাখাৰ ছেমিফাইনেলত শিৱসাগৰে গুৱাহাটীৰ বিৰুদ্ধে আৰু চৰাইদেৱে গোলাঘাটৰ বিৰুদ্ধে অৱতীৰ্ণ হব । আনহাতে, ল'ৰাৰ শাখাত লক্ষীমপুৰে চৰাইদেউৰ বিৰুদ্ধে আৰু শিৱসাগৰে ডিব্ৰুগড়ৰ বিৰুদ্ধে ছেমিত অৱতীৰ্ণ হব । কাইলৈ পুৱা ছেমি ফাইনেল আৰু বিয়লিলৈ ফাইনেল খেলসমূহ অনুষ্ঠিত হব।

## ব্যাসকুছি এফ চি দল চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, সৰ্থেবাৰী, ১০ ছেপ্টেম্বৰ ঃ** সৰ্থেবাৰী স্পৰ্টছ ক্লাবৰ উদ্যোগত সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা খনীন ডেকা আৰু অধৰ চন্দ্ৰ দাস সোঁৱৰণী চলন্ত ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত ফাইনেলত বজালী এফ চিক সামগ্ৰিকভাৱে ৫-৪ গ'লৰ ব্যৱধানত পৰাজিত কৰি ব্যাসকুছি এফ চিয়ে বিজয়ীৰ সন্মান লাভ কৰে। খেলখন ১-১ গ'লত অমীমাংসিত হোৱাত টাইব্ৰেকাৰৰ সহায়ত ফলাফল নিৰ্ণয় কৰিব লগা হয় । কিন্তু পুনৰ ৩-৩ ত অমীমাংসিত হোৱাত ছাদেন ডেথৰ সহায় লোৱা হয় । বজালী এফ চি ৰ সঞ্জীৱ বড়ো প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ আৰু ব্যাসকুছি এফ চি ৰ হিমজ্যোতি মৰল শ্ৰেষ্ঠ গ'লৰক্ষকৰ বঁটা লাভ কৰে । জেষ্ঠ সাংবাদিক চক্ৰেশ্বৰ ডেকাই উদ্বোধন কৰা খেলখনৰ অন্তত অধৰ চন্দ্ৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত বঁটা বিতৰণী সভাত জিলা ক্ৰীড়া সন্থাৰ উপ সভাপতি প্ৰদীপ দাসসহ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানতে অঞ্চলটোৰ কেবাজনো প্ৰাক্তন খেলুৱৈক উদ্যোক্তা সকলৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয় । কাইলৈ এখন প্ৰদৰ্শনমূলক মহিলা ফুটবলৰ আয়োজন কৰা হৈছে ।

## কেৰালা ব্লাষ্টাৰ্ছক হৰুৱাই ছেমিফাইনেলত মহমেদান

**কলকাতা, ১০ ছেপ্টেম্বৰ ঃ** মহমেদান স্পৰ্টিং ক্লাবে চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত মহমেদান স্পৰ্টিঙে ৩-০ গ'লত পৰাস্ত কৰে কেৰালা ব্লাষ্টাৰ্ছ এফ চিক। উল্লেখ্য যে মেচৰ আৰম্ভণিৰ পৰাই কেৰালাক আক্ৰমণ কৰিবলৈ লয় স্থানীয় দলটোৱে। খেলৰ ১৭ মিনিটত মহমেদানৰ হৈ প্ৰথমটো গ'ল কৰে এছ কে ফাইজে। এই গ'লেৰে দলে বিৰতিলৈ ১-০ ত আগুৱাই থাকে। দ্বিতীয়াৰ্ধতো মহমেদানৰ আক্ৰমণ অপৰিবৰ্তীত হৈ থাকে। ৫৯ মিনিটত আবিওলা এডেডেজি ডাউডাই প্ৰথমটো গ'ল কৰি মহমেদানৰ অগ্ৰগতি ২-০ কৰাৰ পাছত নাইজেৰিয়ান ষ্ট্ৰাইকাৰজনে ৮৪ মিনিটত দ্বিতীয়টো গ'ল কৰি দলৰ ৩-০ ৰ বিজয় নিশ্চিত কৰে। উল্লেখ্য যে গ্ৰুপত অপৰাজেয় হৈ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল মহমেদান স্পৰ্টিঙে। অহা ১৪ ছেপ্টেম্বৰত হ'বলগা প্ৰথমখন ছেমিফাইনেলত মহমেদান মুখামুখি হ'ব মুম্বাই চিটী আৰু চেন্নাইয়ান এফ চিৰ বিজয়ীৰ বিৰুদ্ধে।





## তেজৰ সম্পৰ্কৰ টানতে পাকিস্তানৰ পৰা পঞ্জাৱলৈ আহিল এগৰাকী বৃদ্ধা

ধৰ্মতকৈ ডাঙৰ দেশ, দেশতকৈও ডাঙৰ প্ৰেম তথা তেজৰ সম্পৰ্ক। সেই বাবেই ৭৫ বছৰৰ ব্যৱধানতো হ্ৰাস পোৱা নাছিল ভ্ৰাতৃ-ভগ্নীৰ ভালপোৱা। পাকিস্তানৰ বাসিন্দা মুছলমান ভগ্নী কুলছুম আখতাৰে ভাৰতৰ শিখ ধৰ্মাৱলম্বী জ্যেষ্ঠ ভ্ৰাতৃ অমৰজিৎ সিঙক কাষত পাই হাউ হাউকৈ ক্ৰন্দনত ভাঙি পৰা দৃশ্য প্ৰত্যক্ষ কৰি বহুতেই সেই মত প্ৰকাশ কৰিছে। সেই চকুলোৱেই যেন ধুই নিলে কাঁটাতাঁৰৰ দুপাৰে থকা বিভেদৰ দূৰত্বক।

# ৭৫ বছৰৰ পাছত শিখ ভ্ৰাতৃৰে মিলন মুছলমান ভগ্নীৰ

**নিউজ ব্যুৰ'**
**চণ্ডীগড়, ১০ ছেপ্টেম্বৰ ঃ** ধৰ্মতকৈ ডাঙৰ দেশ, দেশতকৈও ডাঙৰ প্ৰেম তথা তেজৰ সম্পৰ্ক। সেই বাবেই ৭৫ বছৰৰ ব্যৱধানতো হ্ৰাস পোৱা নাছিল ভ্ৰাতৃ-ভগ্নীৰ ভালপোৱা। পাকিস্তানৰ বাসিন্দা মুছলমান ভগ্নী কুলছুম আখতাৰে ভাৰতৰ শিখ ধৰ্মাৱলম্বী জ্যেষ্ঠ ভ্ৰাতৃ অমৰজিৎ সিঙক কাষত পাই হাউ হাউকৈ ক্ৰন্দনত ভাঙি পৰা দৃশ্য প্ৰত্যক্ষ কৰি বহুতেই সেই মত প্ৰকাশ কৰিছে। সেই চকুলোৱেই যেন ধুই নিলে কাঁটাতাঁৰৰ দুপাৰে থকা বিভেদৰ দূৰত্বক। সম্প্ৰতি পঞ্জাৱৰ কৰ্তাৰপুৰৰ দৰবাৰ চাহিব গুৰুদ্বাৰাত মিলন ঘটিল দেশ বিভাজনৰ সময়তে বিচ্ছেদ হোৱা ভ্ৰাতৃ-ভগ্নীৰ।

নিদাৰুণ দেশ বিভাজনৰ ইতিহাস আজিও স্বাধীন ভাৰতৰ বাবে এক কেঁচা ঘা হৈ আছে। আকস্মিকভাৱে অন্ধকাৰ নামি আহিছিল ভাৰত-পাকিস্তানৰ বহু পৰিয়াললৈ। সেই ক্ষত যেন বহুতৰে এতিয়াও মাৰ যোৱা অবিভক্ত পঞ্জাৱৰ এটা মুছলমান পৰিয়ালেও সেই অপ্ৰিয় সত্যৰ মুখামুখি হ'বলগীয়া হৈছিল। বিচ্ছিন্ন হৈ পৰিছিল পৰিয়ালৰ সদস্যসকল। যাৰ ফলত অমৰজিৎ সিং আৰু তেওঁৰ এগৰাকী ভগ্নীয়ে ভাৰততে থাকি যোৱাৰ বিপৰীতে সীমান্ত পাৰ হৈ নৱগঠিত পাকিস্তানত আশ্ৰয় লৈছিল তেওঁলোকৰ মুছলমান পিতৃ-মাতৃয়ে। সেই সময়ত অৱশ্যে অমৰজিতৰ আন নাম আছিল। পৰৱৰ্তী সময়ত এটা শিখ পৰিয়ালে তেওঁক দত্তক লয় আৰু শিখ ধৰ্মত দীক্ষিত কৰে। অৱশ্যে ভগ্নীৰ সংঘৰ্ষত মৃত্যু হয়। সেই যাত্ৰাত অমৰজিৎ বাচি গ'লেও চিৰকালৰ বাবে বিচ্ছিন্ন হ'ল পিতৃ-মাতৃ-ভগ্নীৰ পৰা। ১৯৪৭ত পিতৃ-মাতৃ পাকিস্তানলৈ যোৱাৰ কিছু বছৰৰ পাছতহে কুলছুম আখতাৰৰ জন্ম হৈছিল। ৬৫ বছৰীয়া কুলছুমে কয় যে ভাৰতত হেৰাই যোৱা পুত্ৰ-কন্যাৰ বাবে মাতৃয়ে প্ৰায়ে কান্দি থকা তেওঁ শৈশৱৰ পৰাই দেখি আহিছিল। তাৰ পৰাই তেওঁৰ মনতো কেতিয়াও নেদেখা ভ্ৰাতৃ-ভগ্নীৰ প্ৰতি মায়া জাগিছিল। তেওঁ কয়, 'কেতিয়াও ভবা নাছিলো যে দাদা-বাইদেউৰ খবৰ পাম বা দেখা হ'ব। অৱশ্যে কিছুদিনৰ পূৰ্বে দেউতাৰ ভাৰতীয় বন্ধু চৰ্দাৰ দাৰা সিং পাকিস্তানলৈ আহিছিল। কথাবোৰ জানি তেৱেঁই ভাৰতলৈ উভতি গৈ খা-খবৰ লৈ গম পালে যে দেশ বিভাজনৰ সময়ত হেৰাই যোৱা বাইদেউৰ মৃত্যু হ'লেও দাদা এতিয়াও জীয়াই আছে। তেৱেঁই অমৰজিৎ সিং।'

সন্ধান ওলোৱাৰ পাছত ভ্ৰাতৃ অমৰজিতৰ স'তে হোৱাট্ছএপ যোগে যোগাযোগ স্থাপন কৰে কুলছুমে। অমৰজিতেও পাকিস্তানৰ ভগ্নীৰ কথা জানিব পাৰি আনন্দ আৰু আবেগত উথলি উঠে। কুলছুমৰ পুত্ৰ শ্বাহজাদ আহমেদেই মাতৃ ভাৰতলৈ অহাৰ যাৱতীয় ব্যৱস্থা কৰি দিয়ে। শ্বাহজাদে কয়, 'তেওঁ শিখ পৰিয়ালত ডাঙৰ-দীঘল হৈছে। শিখ ধৰ্ম গ্ৰহণ কৰিছে, কিন্তু তাক লৈ আমাৰ কোনো সমস্যা নাই।' বৰঞ্চ ৭৫ বছৰৰ পাছত মাকে তেওঁৰ ভ্ৰাতৃক বিচাৰি পোৱা বুলি শ্বাহজাদে আনন্দহে প্ৰকাশ কৰে। প্ৰকৃততে ধৰ্ম-বৰ্ণ-দেশ সকলোকে ঢাকি পেলাইছে এই ঘটনাই। উল্লেখ্য যে কৰ্তাৰপুৰৰ দৰবাৰ চাহিবত দেশ বিভাজনৰ সময়ত বিচ্ছিন্ন হোৱা প্ৰবীণ ভ্ৰাতৃ-ভগ্নীৰ মিলন দেখি একাংশ প্ৰত্যক্ষদৰ্শীৰো আনন্দত চকুলো নিগৰে।

# ধুবুৰীত পেলনীয়া নাৰিকলৰ বাকলিৰে নিৰ্মাণ দেৱী দুৰ্গাৰ প্ৰতিমা

**ধুবুৰী, ১০ ছেপ্টেম্বৰ ঃ** দেৱী দুৰ্গাৰ প্ৰতিমা ব্যতিক্ৰমী ৰূপত নিৰ্মাণ কৰিলে ধুবুৰীৰ এজন শিল্পীয়ে। পেলনীয়া নাৰিকলৰ বাকলিৰে নিৰ্মাণ কৰিছে দেৱী দুৰ্গাৰ প্ৰতিমা। ধুবুৰী চহৰৰ দুই নম্বৰ ৱাৰ্ডৰ পাঁচমোঞ্জৰ বাসিন্দা প্ৰদীপ ঘোষ নামৰ লোকজনে প্ৰায় তিনিমাহ ধৰি নিৰ্মাণ কাৰ্য চলাই থকা দুৰ্গা প্ৰতিমাটো মাত্ৰ ১৫ দিনৰ ভিতৰত সম্পুৰ্ণ হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। সম্পুৰ্ণ নিজৰ খৰচ আৰু প্ৰায় তিনি-চাৰি ঘণ্টা কষ্ট সাধনাৰে নিৰ্মাণ কৰি আছে দুৰ্গা প্ৰতিমাটো। শিল্পীজনে ১৯৯২ৰ পৰা শিল্প কলাৰ ওপৰত কাম কৰা বিভিন্ন মৃণ্ময় মূৰ্তি প্ৰতিবছৰে ব্যতিক্ৰমী ধৰণে চিন্তা কৰা প্ৰদীপ ঘোষে যোৱা বাৰ টিউব লাইট, এলইডি বাল্বৰে নিৰ্মাণ কৰিছিল দেৱী দুৰ্গাৰ প্ৰতিমা।

তাৰ উপৰি শলা, প্লাষ্টিকৰ পেলনীয়া বটল আদিৰেও নিৰ্মাণ কৰিছিল দেৱী দুৰ্গাৰ প্ৰতিমা। এইবেলি পেলনীয়া নাৰিকলৰ বাকলিৰে নিৰ্মাণ কৰা দুৰ্গা প্ৰতিমাটো কোনো ক্লাব, কমিটী বা সংঘই বিচাৰিব বুলি তেওঁ আশাবাদী।





# সূৰ্যপৃষ্ঠত সন্ধান ওলাল ৰহস্যময় অঞ্চলৰ

সূৰ্যপৃষ্ঠত এক ৰহস্যময় অঞ্চলৰ সন্ধান পালে একাংশ বিজ্ঞানীয়ে। সেই অঞ্চলৰ কাষলৈ গ'লেই হেনো আশ্চৰ্যকৰভাৱে কমি যায় তাপমাত্ৰাৰ পাৰা। আমেৰিকাৰ নেছনেল ছায়েন্স ফাউণ্ডেছন (এনএছঅ')ৰ শক্তিশালী ছ'লাৰ টেলিস্কোপ এটাই এই তথ্য সংগ্ৰহ কৰিছে।

## টেলিস্কোপৰ কেমেৰা কাষলৈ গ'লেই কমি যায় তাপমাত্ৰা

**নিউজ ব্যুৰ'**
**নিউ য়ৰ্ক, ১০ ছেপ্টেম্বৰ ঃ** সূৰ্যপৃষ্ঠত এক ৰহস্যময় অঞ্চলৰ সন্ধান পালে একাংশ বিজ্ঞানীয়ে। সেই অঞ্চলৰ কাষলৈ গ'লেই হেনো আশ্চৰ্যকৰভাৱে কমি যায় তাপমাত্ৰাৰ পাৰা। আমেৰিকাৰ নেছনেল ছায়েন্স ফাউণ্ডেছন (এনএছঅ')ৰ শক্তিশালী ছ'লাৰ টেলিস্কোপ এটাই এই তথ্য সংগ্ৰহ কৰিছে।

বিজ্ঞানীসকলে জনাইছে যে সূৰ্যৰ মাজৰ সেই ৰহস্যৰে আবৰা অঞ্চলটোৰ নাম হৈছে ক্ৰ'ম'স্ফিয়াৰ। ই হৈছে সৌৰ পৰিমণ্ডলৰ এটা স্তৰ, যাৰ সূচনা হয় সূৰ্যপৃষ্ঠৰ পৰা চাৰিশ কিলোমিটাৰ উচ্চতাত। ১২শ কিলোমিটাৰ উচ্চতাত এই স্তৰৰ সৰ্বোচ্চ সীমা। ক্ৰ'ম'স্ফিয়াৰৰ মাজত তাপমাত্ৰাৰ তাৰতম্য আছে। বিজ্ঞানীসকলে দাবী কৰিছে যে সচৰাচৰ সূৰ্যৰ ক্ৰ'ম'স্ফিয়াৰৰ তলৰ ফালে তাপমাত্ৰা থাকে তিনি হেজাৰ সাতশ ডিগ্ৰী চেলছিয়াছ। আনহাতে, ওপৰৰ ফালে তাপমাত্ৰা থাকে প্ৰায় সাত হেজাৰ সাতশ ডিগ্ৰী চেলছিয়াছ। অৱশ্যে এই স্তৰৰ এটা বিশেষত্ব বিচাৰি পাইছে বিজ্ঞানীসকলে। তেওঁলোকে জনাইছে যে সূৰ্যৰ এই বিশেষ স্তৰটোৰ পৰা দূৰলৈ আঁতৰি গ'লে তাপমাত্ৰা বাঢ়ি যায়। য'ত সূৰ্যৰ অন্যান্য স্তৰসমূহৰ ক্ষেত্ৰত ঘটে বিপৰীত ঘটনা। সেইবোৰ স্তৰৰ পৰা সূৰ্যৰ কেন্দ্ৰৰ আৰু ওচৰলৈ গ'লে তাপমাত্ৰা বাঢ়ে। দূৰলৈ গ'লে উত্তাপ তুলনামূলকভাৱে কমে। যিহেতু সূৰ্যকেন্দ্ৰকেই সবাতোকৈ উষ্ণ বুলি ধৰা হয়, সেয়ে ক্ৰ'ম'স্ফিয়াৰত তাপমাত্ৰা হ্ৰাস-বৃদ্ধিৰ এই তাৰতম্যই মহাকাষ গৱেষকসকলক চিন্তিত কৰি তুলিছে।

উল্লেখ্য যে এনএছঅ'ৰ 'দ্য ডেনিয়েল কে. ইন'ৱে' ছ'লাৰ টেলিস্কোপ'ক বিশ্বৰ সবাতোকৈ শক্তিশালী সৌৰ টেলিস্কোপ হিচাপে গণ্য কৰা হয়। নানা সময়ত সূৰ্যপৃষ্ঠৰ নানা তথ্য বা অজানা ঘটনা এই টেলিস্কোপৰ মাধ্যমেৰে বিজ্ঞানীসকলে জানিব পাৰে। সেই টেলিস্কোপেই সূৰ্যপৃষ্ঠত ক্ৰ'ম'স্ফিয়াৰৰ এই ৰহস্যময় অঞ্চলটোৰ সন্ধান দিছে। যোৱা তিনি জুনত এনএছঅ'ৰ তৰফৰ পৰা উক্ত টেলিস্কোপে সংগ্ৰহ কৰা সূৰ্যৰ ক্ৰ'ম'স্ফিয়াৰৰ ফটো প্ৰকাশ কৰে। সূৰ্যৰ মাজৰ অজানা ঘটনাৱলী প্ৰকাশলৈ অনা, নক্ষত্ৰৰ অজানা দিশবোৰ পৃথিৱীৰ মানুহক পৰিচিত কৰাটোৱেই এনএছঅ'ৰ সৌৰ টেলিস্কোপৰ প্ৰধান লক্ষ্য। এই সন্দৰ্ভত সংস্থাটোৰ সঞ্চালক সেতুৰামন পঞ্চানাথনে কয়, 'দ্য ডেনিয়েল কে. ইন'ৱে' ছ'লাৰ টেলিস্কোপ বিশ্বৰ সবাতোকৈ শক্তিশালী সৌৰ টেলিস্কোপ। আমি সূৰ্যক যিদৰে চিনি পাওঁ বা তাৰ বিষয়ে এই পৰ্যন্ত যিখিনি জানিছো, সেই ধাৰণা সলনি কৰি দিব পাৰে এই টেলিস্কোপে।' সৌৰধুমুহা, সূৰ্যৰ পৰা তেজস্ক্ৰিয় বিকিৰণৰ দৰে ঘটনাসমূহ আৰু ভালদৰে বুজাত এই সৌৰ টেলিস্কোপে সাহায্য কৰিব বুলিও তেওঁ দাবী কৰে।




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com